# খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী



সম্পাদক

ৰুহুল আমিন

# খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

KHARUPETIA COLLEGE
ESTD. 1981
KHARUPETIA • DARRANG • ASSAM
তমসো মা জ্যোতির্গময়

## তৃতীয় সংখ্যা

**ইং ২০০৫-০৬ চন**

খাৰুপেটীয়া-৭৮৪১১৫
দৰং ঃ অসম

তত্ত্বাৱধায়ক
প্ৰৱক্তা মঃ নুৰুল ইছলাম
এম,এ,বি,এড,

সম্পাদক
ৰুহুল আমিন

Kharupetia College Magazine : Volume 3 : 2005-06, Published by Kharupetia College Students' Union: Kharupetia College: Darrang: Assam

# খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী

তৃতীয় সংখ্যা

২০০৫-০৬ বৰ্ষ


সম্পাদনা সমিতি ঃ

মুখ্য উপদেষ্টা ঃ ড০ খৰ্গেশ্বৰ ডেকা, অধ্যক্ষ

উপদেষ্টামণ্ডলী ঃ শ্ৰীদীপক কলিতা, অধ্যাপক
আব্দুল কৰিম, অধ্যাপক
জালাল উদ্দিন আহমেদ, অধ্যাপক
নাজিৰ হুছেইন সৰকাৰ, অধ্যাপক

তত্ত্বাৱধায়ক ঃ মঃ নুৰুল ইছলাম, অধ্যাপক

সম্পাদক ঃ ৰুহুল আমিন

সদস্যবৃন্দ ঃ শ্ৰীমতী কনকলতা শইকীয়া, অধ্যাপিকা
ড০ আছমানাৰা বেগম, অধ্যাপিকা
নুৰজামান, অধ্যাপক
আব্দুল আওৱাল, অধ্যাপক
শিকদাৰ আনোৱাৰুল ইছলাম
মিজানুৰ আহমেদ
জিয়াউল হক
তোজাম্মেল হুছেইন

অক্ষৰ বিন্যাস ঃ ৰুবুল আখতাৰ

আৰ্হিপাঠ ঃ আব্দুল আওৱাল
ড০ আছমানাৰা বেগম
কনকলতা শইকীয়া
শিকদাৰ আনোৱাৰুল ইছলাম

প্ৰকাশক ঃ খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা

মুদ্ৰণ ঃ পাৰামাউণ্ট অফচেট, বৰদৌলগুৰি, দৰং।


# শ্ৰদ্ধাঞ্জলি


সমাজক, দেশক ভালপোৱা যি সকল
জ্ঞাত-অজ্ঞাত মহান ব্যক্তিয়ে অশেষ
ত্যাগ আৰু কষ্টৰ বিনিময়ত
দৰং জিলাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলৰ
উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ একমাত্ৰ শিক্ষানুষ্ঠান
খাৰুপেটীয়া মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি
নৱ জ্ঞানৰ পোহৰ সিঁচি দিয়াত অৰিহণা যোগালে
তেখেত সকললৈ আমি খাৰুপেটীয়া মহাবিদ্যালয়
আলোচনী সম্পাদনা সমিতিৰ তৰফৰপৰা
শ্ৰদ্ধা নিবেদিছো।
মানুহৰ জন্ম আৰু মৃত্যু চিৰন্তন-
সেয়েহে বিগত দিনবোৰত এই অনুষ্ঠানৰ
শুভাকাংক্ষী যি সকল গুণী ব্যক্তিক আমি হেৰুৱালো
সেই সকললৈও এই সুযোগতে
অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

-সম্পাদনা সমিতি

# উছৰ্গা

খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০০৫-০৬ (তৃতীয় সংখ্যা) আলোচনী সম্পাদনা সমিতিৰ তৰফৰ পৰা মহাবিদ্যালয়ৰ সমূহ পৰিয়াললৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰকাশত বহু বছৰ ধৰি যতি পৰিছিল যদিও এক উদ্যমী প্ৰচেষ্টাৰে এই বৰ্ষৰ আলোচনী কিছু বিলম্ব হলেও প্ৰকাশ কৰা হ'ল। আলোচনীখন সুন্দৰভাৱে প্ৰকাশ কৰি তোলাৰ চেষ্টাত কোনো ত্ৰুটি ৰখা নাই। অনিচ্ছাকৃত ভাৱে হোৱা ভুলৰ মাৰ্জনা বিচাৰি, আলোচনীখনে কিছু পৰিমানে হলেও পঢ়ুৱৈ সমাজক আকৰ্ষিত কৰিব পাৰিলে আমি আনন্দিত হ'ম। এই আশাৰেই এই সংখ্যাৰ মহাবিদ্যালয়ৰ আলোচনী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীৰ হাতত উছৰ্গা কৰিলোঁ।

- সম্পাদনা সমিতি




কৰ্ত্তব্যৰত অৱস্থাত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ
ড০ খৰ্গেশ্বৰ ডেকা



# সম্পাদকীয়


সম্পাদকীয় পাতনিতে সকলোলৈকে শ্ৰদ্ধা আৰু শুভেচ্ছা যাঁচিছো। যি সকল ব্যক্তিৰ আশাশুধিয়া প্ৰচেষ্টাৰ ফলত খাৰুপেটীয়া মহাবিদ্যালয় সৃষ্টি হ'ল তেওঁলোকলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম। 'সম্প্ৰতি সহিত্য হ'ল এটা জাতিৰ দাপোন স্বৰূপ।' কবি নীলমণি ফুকনে কোৱা এই বাক্য শাৰীতে সাহিত্যৰ জৰিয়তে পোৱা যায় এটা জাতি আৰু এখন বিশ্বৰ প্ৰতিচ্ছবি। সাহিত্যই মিলনৰ সেঁতু বন্ধাত সহায় কৰে। সাহিত্যক আগবঢ়াই লৈ যোৱা বিভিন্ন অনুষ্ঠান প্ৰতিস্থান সমূহৰ পৰা প্ৰকাশিত মুখপত্ৰ বা আলোচনীৰ বাবে কোনো গুণে কম নহয়। আমাৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দীতাত উত্তীৰ্ণ হৈ ছাত্ৰ একতা সভাৰ ২০০৫-২০০৬ শিক্ষা বৰ্ষৰ আলোচনী সম্পাদক হবলৈ যিখিনি সাহসৰ প্ৰয়োজন সেই সাহস খিনি গোটাই মই মোৰ বন্ধু বৰ্গৰ বিপুল দাবীত আলোচনী প্ৰকাশ কৰিব পাৰিম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছিলো। আলোচনী সম্পাদক হিচাবে আপোনালোকে অৰ্পন কৰা দায়িত্ব কিমানদূৰ পালন কৰিব পাৰিছো সেইটো আপোনালোকৰ বিচাৰ্য্য।

আলোচনী এখন সম্পাদনা কৰাটো বৰ সহজ নহয়। যদিহে পূৰ্বৰ অভিজ্ঞতা নাথাকে, ই আৰু কঠিন হৈ পৰে। তথাপিও যত্নৰ ত্ৰুটি কৰা নাই। আপোনালোকে দিয়া লিখনিবোৰ যিমানদূৰ পাৰিছো সঠিকভাৱে নিৰীক্ষণ কৰি যিবোৰ উপযুক্ত বুলি সম্পাদনা সমিতিয়ে ভাবিছে সেইবোৰ লিখনি আপোনালোকৰ আগত বাস্তৱ আকাৰে প্ৰতিফলিত কৰিছোঁ। আমাৰ মহাবিদ্যালয়ৰ প্ৰতি বছৰে প্ৰকাশ পায় প্ৰাচীৰ পত্ৰিকা। আশাকৰো আমাৰ মহাবিদ্যালয়ৰ যি সকল লিখক লেখিকাই কলম হাতত লৈছে তেওঁলোকে সৃষ্টিৰ পাতত লিখি যাব সমাজ, শিক্ষা, সাহিত্য আৰু জীয়াই থকাৰ ভাষা। বিশ্ব সাহিত্যত জিলিকি থকাকৈ আমাৰ মহাবিদ্যালয়ৰ পৰাও একো একোজন কবি ও সাহিত্যৰ জন্ম হওঁক তাৰেই আশা মনত পুহি ৰাখিলো। এটা নতুন পোহৰৰ অপেক্ষা সাহিত্যই আমাৰ এই বাস্তৱতাৰ সঁচা প্ৰতিফলন ঘটাই সমাজ ৰূপান্তৰৰ পথ নিৰ্মাণ কৰি দিব পাৰিব।

আমাৰ বিভিন্ন কামকাজৰ লগত জড়িত থকা বা প্ৰয়োজনীয় পৰামৰ্শৰে উপকৃত কৰা মহাবিদ্যলয়ৰ মাননীয় অধ্যক্ষ ড° খৰ্গেশ্বৰ ডেকা ছাৰ, সম্পাদনা সমিতিৰ সকলো সদস্য তথা তত্বাৱধায়ক পূজনীয় নুৰুল ইছলাম ছাৰ লগতে ছাত্ৰ-একতা সভাৰ সকলোৰে ওচৰত কৃতজ্ঞ হৈ ৰলো।

সদৌ শেষত মোৰ সকলো পূজনীয় শিক্ষাগুৰু ও ছাত্ৰ-ছাত্ৰী সকললৈ অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটি বিচ্যুতিৰ বাবে শৰণাগত হৈ আপোনালোকৰ ওচৰত নতশিৰে মাৰ্জনা বিচাৰিলো লগতে খাৰুপেটীয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মই মোৰ সম্পাদকীয় সামৰণি মাৰিলো।

সেৱাৰে-
ৰুহুল আমিন ছিদ্দিকি
সম্পাদক, আলোচনী বিভাগ



# তত্ত্বাৱধায়কৰ একলম

আলোচনী কোনো এটা অনুষ্ঠানৰ আভ্যন্তৰীণ মানদণ্ডৰ প্ৰতিচ্ছবি স্বৰূপ। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ আভ্যন্তৰীণ জ্ঞানৰ মানদণ্ড নিৰ্দ্ধাৰণ কৰিব পৰা যায়। আলোচনী মাধ্যমৰ জৰিয়তে শিক্ষানুষ্ঠানত অধ্যয়ণ কৰি থকা ছাত্ৰ-ছাত্ৰী সকলক মৌলিক প্ৰতিভা আৰু বৌদ্ধিক চিন্তা-চৰ্চাৰ পূৰ্ণ বিকাশ ঘটাত অধিক সুযোগ পায়। আলোচনীয়ে সদায় শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ কৰাত সহায় কৰাৰ উপৰি সাহিত্য চৰ্চাতো সহায় কৰে। আলোচনীয়ে সদায় সাহিত্য চৰ্চাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সেয়ে সাহিত্যক শিক্ষাৰ আৱৰ্ত্তৰ পৰা একাষৰীয়া কৰি উলিয়াই আনিব পৰা নাযায়। শিক্ষা আৰু সাহিত্যৰ এক নিবিড় সম্বন্ধ আছে। এই ক্ষেত্ৰত আমাৰ আলোচনীৰ ভূমিকাও নুই কৰিব নোৱাৰি। সামান্যভাৱে হলেও আমাৰ আলোচনীয়ে অধ্যয়ণ কৰি থকা ছাত্ৰ-ছাত্ৰী সকলৰ আবেগ-অনুভূতি আৰু অন্তৰ্নিহিত জ্ঞানৰাশিৰ আত্মপ্ৰকাশৰ সুযোগ পালে।

আলোচনী এখন প্ৰকাশ কৰাৰ লগত জড়িত হৈ থাকে যথেষ্ঠ পৰিমাণৰ অৰ্থৰ কথা আৰু আমাৰ মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ আচুতীয়া পুঁজিৰে প্ৰতিবছৰে আলোচনী এখন প্ৰকাশ কৰা সম্ভৱপৰ নহয়। আমাৰ সীমিত ছাত্ৰ-ছাত্ৰীৰ মাচুলেৰে প্ৰতিবছৰে আলোচনী এখন প্ৰকাশ কৰা অতি জটিল কাম। অৰ্থনৈতিক সমস্যাৰ বাবে মহাবিদ্যালয় আলোচনীৰ তৃতীয় সংখ্যা সময়মতে প্ৰকাশ কৰিব পৰা সম্ভৱ হৈ উঠা নাছিল। ২০০৫-০৬ বৰ্ষৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনীৰ তৃতীয় সংখ্যা প্ৰকাশ কৰিবৰ বাবে অতি সীমিত পুঁজিৰে কাম-কাজ আৰম্ভ কৰা হয়।

আশা কৰো আগন্তুক দিনত খাৰুপেটীয়া মহাবিদ্যালয় আলোচনীৰ লগত জড়িত সমস্যাৰ সমাধান নিশ্চয় হব। আমাৰ আলোচনীৰ তৃতীয় সংখ্যা প্ৰকাশৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড°খৰ্গেশ্বৰ ডেকাদেৱে আলোচনী প্ৰকাশ কৰাৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰাৰ লগতে তেখেতৰ ভাষা-সাহিত্যৰ প্ৰতি থকা দূৰ্বলতাৰ বাবে ব্যক্তিগত ভাৱে যথেষ্ঠ সহায়-সহযোগিতা আগবঢ়ায় আৰু বহুত অসুবিধা থকা স্বত্বেও সময় মতে পুঁজিৰ ব্যৱস্থা কৰি মুকলাই দিয়ে। আলোচনী সম্পাদনা সমিতিৰ উপদেষ্টা মণ্ডলী আৰু সমূহ সদস্যই আন্তৰিকতাপূৰ্ণ সহায়-সহযোগ আগবঢ়ায় আৰু প্ৰত্যেকেই যথেষ্ঠ আগ-ভাগ লৈ আলোচনীখন পোহৰৰ মুখ দেখাত অৰিহনা যোগায়। আলোচনী সম্পাদক ৰুহুল আমিনে অশেষ শ্ৰম কৰি আলোচনীখন ছাত্ৰ-ছাত্ৰী তথা পাঠকৰ হাতত তুলি দিয়াৰ কৃতিত্ব অৰ্জন কাঢ়িছে। সৰ্বশেষত খাৰুপেটীয়া মহাবিদ্যালয় আলোচনীৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি ইয়াৰ প্ৰকাশ কৰাৰ ক্ষেত্ৰত প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে সহায়-সহযোগিতা আগবঢ়োৱা সকলোলৈকে অকৃত্ৰিম কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

নুৰুল ইছলাম, এম. এ. বি. এড.
তত্বাৱধায়ক; আলোচনী বিভাগ

# সূচীপত্ৰ


**প্ৰবন্ধ শিতান ঃ** পৃষ্ঠা নং

অসমীয়া ইংৰাজি অভিধান আৰু ড° মাইলচ ব্ৰন্সন মানুহজন ৭
□ শ্ৰীমতী কনকলতা শইকীয়া

সমাজত নাৰীৰ স্থান ১১
□ ৰাখি সাহা, মন্টি সাহা

জীৱননো কি ১৪
□ মোঃ আবুল হাসেম

মোগল সম্ৰাট ঔৰংজেৱ - এটি আলোকপাত ১৫
□ মঃ আফজল হুছেইন

উশৃঙ্খল যুৱ মানসিকতা ৭
□ ৰুহুল আমিন

**গল্প শিতান ঃ**

মেঘে ঢকা তৰাৰ উচুপনি ১৯
□ মিছ ছলিনা আহমেদ

সূৰ্যাস্তৰ শেষত ২১
□ মনিকা চহৰীয়া

হৃদয়ৰ ঢৌ ২২
□ মিছ মাছুমা আহমেদ

এটি নিশা ২৪
□ মহিজুল ইছলাম

ৰঙীন ফটো ২৫
□ এম. আব্দুল জব্বৰ

নিকৰুণ স্মৃতি ২৬
□ এম. শ্বহৰ আলী

জীৱনৰ মায়া মোহো নাই ২৮
□ মঃ হাছেন আলী

হিৰ' ৩০
□ মিছ মাহমুদা বেগম

মোৰ দৃষ্টিত প্ৰেম ৩১
□ মিছ জেচমিনা ইয়াচমিন

বতৰ ৩২
□ খন্দকাৰ দিলাৱাৰ হুছেইন

**কবিতা ঃ** পৃষ্ঠা নং

মৰহা ফুলৰ সুবাস ৩৩
□ মঃ ছিৰাজুল হক

সময় ৩৩
□ শ্বেখ হেদায়েতুল্লা

সুখী ৩৩
□ মঃ আব্দুল হাসেম

আশা ৩৪
□ আলাউদ্দিন আহমেদ

বৃদ্ধ ৩৪
□ খোৰশেদ জামান

মোৰ প্ৰেয়সীৰ নাম স্মৃতি ৩৪
□ মিচ ভাৰতী হালৈ

মনত পৰে ৩৫
□ মৌঃ মঃ আব্দুল ওৱাজিদ

অনুভৱৰ স্বৰ ৩৫
□ আব্দুল হামিদ

অভিযাত্ৰী ১৫ আগষ্ট ৩৫
□ মঃ জুৱান আলী

আগবাঢ়ি যোৱা ৩৬
□ মিজানুৰ ৰহমান

জীৱন ৩৬
□ মিচ উম্মেহানিমা ইয়াচমিন

বিষাদ ৩৭
□ মিচ মাজেদা বেগম

প্ৰেমৰ ঠাই ৩৭
□ মঃ ৰেজাউল কৰিম

তোমাক ভালপাও বাবেই ৩৭
□ মিজানুৰ ৰহমান

হৃদয়ৰ বতৰা ৩৮
□ মিচ চুলতানা ৰেজিয়া

ৰাতিপুৱা বনাম সন্ধিয়া ৩৮
□ মিচ ইয়াচমিন মাপজুন নাহাৰ

অপৰাজেয় ৩৮
□ ৰাহুল চৌধৰী

কল্পনা ৩৯
□ মামনি বিশ্বাস

বৰষুন ৩৯
□ চাহানা মুৰ্চিদা বেগম

স্মৃতি ৩৯
□ মোঃ দুলাল নবী আজাদ

বেদনাশিক্ত হৃদয় ৪০
□ মাহমুদ হাচান আহমেদ

অপেক্ষা ৪০
□ মোঃ নুৰমাহাম্মদ

ভালপোৱাৰ জীৱন ৪০
□ মনিৰউদ্দিন আহমেদ

এদিন ৪১
□ মঃ ফজলুল কৰিম আহমেদ

খাৰুপেটীয়া মহাবিদ্যালয় ৪১
□ মিছ আবিদা বেগম চৌধুৰী

আমাৰ মহাবিদ্যালয় ৪১
□ মোঃ আব্দুল জলিল

**हिन्दी कविता:**

आदमी 42
□ आमिरूल इसलाम

दोस्त 42
□ मिच दुलाली बेगम

जीवन क्या है 42
□ कविता सुराना

**English Section**

**Poetry** Page No.

Lost Love 43
□ Miss Nazmin Sultana

Good Time 43
□ Chandrabhushan Singh

As I See the Sea Waves 44
□ Mahmud Hasan Ahmed

Love 44
□ Beauty Sabana

A True Friend 45
□ Amirul Islam

It is a Girls World 45
□ Kabita Surana

Reality 46
□ K. A. Saiyed Ansary

Betrothed Damsel 46
□ Sahjamal Ansary

**Story/ Article**

There are more things in heaven and earth 47
□ Parimal Kumer Dutta

Relevance and Prospect of learning Spoken English
□ ~~Parimal Kumer Dutta.~~ R.U Ahmed


# প্ৰবন্ধৰ শিতান



# 'অচমিয়া ইংৰাজি অভিধান' আৰু ডঃ মাইলচ্ ব্ৰন্সন মানুহজন

শ্ৰীমতী কনকলতা শইকীয়া

আধুনিক অসমীয়া সাহিত্যত ত্ৰিমূৰ্ত্তি বুলিলে চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱাক যিদৰে সকলোৱে জানে, ঠিক সেইদৰে অসমীয়া খ্ৰীষ্টীয় সাহিত্যিকৰ ত্ৰিমূৰ্ত্তি হ'ল ডঃ নাথান ব্ৰাউন, ডঃ মাইলচ্ ব্ৰন্সন আৰু নিধিলিবাই ফাৰুৱেল। ভাষাতত্ববিদ ডঃ মাইলচ্ ব্ৰন্সন হ'ল অসমীয়া খ্ৰীষ্টীয় সাহিত্যৰ দ্বিতীয় ত্ৰিমূৰ্ত্তি। আমেৰিকা মিল দেশৰ নিউইয়ৰ্ক ৰাজ্যৰ নৰৱে নামৰ চহৰত। ১৮১২ চনৰ ২০ জুলাই তাৰিখে ডঃ মাইলচ্ ব্ৰন্সনৰ জন্ম হয়। এওঁ হেমিল্টনত শিক্ষা লাভ কৰি মাত্ৰ ২৪ বছৰ বয়সত পাদ্ৰী নিযুক্ত হয় আৰু ১৮৩০ চনৰ ৩০ মে' তাৰিখে নিউইয়ৰ্কৰ হোৱাইটচবৰ'ত খ্ৰীষ্ট্ৰ ধৰ্ম প্ৰচাৰৰ বাবে আজ্ঞা পায়। ১৮৩৬ চনৰ ২৮ এপ্ৰিলত তেখেতে অসমৰ শদিয়ালৈ শ্বান মিছনৰ বাবে খ্ৰীষ্টিয়ান মিছনাৰী হিচাবে নিযুক্ত হয়। ডঃ মাইলচ্ ব্ৰন্সন অসমলৈ অহাৰ গুৰিতে আছিল ডঃ নাথান ব্ৰাউন। তেখেতেই অসমত অধিক মিছনাৰী পঠোৱাৰ বাবে আমেৰিকান বোৰ্ডক অনুৰোধ কৰাত মাইলচ্ ব্ৰন্সন, পত্নী ৰুথ মন্টেগু ভনীয়েক ৰোডা ব্ৰন্সন আৰু সস্ত্ৰীক জেকব থমাচক অসমলৈ পঠিয়ায়। ভৰ বাৰিষা ব্ৰহ্মপুত্ৰৰ পানী উপচি পৰে আৰু যাতায়ত কৰা অতি দূৰুহ হৈ পৰে। এনে অৱস্থাত ব্ৰহ্মপুত্ৰৰে উজাই অহা অতি বিপদ জানিও শদিয়ালৈ বুলি অহা মিচনাৰী দলটোৱে বঙালী মাঝিৰ সহায়ত বৰনাৱেৰে ব্ৰহ্মপুত্ৰৰ বুকুত যাত্ৰা আৰম্ভ কৰিলে। তেওঁলোকে অসমৰ মিচনাৰী সকলক লগ পাবলৈ উদ্বাউল হৈ পৰিল। অসমৰ বিশ্বনাথ ঘাট পোৱালৈকে দলটো ঠিকেই আছিল। কোনো এজনেও একোকষ্ট নোপোৱাকৈ ইমানদূৰ অতিক্ৰম কৰি আহি এইবাৰহে যেন বিপদৰ সংকেত পালে। দূৰন্ত আত্মবিশ্বাসী মাইলচ্ ব্ৰন্সন ৰোগাক্ৰান্ত হ'ল। তেওঁলৈ বুলি শদিয়াৰ পৰা দৰৱ আনিবলৈ থমাচে এখন চুঁচীয়া নাৱত উজনিমুৱা যাত্ৰা আৰম্ভ ক ৰিলে। ব্ৰহ্মপুত্ৰৰ কোৱাল সোঁতৰ বিপৰীতে নাওখন আগুৱাব অসুবিধা হ'ল বাবে নাৱৰীয়াই পাৰে পাৰে আহি থাকোতে গছ উঘালি নাৱৰ ওপৰত পৰিল আৰু জেকবক সোতে অজান মুলুকলৈ উটুৱাই লৈ গ'ল। নাৱৰীয়া দুজনে কোনোমতে শদিয়ালৈ গৈ দৰৱ আনি ব্ৰন্সনৰ জীৱন ৰক্ষা কৰে আৰু এই শোকাবহ দূৰ্ঘটনাৰ বাতৰিয়ে আটাইকেইজনকে মৰ্মাহত কৰে।

১৮৩৭ চনৰ ১৭ জুলাই তাৰিখে ডঃ মাইলচ্ ব্ৰন্সনৰ দলটো শদিয়াত প্ৰৱেশ কৰে। সেই সময়ত শদিয়াত খৃষ্টান ধৰ্ম প্ৰচাৰৰ বাবে ব্যস্ত আছিল নাথান ব্ৰাউন চাহাব। শদিয়াত খামটি সকলে বৃটিছ সেনাৰ ওপৰত চলোৱা আক্ৰমণ আৰু লুট পাতৰ কাৰণে অশান্তিয়ে দেখা দিয়ে। তাত নিৰাপদ যেন নেদেখি চাহ খেতিয়ক ব্ৰুচ জয়পুৰলৈ ঢাপলি মেলে আৰু তাত চাহ খেতিৰ নতুন প্ৰচেষ্টা চলায়। ব্ৰুচৰ পৰামৰ্শ মতে ব্ৰন্সন জয়পুৰত উপস্থিত হয়। জয়পুৰৰ নামচাঙত নগাসকলৰ মাজত শিক্ষা বিস্তাৰ আৰু ধৰ্ম প্ৰচাৰ কৰিবলৈ তেওঁ বৃটিচৰ পৰা সাহাৰ্য পোৱাৰ উপৰিও ৰাজকীয় সাহাৰ্যও পাইছিল বুলি ডাউন্সৰ ৰচনাৰ পৰা জানিব পাৰি। ১৮৩৯ চনত মিছনাৰী সকলে জয়পুৰত প্ৰেছ স্থাপন কৰে আৰু ১৮৪৩ চনলৈ জয়পুৰ আছিল মিছনাৰীৰ ধৰ্ম প্ৰচাৰ কৰাৰ কেন্দ্ৰবিন্দু।

সুদূৰ পাশ্চাত্যৰ পৰা খৃষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ আহি মাইলচ্ ব্ৰন্সনে দ্বিতীয়া পত্নীকে আদি কৰি ভালেকেইগৰাকী আত্মীয়ক হেৰুৱায়। নগা বিদ্ৰোহীৰ খেদা খাই পিছলৈ তেওঁ নগাৰত থিতাপি লব লগা হয়। ইয়াত থকা সময়ত ব্ৰন্সনে ধৰ্ম প্ৰচাৰ কৰাৰ লগে লগে পঢ়াশালী আৰু মাউৰা শিশুৰ বাবে আশ্ৰম পাতে। একোলৈকে কেৰেপ নকৰা উদ্যমী ডেকা ব্ৰন্সনৰ স্বাস্থ্য লাহে লাহে ভাঙি অহাত ১৮৪৮ চনত সু-স্বাস্থ্য লাভৰ বাবে স্ত্ৰী সহ আমেৰিকালৈ গমন কৰে। তাতে তেওঁৰ প্ৰথমা পত্নীৰ বিয়োগ

ঘটে। দেহা টো অলপ ঠন ধৰি উঠাত ১৮৫১ চনত পুণৰ আমেৰিকাৰ পৰা অসম পায়হি। এইবাৰ আহিয়ে ব্ৰন্সনে খ্ৰীষ্ট্ৰীয় অসমীয়া সাহিত্যৰ কাৰণে একান্তভাৱে মনোনিৱেশ কৰে আৰু তাৰ ফলস্বৰূপে বাইবেলৰ যীশুৰ অনেক বানী অসমীয়ালৈ অনুবাদ কৰে। খ্ৰীষ্ট্ৰিয়ান মিছনাৰী সকলে এইটো ভালদৰে উপলব্ধি কৰিব পাৰিছিল যে, কোনো জাতিয়ে নিজ মাতৃভাষা বিনে আন ভাষাৰ ব্যুৎপত্তি লভিব নোৱাৰে আৰু সেইকাৰণে তেওঁলোক য'লৈকে গৈছে সেই ঠাইৰ সেই জাতিৰ ভাষা সুন্দৰ ভাৱে আয়ত্ব কৰি লৈছে। অসমত থকা প্ৰত্যেকজন মিছনাৰীয়ে অসমীয়া ভাষা সুন্দৰকৈ শিকি কিবা নহয় কিবা এখন গ্ৰন্থ লিখাৰ দৃষ্টান্ত আছেই। ব্ৰাউন আৰু ব্ৰন্সন দুয়োজনে ভাষাবিদ আছিল। ডo মাইলচ্ ব্ৰন্সনৰ দ্বাৰা প্ৰণীত অনেক বাইবেলৰ শ্লোক, খ্ৰীষ্ট্ৰীয় তুতি গানৰ উপৰিও তেখেতৰ সুদীৰ্ঘ বাৰ বছৰ কঠোৰ শ্ৰমৰ ফলত ১৮৬৭ চনত 'অচমিয়া আৰু ইংৰাজি অভিধান' প্ৰকাশ কৰি অসমীয়া জাতিক চিৰঋণী কৰে। ব্ৰন্সন চাহাবৰ এই অভিধান আৰু আনন্দৰাম ঢেকীয়াল ফুকনৰ Few Remarks পুথি দুখনে মিছনাৰী সকলক অসমীয়া ভাষা পুণৰ প্ৰতিষ্ঠা কৰা ৰণত ব্ৰহ্মাস্ত্ৰ ৰূপে সহায় কৰিলে। মাত্ৰ উনত্ৰিছ বছৰীয়া ঢেকীয়াল ফুকনে অসমীয়া ভাষা পুণৰ প্ৰচলনৰ ক্ষেত্ৰত মিছনাৰী সকলক অহোপুৰুযাৰ্থে সহায়ৰ হাত আগবঢ়াইছিল।

অসমত থকা মিছনাৰী সকলে যাতে অসমীয়া ভাষাটো শিকিবলৈ সহজ হয় সেই উদেশ্য আগত ৰাখিয়েই ডoমাইলচ্ ব্ৰন্সনে 'অচমিয়া আৰু ইংৰাজি অভিধান' ৰচনা কৰে। অভিধানৰ পাতনিত তেওঁ ব্যক্ত কৰিছে এনেদৰে -

১। 'আমাৰ দেসি গ্যানি লোক সকলেও নিজ মাত্ৰি ভাসাক উত্তম কৰিব পাৰে। বিসেসকৈ জি সকলে ইংৰাজি ভাসাৰে ন ন বিদ্যা সিকিছে তেওবিলাকে একে আলচেৰে সেই গ্যান বিদ্যাৰ দ্বাৰাই অচমিয়া ভাসাৰে নানা বিধ পুথি চাপিলে দেসত গ্যান বিদ্যা বাহিব, আৰু ক্ৰমে ক্ৰমে ভাসাও উতম আৰু সকলোৰে মান্যবন্ত হৈ জাব।'

২। 'অনেক ইংৰাজি লোকে অচমিয়া ভাসা সিকিবলৈ ইচা কৰে আৰু অনেক অচমিয়া লোকেও ইংৰাজি ভাসা সিকিবলৈ স্ৰম কৰি আছে। সকলোৰে উপকাৰৰ নিমিত্তে অচমিয়া ভাসাৰে এই প্ৰথম অভিধান সমাপ্ত কৰিলো।'

ব্ৰন্সনৰ অভিধান খনত মুঠ ১৪০০০ মান শব্দ আছে। এই শব্দবোৰ সেই সময়ত অসমীয়া মানুহে কথা পাতোতে যেনেদৰে উচ্চাৰণ কৰিছিল ঠিক সেইদৰেহে তেওঁ লিপিবদ্ধ কৰিছে। অভিধানত ব্যৱহাৰ কৰা শব্দবোৰ অসমীয়া পুৰণি পুথিত থকা আৰু দৈনন্দিন জীৱনত প্ৰচলিত কিছু সংস্কৃত শব্দও গ্ৰহণ কৰিছে। মূল সংস্কৃতৰ পৰা লোৱা শব্দবোৰ তৎসম ৰূপ যদিও অসমীয়া মানুহৰ মুখ বাগৰি সেইবোৰ অৰ্দ্ধ তৎসম ৰূপ পৰিগ্ৰহ কৰিছে। যেনে - অবসেস (অৱশেষ), অক্ৰিতগ্য (অকৃতজ্ঞ)। ব্ৰন্সনে অভিধানখনৰ বানান পদ্ধতিৰ ক্ষেত্ৰত বেছিকৈ দৃষ্টি দিছিল যদুৰাম ডেকা বৰুৱাই প্ৰনয়ণ কৰা বঙলা-অসমীয়া অভিধানখনৰ প্ৰতি। সেইবাবে তেওঁ উল্লেখ কৰিছে -

'The System of orthography adopted in this work is that of Jaduram Deka Barua, a learned Assamese, Pandit which it is believed much better corresponds with actual pronunciation of the people than any other system met with.' [p (III)]

অচমিয়া আৰু ইংৰাজী অভিধানত ব্ৰন্সন চাহাবে ৩২টা আখৰহে ব্যৱহাৰ কৰিছে। আকৌ স্বতন্ত্ৰ উচ্চাৰণ নোহোৱা আখৰ ঋ, ৠ, ঈ, ঊ, ঝ, ছ, ণ, য, ৱ, শ, য ব্যৱহাৰ কৰা নাই। তলত তেওঁ ব্যৱহাৰ কৰা কেইটামান নমুনা দিয়া হ'ল-

স্ত্ৰীলিঙ্গবাচক শব্দৰ ঈকাৰৰ ঠাইত ইকাৰ আৰু ছ ৰ ঠাইত চ যেনে- চোৱালি - ছোৱালী, আচিল - আছিল

যৰ ঠাইত জ জিমান- যিমান

ঊ কাৰৰ ব্যৱহাৰ নাই অচমিয়া - অসমীয়া, চমহিয়া - ছমহীয়া

ঋকাৰৰ ঠাইত আখৰৰ তলত ৰকাৰৰ প্ৰয়োগ কৰিছে - মাত্ৰি - মাতৃ

শ, য আৰু স ৰ ভিতৰত স হে দিছে - ভাসা - ভাষা, বিদেসি - বিদেশী

বিসেস - বিশেষ, ৱৰ ঠাইত অ ব্যৱহাৰ- হোআত - হোৱাত, পোআ - পোৱা

শব্দৰ শেষৰ য়ৰ ঠাইত ই প্ৰয়োগ কৰিছে- অৰুনোদই - অৰুণোদয়, উপাই - উপায়।

ব্ৰন্সন চাহাবে ব্যৱহাৰ কৰা কথিত শব্দবিলাকৰ অৰ্থ নিৰ্ভুল, কদাচিতহে এটা বা দুটা ভুল পোৱা যায়। এই মহান ব্যক্তি জনৰ অভিধান খনে 'হেমকোষ' প্ৰণয়ন কৰাৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাক প্ৰভূত অহিৰণা যোগাইছিল।

****



# সমাজত নাৰীৰ স্থান

ৰাখি সাহা, মান্টি সাহা
স্নাতক তৃতীয় বৰ্ষ

লিংগ বৈষম্য এটা নতুন সমস্যা নহয়। ই পুৰণিকালৰ পৰা চলি অহা মানৱ সভ্যতাৰ এক কলংকিত অধ্যায়। পুৰুষ আৰু মহিলা উভয়েই ঈশ্বৰৰ সৃষ্টি। উভয়েই এজন আনজনৰ পৰিপূৰক। এজনে আনজনকএৰি চলিব নোৱাৰে। পুৰুষ আৰু মহিলা উভয়েই সমাজৰ বাহক। কিন্তু সমাজ এখন সূচাৰুৰূপে পৰিচালিত হোৱাত নাৰীৰ যি অৱদান তাক সামাজিকভাৱে স্বীকৃতি দিবলৈ একশ্ৰেণীৰলোকে কুণ্ঠাবোধ কৰে। ক্ৰমে ক্ৰমে মহিলাসকলৰ দুৰ্বল দিশসমূহ আঙুলিয়াই দি সমাজত তেওঁলোকক ২য় শ্ৰেণীৰ স্থান দিয়া হৈছে। সময়ৰ পৰিবৰ্তনৰ লগে লগে যদিও বহুতো ক্ষেত্ৰত সাংবিধানিকভাৱে ন্যায়ালয়ৰ জৰিয়তে নাৰীৰ অধিকাৰসমূহক স্বীকৃতি দিয়া হৈছে। তথাপি আজিও কিছু কিছু ক্ষেত্ৰত নাৰীসকল বঞ্চিত হৈ আহিছে।

ভাৰতীয় দৰ্শনৰ পৰা চাব গলে আমি দেখিবলৈ পাও যে, হিন্দু ধৰ্মত দেৱতাতকৈ দেৱীৰ সংখ্যা অধিক। সেয়েহে ভাৰতত দেৱীসকলক সদায় আগস্থান দিয়া হৈছে আৰু মাতৃ বুলি সম্বোধন কৰা হৈছে। নাৰীৰ বিভিন্ন ৰূপৰ মাজত মাতৃৰ ৰূপেই শ্ৰেষ্ঠ ৰূপ বুলি গণ্য কৰা হয়। আজিৰ পৰা বহুবছৰ আগতে ভাৰতৰ নিচিনা এখন মহান দেশত য'ত মহিলাসকলক মাতৃবুলি সম্বোধন কৰি তেওঁলোকক বিভিন্ন কু-সংস্কাৰৰ মাজেৰে জীয়াই থাকিবলৈ বাধ্য কৰা হৈছিল। আনকি আজিৰ একবিংশ শতিকাতো তেনেবোৰ প্ৰথা প্ৰচলত হৈ থকা দেখা যায়। বাস্তৱিকতে মাতৃৰ নামাকৰণেৰে সন্তান জন্মৰ লগতে পৰিয়ালৰ সমস্ত দায়িত্ব নাৰী সকলৰ ওপৰত জাপি দিয়া এক কুটিল ষড়যন্ত্ৰ। সেয়ে নহয়। সমাজত কেতিয়াবা ধৰ্মৰ দোহাই দি, কেতিয়াবা সামাজিক নিয়মৰ দোহাই দি নাৰীসকলক বিভিন্ন প্ৰক্ৰিয়াৰে বঞ্চিত কৰি অহা হৈছে। ধৰ্ষণ, যৌতুক, পত্নীক প্ৰহাৰ, গৰ্ভৱতী নাৰীৰ ভ্ৰূণ পৰীক্ষা, পৰ্দা প্ৰথা, বাল্যবিবাহ, বিধবাৰ ওপৰত অত্যাচাৰ, সতীদাহ আদি ঘটনাবোৰ নিত্যনৈমিত্তিক ঘটনাত পৰিণত হৈছে। আজিকালি বাতৰিকাকতত এনেবোৰ ঘটনা সহজলভ্য হৈ পৰিছে। বলাৎকাৰৰ দৰে এক জঘন্য কাম পুৰুষৰ দ্বাৰা কৰা হয় যদিও ইয়াৰ বাবে ভূগিবলগা হয় মহিলাসকল। পুৰুষসকলে তেওঁলোকৰ শাৰীৰিক প্ৰয়োজন পূৰাবলৈ এনে কাম কৰে যদিও ইয়াৰ বাবে সমাজত মহিলাসকলক সদায় ঘৃণাৰ দৃষ্টিৰে চোৱা হয়। ইয়াৰ বাবে আইনগত সুৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। কিন্তু আদালতত ধৰ্ষণৰ বিচাৰ প্ৰক্ৰিয়া ত্ৰুটিমুক্ত নহয়। আজিৰ যুগতো ধৰ্মৰ নামত মহিলা সকলক বিভিন্ন ধৰণেৰে বঞ্চিত কৰা হৈছে। বৰ্তমান যুগতো এনে কিছুমান ঠাই আছে য'ত স্বামীৰ মৃত্যুৰ পিছত তেওঁৰ বিধবা পত্নীক স্বামীৰ চিতাত আত্মজাহ কৰিবলৈ বাধ্য কৰোৱা হয়। এইটো এটা পূণ্য কৰ্ম বুলি শ্লোগান কৰা হয় যে, 'হম ভাৰত কি নাৰী হ্যায়, ফুল নেহী চিঙাৰী হ্যায়'। আনকি গৰ্ভৱতী অৱস্থাত নাৰীক নিজৰ ইচ্ছাৰ বিৰুদ্ধে গৈ ভ্ৰূণ পৰীক্ষা কৰাবলৈ বাধ্য কৰোৱা হয় আৰু ছোৱালী হলে তেওঁলোকক হত্যা কৰা হয়। এই এটা অতি দুখজনক বিষয়। আজিৰ যুগত যৌতুক প্ৰথা এটা জলন্ত সমস্যা ৰূপে দেখা দিছে। বিয়াৰ সময়ত আৰু বিয়াৰ পিছতো যৌতুকৰ বাবে মহিলাসকলৰ ওপৰত বিভিন্ন ধৰণৰ অত্যাচাৰ কৰা হয়। যৌতুক প্ৰথাটো দিনে দিনে গভীৰলৈ শিপাইছে। নাৰীৰ যৌতুকৰ বাবে হোৱা মৃত্যুৰ পৰিমাণ দিনে দিনে উৰ্দ্ধগামী হৈ আহিছে। আমি প্ৰায়েই বাতৰিকাকতত দেখিবলৈ পাওঁ যে, যৌতুকৰ বাবে ঘৰৰ বোৱাৰীক পৰিয়ালৰ আটাইয়ে মিলি হত্যা কৰা হয়। আইনগত ভাৱে এই প্ৰথাটো নিষিদ্ধ কৰাহৈছে যদিও বাস্তৱিকতে ইয়াক এতিয়াও ৰোধ কৰিব পৰা নাই। বৰ্তমান সমাজত ই চৰম সীমা পাইছেগৈ। মন কৰিবলগীয়া বিষয় এইটো যে, এগৰাকী মহিলা পুৰুষৰ দ্বাৰা নিৰ্যাতিত হোৱাটো স্বাভাৱিক। কিন্তু যেতিয়া এগৰাকী নাৰী হৈ নাৰীৰ ওপৰত অত্যাচাৰ, নিৰ্যাতন কৰে তেতিয়া ই

অসহনীয় হৈ পৰে। কিয়নো এগৰাকী নাৰী হৈ যেতিয়া নাৰীৰ দুখঃ বুজি নাপায়, ইয়াতকৈ পৰিতাপৰ বিষয় আন একো হব নোৱাৰে। সাধাৰণতে এটি পৰিয়ালৰ কাজিয়াৰ মূল কাৰণেই হ'ল নাৰী। এজনী ছোৱালী যেতিয়া বোৱাৰী হৈ এটা নতুন পৰিবেশত সোমায় তেতিয়া তেওঁৰ দোষ ত্ৰুটি বোৰ পোনপ্ৰথমে আঙুলিয়াই দিয়ে এজনী নাৰীয়েই। ইয়াৰ ফলত পৰিয়ালৰ শান্তিময় পৰিৱেশ ভংগ হৈ যায় আৰু ঠিক তেনেদৰে এজনী বোৱাৰীয়েও কেতিয়াবা কেতিয়াবা ঘৰৰ যিটো শান্তিময় পৰিবেশ তাক বিনষ্ট কৰি দিয়ে। গতিকে দেখা যায় এগৰাকী নাৰীয়ে যেনেকৈ এটি পৰিয়াল গঢ়িব পাৰে ঠিক তেনেদৰে আন এগৰাকী নাৰীয়ে পৰিয়াল ভাঙিবও পাৰে।

গ্ৰীচ দেশৰ প্ৰখ্যাত ৰাজনীতিবিদ এৰিষ্টটল যাক আমি ৰাজনীতি বিজ্ঞানৰ জনক বুলি জানো, তেখেতেও নাৰীক নাগৰিকত্ব প্ৰদান কৰা নাছিল। তেওঁ নাৰীক কেৱল সন্তান উৎপাদনৰ মেচিন আৰু সিহতক ডাঙৰ দীঘল কৰাৰ মাজতেই আৱদ্ধ কৰি ৰাখিব বিচাৰিছিল। 'মনু সংহিতা'ৰ দৰে মনুৰ মতে, নাৰী জন্মৰ পৰা মৃত্যুলৈ পুৰুষৰ অধীন'। অৰ্থাৎ স্বাধীনতাৰ বাবে নাৰী যোগ্য নহয়। ইয়াৰ যোগেদি মহিলাসকলৰ সুপ্ত গুণৰাজী বিকাশত বাধাৰ সৃষ্টি হয় আৰু ব্যক্তিগত স্বাধীনতা ক্ষুন্ন কৰা হয়। সাধাৰণতে নাৰীক পুৰুষৰ অৰ্ধাংগিনী বুলি কোৱা হয় কিন্তু নাৰীৰ বাবে পুৰুষক কেতিয়াও অধাংৰ্গ বুলি কোৱা নহয়।

সাধাৰণতে মহিলা সকলৰ ভূমিকা পৰিয়ালৰ গণ্ডীৰ ভিতৰত সীমাবদ্ধ কৰি ৰাখিবলৈ চেষ্টা কৰা হয়। মহিলাসকলৰ সক্ষমতা কোনোদিশেই পুৰুষতকৈ কম নহয়। কিন্তু মহিলা সকলক ঘৰুৱা কাম কাজত আৱদ্ধ ৰখা, কোনো অনুষ্ঠান-প্ৰতিষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ নিদিয়া আদিৰ যোগেদি মহিলাসকলৰ ব্যক্তিগত স্বাধীনতাও হস্তক্ষেপ কৰা হয়। যাৰ ফলত মহিলাসকলৰ শৈক্ষিক মানদণ্ড লাহে লাহে নিম্নগামী হৈ পৰে। সাধাৰণতে দেখা যায় যে, নাৰীসকলে জন্মৰ পিছত মাক-দেউতাকৰ অধীনত, বিয়াৰ পিছত স্বামীৰ অধীনত, আৰু বৃদ্ধাৱস্থাত পুত্ৰৰ অধীনত থাকিবলগীয়া হয়। আমাৰ প্ৰশ্ন হ'ল তেনেহলে নাৰীৰ স্বাধীনতা ক'ত। আনকি নাজী নেতা হিটলাৰেও নাৰীক সন্তান, ৰন্ধন আৰু গীৰ্জা এই তিনিটা কামৰ মাজতে আৱদ্ধ কৰি ৰাখিব বিচাৰিছিল।

নাৰী হ'ল ত্যাগৰ প্ৰতিমূৰ্ত্তিস্বৰুপ। কোৱা হয় যে, নাৰীয়ে আপোচ আৰু ত্যাগ নকৰিলে সুখী জীৱন সম্ভৱপৰ নহয়। কিন্তু ত্যাগ সদায় নাৰীয়ে কৰি আহিব। বিধবা বিবাহৰ ব্যৱস্থা কৰা হৈছে যদিও তথাপি ইয়াক সামাজিকভাৱে স্বীকৃতি দিবলৈ এক শ্ৰেণীৰলোকে অস্বীকাৰ কৰে। কিন্তু



দেখা যায় পুৰুষসকলে স্ত্ৰীৰ মৃত্যুৰ পিছত পুণৰবিবাহ কৰিব পাৰে আৰু ইয়াক স্বইচ্ছাৰে স্বীকৃতি দিয়া হয়। যদি পুৰুষ আৰু মহিলা সমান বুলি কোৱা হয় তেনেহলে এনেকুৱা ভেদাভেদ কিয়?

আধুনিকীকৰণত ৰাজনৈতিক ব্যৱস্থাতো পিছপৰি থকা নাই বুলি কোৱা হয় যদিও মহিলাসকল ৰাজনৈতিক ক্ষেত্ৰত আজিও পুৰুষৰ সমান অধিকাৰ ভোগ কৰিবলৈ সক্ষম হোৱা নাই। এই ক্ষেত্ৰত পৰিয়ালৰ মুৰব্বী সকলে বিশেষকৈ পুৰুষসকলে মহিলাসকলৰ ব্যক্তিগত স্বাধীনতা ভোগ কৰাত বাধা দিয়ে। ভাৰতীয় সংবিধানত মহিলা সকলৰ কাৰণে ৩৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে যদিও মহিলা সকলে এই সুবিধা পোনপতীয়াভাৱে উপভোগ কৰিব পৰা নাই। এক শ্ৰেণীৰ পুৰষৰ বিপৰীতে বিকাশশীল ৰাষ্ট্ৰৰ ৰাজনৈতিক ব্যৱস্থাত মহিলাসকলক আগবঢ়াই নিয়াৰ বিষয়ে ব্যাখ্যা কৰা হয় যদিও কেৱল চহৰ অঞ্চলৰ একাংশ পুৰুষ-মহিলাক বাদ দি গ্ৰাম্য আৰু পিছপৰা অঞ্চলত এনে বিভাজন স্পষ্ট হৈ পৰে। ৰাজনৈতিক ভাৱে মহিলাসকলক দিব পৰা সুযোগ সুবিধা সমূহ নিদিয়াৰ ফলত তেওঁলোক বিকাশত কিছু পিছপৰি আছে আৰু লগতে দেশএখনৰ উন্নতিও স্থবিৰ হৈ পৰিছে।

অৰ্থনৈতিক ক্ষেত্ৰতো মহিলা সকলক বঞ্চিত কৰা হৈছে। মহিলা সকল শ্ৰমদানত পিছপৰা নহয়। আমাৰ সংবিধানত উল্লেখিত অৰ্থনৈতিক অধিকাৰত ঘোষণা কৰা হৈছে যে, সমান কামৰ বাবে সমান মজুৰী দিয়া হব। একমাত্ৰ কামৰ পৰিমান আৰু গুণৰ ভিত্তিতহে মজুৰীৰ পাৰ্থক্য হব পাৰে। কিন্তু আমি দেখিবলৈ পাওঁ যে, বিভিন্ন চৰকাৰী, বেচৰকাৰী মঞ্চ, বিভিন্ন উদ্যোগ, কলকাৰখানা, আদিত মহিলাসকলে পুৰুষৰ সমানে শ্ৰমদান কৰে যদিও মজুৰী কমকৈ দিয়া হয়। এনে আচৰণে মহিলাৰ প্ৰতি চৰম বৈষম্যৰ সৃষ্টি কৰে।

ইতিহাসৰ পাত মেলিলে আমি দেখিবলৈ পাও যে আমাৰ সমাজত নাৰীৰ অৱদান অতুলনীয়। আমাৰ দেশৰ স্বাধীনতা আন্দোলনত বহুতো নাৰীৰ অৱদান আছে। আমাৰ দেশৰ স্বাধীনতা আন্দোলনত বহুতো নাৰীয়ে হাঁহি হাঁহি নিজৰ প্ৰাণ উৰ্চগা কৰিছে। ইতিহাসত তেওঁলোকৰ নাম সদায় স্বৰ্ণাক্ষৰে লিখা থাকিব। উদাহৰণ স্বৰুপে আমি ঝাঁন্সিৰ ৰাণী লক্ষ্মীবাই, কনকলতা বৰুৱা, মূলা গাভৰু, আদি তেজস্বিনী মহিলাৰ নাম স্বগৌৰৱে লব পাৰো। আনকি বৰ্তমান যুগতো উপযুক্ত পৰিবেশৰ ফলত বহুতো নাৰীয়ে জীৱনত আগুৱাই যাব পাৰিছে। যেনে - কিৰণ বেদী, ছানিয়া মিৰ্জা, অঞ্জুববী জৰ্জ আদিক আঙুলিয়াই দিব পাৰো। সেয়েহে এনে নাৰীক আমাৰ আদৰ্শ হিচাবে লোৱা উচিত। তাৰ কাৰণে তেওঁলোকক প্ৰেৰণা আৰু উপযুক্ত পৰিৱেশ প্ৰদান কৰা নিতান্তই প্ৰয়োজন।

আমাৰ সমাজত অভিভাৱক সকলে ছোৱালীক বিয়াৰ বাবে প্ৰস্তুত কৰি তোলাটোৱেই মুখ্য কৰ্তব্য বুলি গণ্য কৰে। কিন্তু দৰাচলতে বিয়াক মুখ্য হিচাবে নলৈ গৌণ হিচাবেহে লব লাগে। পৰিয়ালৰ মাজত ছোৱালীবিলাকক সাধাৰণতে বোজা হিচাবে জ্ঞান কৰে আৰু বিয়াদি ইয়াৰ পৰা উদ্ধাৰ হব বিচাৰে। কিন্তু আমি যদি গভীৰভাৱে চিন্তা কৰো তেনেহলে দেখিবলৈ পাম যে বিয়াই জীৱনৰ অন্তিম পৰ্যায় নহয়। আমাৰ দেশত বিয়াক সদায় মুখ্য হিচাবে লোৱাৰ বাবেই আন আন দেশৰ তুলনাত এতিয়াও বহুতো পিছপৰি আছে। কিয়নো সমাজ এখনৰ উন্নতিৰ কাৰণে ল'ৰা-ছোৱালী উভয়ৰেই সমপৰিমাণে সহযোগীতাৰ প্ৰয়োজন। আৰু এই ক্ষেত্ৰত নাৰীৰ শিক্ষাৰ প্ৰয়োজনীয়তা বাৰুকৈ উপলব্ধি কৰা হৈছে। কিন্তু দেখা গৈছে যে উচ্ছ শিক্ষাৰ ক্ষেত্ৰত সাধাৰণতে নাৰীসকলক দূৰৰ কোনো ঠাইত অধ্যয়ণৰ কাৰণে পঠিয়াব নিবিচাৰে। যাৰ ফলত তেওঁলোকৰ শিক্ষাও তাতেই সমাপ্ত হৈ যায়। ইও মহিলাসকলৰ বঞ্চিতকৰণৰ এক মাধ্যম।

ঋকবেদ আৰু অৰ্থববেদত পুত্ৰকামনাৰ প্ৰাৰ্থনা পোৱা যায়। কিন্তু যি কন্যা এদিন মাতৃলৈ ৰূপান্তৰিত হয় সেই কন্যাৰ বাবে কতো প্ৰাৰ্থনা নাই। এইটো এটা অতি বিষ্ময়জনক বিষয়। পুৰুষ আৰু মহিলাৰ মাজত কোনো পাৰ্থক্য নথকা স্বত্বেও প্ৰকৃতিৰ এক অংশ বুলি বিবেচিত হোৱাৰ পিচতো মহিলা সকল সদায় বঞ্চিত হৈ আহিছে। সেয়ে আমি এই প্ৰথাটোৰোধ কৰা উচিত। অন্যথা মহিলাসকল অতীততেও ভোগিছিল আৰু বৰ্তমানেও ভোগী আছে আৰু ভবিষ্যতেও ভূগি থাকিব লাগিব। গতিকে বৰ্তমান সমাজৰ আহ্বান হ'ল মহিলাসকলকো পুৰুষৰ সমানে খোজ মিলাই চলিবলৈ দিব লাগে আৰু তেওঁলোকক পণ্য দ্ৰব্যৰ দৰে ব্যৱহাৰ কৰিব নালাগে।

'আহক ৰাইজ আমি এখন নতুন সমাজ গঢ়োঁ যি সমাজে নাৰীক পুৰুষৰ সমানে আগুৱাই নিব পাৰে।'

৹৹৹৹৹

# জীৱন নো কি?

মোঃ আবুল হাসেম
একাদশ শ্ৰেণী

স্বপ্ন মাথো স্বপ্ন। স্বপ্নৰ শেষ নাই। তথাপি মানুহে জানো জীৱনত বিচৰা সকলোখিনি পায়। নোপোৱাৰ দুখ আৰু পায়ো হেৰুৱাৰ যন্ত্ৰণা ইত্যাদিৰে ভৰি থাকে জীৱন। সুখ-দুখ, হাঁহি-কান্দোনৰ জটিলতাৰে ভৰা জীৱনটোক সৰল অংক এটাৰ দৰে সমাধান কৰিলে ইয়াৰ উত্তৰ হয় শূণ্য। সভ্যতাৰ দুৱাৰ দুলিত ভৰি দিয়াৰে পৰা মানুহে জীৱনক বিভিন্ন ধৰণে বিশ্লেষণ কৰি চাইছে। কোনোবাই জীৱন নামৰ দাপোনত সুখৰ প্ৰতিবিম্ব দেখিছে, কোনোবাই যন্ত্ৰনাৰ, হয়তো কোনোবাই সেই দাপোনখনৰ সমুখত ঠিয় হৈ হাঁহিবলৈ শিকিছে আৰু অনেকেই কান্দিছে। প্ৰকৃতাৰ্থত এই জীৱনৰ তাৎপৰ্য কি? জীৱনৰ ভিতৰৰ তীক্ষ্ণ দৃষ্টিসম্পন্ন জীৱনবোধে আমাক কি দিব পাৰে। জীৱনৰ জয় পৰাজয় আদিক অদম্য আত্মবিশ্বাসেৰে আঁকোৱালি ল'ব পৰাতেই নিহিত হৈ থাকে জীৱনৰ গভীৰ তাৎপৰ্য। খলা-বমা, ওখোৰা-মোখোৰা, জীৱনৰ বাটত বহুতো আশা আকাঙ্খাক বুকুত সাৱটি আগবাঢ়ি যাওঁতে জীৱনে কেতিয়াবা কান্দে, কেতিয়াবা হাহে। এই কান্দোন বা হাঁহি জীৱনৰ কোনো নিৰ্দিষ্ট স্তৰতহে প্ৰতিফলিত হয় বুলি কব নোৱাৰি। কেতিয়াবা কোনোবা জীৱনে হয়তো জন্মৰ পৰা মৃত্যুৰ সময়লৈকে হাঁহিব পাৰে। কোনোবাই হয়তো ইচ্ছা কৰিলেও হাহিব নোৱাৰে। প্ৰত্যেক মানুহৰ জীৱনত হাঁহি-কান্দোনৰ অনুভৱ বিভিন্ন স্তৰত অনুভূত হব পাৰে। কাৰোবাৰ জীৱনলৈ শৈশৱত, কাৰোবাৰ জীৱনৰ যৌৱন কালত, পৈনত অৱস্থাত নাইবা বাৰ্ধক্য অবস্থাত বিফলতা বা ব্যৰ্থতা আহিব পাৰে মানৱ জীৱনলৈ অহা যন্ত্ৰণাৰ উৎস বিভিন্ন ধৰণৰ হব পাৰে।

মানুহৰ জীৱনৰ প্ৰতিটো মুহূৰ্তই একো একোটা অপ্ৰত্যাশিত অভিজ্ঞতা কঢ়িয়াই আনে কেতিয়াবা জীৱনত কিছুমান ঘটনা নভবাকৈয়ে ইমান আকস্মিক ভাৱে ঘটি যায় যে, ইয়াৰ আকস্মিকতা চম্ভালি লবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হয়। মানৱ জীৱনত প্ৰেম বিচ্ছেদ, বিবাহ বিচ্ছেদ, অকাল মৃত্যু, বৈধব্য, সন্তানহীনতা, সংগীহীনতা আদিৰ দৰে অপ্ৰত্যাশিত অভিজ্ঞতা বোৰে গভীৰ যন্ত্ৰণা কঢ়িয়াই আনে। প্ৰকৃতাৰ্থত জীৱনপথত সকলোৰে অকলে খোজ দিব লাগে কিন্তু কেতিয়াবা এনেকুৱা সময় আহে যি মাথো যন্ত্ৰণাৰ বাহিৰে আন একো দিব নোৱাৰে। অসহায়তাত জীৱনে কেৱল চকুলো টোকে। হাঁহিৰে সজাব খোজা জীৱনটোত যেতিয়া লেথাৰি নিছিগা তপত চকুলোৰ ধাৰে বাধা দিয়ে জীৱন থমকি ৰোৱাটো স্বাভাৱিক। কাৰণ আশাভংগৰ বেদনাতকৈ কষ্টদায়ক অভিজ্ঞতা জীৱনৰ বাবে একো নাই।

জীৱনত কেতিয়াবা কাৰোবাৰ প্ৰতি মৰম উপজিলেও প্ৰকাশ কৰিব নোৱাৰি। আকৌ কেতিয়াবা জীৱনৰ বাটত অন্তৰৰ গভীৰ কোনৰ পৰা ভাল পায়ো বহুতো কাৰণত প্ৰেমত পৰিব নোৱাৰি। এয়া দোষ সময়ৰ, আমাৰ সমাজৰ। এই মৰম ভালপোৱা যেতিয়া হেৰাই যায় তেতিয়া আমি কান্দো নিৰলে। কাৰণ নোপোৱাৰ বেদনাতকৈ পায়ো হেৰুৱাৰ বেদনা গভীৰ আৰু চিৰস্থায়ী। আমাৰ অনেকৰে মনত ধাৰণা হয় যে আমি ভাগ্যৰ দ্বাৰা পৰিচালিত। সেইবাবে জীৱনত যিবোৰ যন্ত্ৰণা আহে সেইবোৰ ভাগ্যৰ ওপৰত জাপি দি মানসিক সন্তুষ্টি লাভ কৰো। এইবোৰৰ বাহিৰেও জীৱনৰ কিছুমান ব্যাখ্যাতীত যন্ত্ৰণা আছে। অৰ্থনৈতিকভাৱে সবল নোহোৱা, শাৰীৰিক ভাৱে অক্ষম আদি উৎসবোৰে জীৱনৰ বাবে চৰম বিপৰ্যয় মাতি আনে। এনে বেচিভাগেই লাঞ্ছনা, অৱহেলা আদিৰ বাহিৰে জীৱনৰ পৰা একো পাব নোৱাৰে। সাম্প্ৰতিক সময়ত জীৱনৰ মূল্যবোধক হৃদয়ংগম কৰাৰ পৰিৱৰ্তে আমি কিমান স্বাৰ্থপৰ হৈছো সেয়া আমাৰ কৰ্তব্যৰ সহায়ত প্ৰমাণিত হৈছে। আমাৰ জীৱনটো বৰ মূল্যবান। সেই বাবে খন্তেকীয়া লোভ মোহৰ বাসনাই আমাক ইমান অন্ধ কৰি পেলাইছে য'ত আমি স্বাৰ্থসিদ্ধিৰ বাহিৰে একো ভাবিব নোৱাৰা হৈছো।

ক্ষনিক তৃপ্তিৰ আৰু দেহজ আনন্দই আমাৰ চৰম লক্ষ্য হৈ পৰিছে। এনে উদাহৰণ বহুত আছে। আমি স্বাৰ্থ সিদ্ধিৰ তাড়নাতে পাহৰি যাওঁ আমাৰ অস্তিত্বৰ কথা। প্ৰৌঢ়ত্ব লাভ কৰাৰ লগে লগে আজিৰ সমাজে যেন মানৱ জীৱনক ঘৃণাৰ চকুৰে চায়। সৰহ সংখ্যক পিতৃ-মাতৃয়েই আজিকালি নিজৰ সন্তানৰ পৰিচৰ্যাৰ পৰা বঞ্চিত হ'ব লগাত পৰিছে। নিজৰ দেহৰ সঞ্জিৱনী সুধা পান কৰাই ডাঙৰ কৰা পিতৃ-মাতৃক বৃদ্ধাৰস্থাৰ লগে লগে সন্তানে হেয় জ্ঞান কৰিছে। তাতকৈ চৰম দুৰ্দশাৰ কথা কি হ'ব পাৰে?

গভীৰভাৱে চালে জীৱনটোক এখন মূল্যবান গ্ৰন্থৰ অৰ্থপূৰ্ণ অধ্যায়ৰ দৰে লাগে। যাৰ পাতনি জন্ম আৰু সামৰণি হয় মৃত্যুৰে। জীৱনক অৰ্থপূৰ্ণ কৰি তোলে মৃত্যুৱে। কাৰণ মৃত্যুহীন জীৱন ইমান সুন্দৰ হ'ব নোৱাৰে। ভোগৰ জীৱনে জীৱনক অৰ্থপূৰ্ণ কৰি তুলিব নোৱাৰে। ইয়াত চৰম দুখ, যন্ত্ৰণা আৰু বিপদ আছে। কিন্তু মানুহে এটা ভুল ধাৰণা কৰি লয় যে আমি প্ৰত্যকেই নিজকে পৃথিৱীৰ আটাইতকৈ অসুখী ব্যক্তি বুলি ক'ব খোজো। এইটো সত্য যে সুখ-দুখ সকলো মানুহৰে থাকে। কাৰোবাৰ কম আৰু কাৰোবাৰ বেছি। সেইবুলি আমি নিজকে অসুখী কৰি তোলাৰ কোনো প্ৰশ্ন নাহে। ইংৰাজীত এষাৰ কথা আছে - If you Unhappy that is your guilt. তুমি যদি অসুখী সেয়া মাত্ৰ তোমাৰ ভুল। নিজেই নিজক সুখী অথবা দুখী কৰিব পাৰি। তুমি যদি অসুখী তেন্তে সেয়া তোমাৰ নিজৰ ভুল। কোনো মানুহৰ জীৱনলৈ সুখ আপোনা আপুনি নাহে। তাক বিচাৰি লব জানিব লাগিব। পৃথিৱীত সম্পূৰ্ণ সুখী কোন আছে? দোষবোৰৰ কথা ভাবি থাকিলে বেছি অশান্তি হয়। নিজক সুখী কৰি জীয়াই থকাৰ অন্যতম শুদ্ধ নীতি।

জীৱনত দুখ যন্ত্ৰণাৰ সন্মুখীন হলেওঁ মানুহে অপমৃত্যু কামনাকৰা অনুচিত। জন্মসূত্ৰে মানুহে জীৱনক লাভ কৰে আৰু এই জীৱনক অৰ্থপূৰ্ণ আৰু মহত্ব প্ৰদান কৰে মৃত্যুৱে। মৃত্যু আছে বাবেই জীৱন ইমান সুন্দৰ। মানুহৰ জীৱনত দুখ বেদনা এইবোৰ এক প্ৰকাৰ প্ৰেৰণাৰ দৰে হব লাগে। যাৰ সহায়ত মানুহে পূৰ্ণতাৰ জখলাত ভৰি দিব পাৰে। কাৰণ জীৱনৰ অৰ্থ ভৱিষ্যতৰ পৃথিৱীত জীয়াই ৰাখিব পাৰিলেহে পূৰ্ণতা প্ৰাপ্তি হয়। অতৃপ্তিৰ তৃষ্ণা আৰু এই তৃষ্ণাৰ পৰা পোৱা বিষাদ যিহেতু জীৱনৰেই অনিবাৰ্য সত্য, তেনে স্থলত অনৰ্থক বিষাদেৰে জীৱনক বিপন্ন কৰি তোলাৰ জানো কিবা অৰ্থ আছে? সুখ আৰু দুখৰ হাবাথুৰি খোৱাৰ কোনো প্ৰয়োজন নাই। সুখে আমাক বিশেষ একো নিশিকায়। ইক্ষণস্থায়ী কিন্তু জীৱনৰ প্ৰয়োজন জানে মাথো দুখে। *****

# মোগল সম্ৰাট ঔৰংজেৱ

## এটি আলোক পাত

মঃ আফজল হুছেইন
প্ৰৱক্তা, গণিত বিভাগ

ভাৰতীয় ইতিহাসত ইংৰাজ ৰাজত্বকালত আৰু তাৰ পিছৰে পৰা মোগল সম্ৰাট ঔৰংজেৱক এজন স্বৈৰাচাৰী শাসক হিচাবে চিহ্নিত কৰা হৈছে। তেওঁৰ ওপৰত সংকীৰ্ণতাৰ দোষ জাপি দিয়া হৈছে। কোনো কোনো ঐতিহাসিকে তেওঁক এজন নিষ্ঠুৰ শাসক বুলি দৰ্শাবলৈ চেষ্টা কৰিছে। তেওঁ হিন্দুৰ প্ৰতি খুউব জোৰ-জুলুম কৰিছিল। তেওঁৰ ধৰ্ম নীতিৰ কাৰণে কিছু সংখ্যক মানুহ উত্তেজিত হৈ উঠিছিল ইত্যাদি ইত্যাদি। কোনোবাই আকৌ তেওঁক আটাইতকৈ সন্দেহশীল সম্ৰাট বুলি অভিহিত কৰিছে। তেওঁ কোনো মানুহকে বিশ্বাস কৰা নাছিল। তেওঁ হিন্দু মঠ-মন্দিৰ সমূহ ভাঙিবলৈ নিৰ্দেশ দিছিল। ইছলাম ধৰ্ম গ্ৰহণ কৰিলে তেওঁ প্ৰকাশ্যে পুৰস্কাৰ দিছিল ইত্যাদি।

আমি ঢুকি পোৱা ইতিহাসে যেন তাকেই কয়। কিন্তু প্ৰকৃততে কিছুমান ঐতিহাসিকে ঔৰংজেৱক মুছলমান আইন অনুযায়ী দেশ শাসন কৰা বুলি কয়। তেওঁ এনে এজন সম্ৰাট আছিল যিজনে বিশাল সাম্ৰাজ্যৰ অধিপতি হৈ নিজ হাতেৰে টুপি চিলাইছিল, পৱিত্ৰ কোৰাণ শ্বৰীফ নকল কৰিছিল। এইবোৰ বিক্ৰী কৰি তেওঁৰ জীৱনৰ দৈনন্দিন খৰচ উলিয়াই লৈছিল। সেয়াই নহয় নিজৰ কফিনৰ খৰচো তেওঁ নিজে উপাৰ্জন কৰি থৈ গৈছিল। তেওঁ অতি সহজ-সৰল জীৱন যাপন কৰিছিল। এনে এজন মহান সম্ৰাট ইতিহাসত দ্বিতীয় গৰাকী বিচাৰি পোৱা কঠিন হব।

ঔৰংজেৱ আছিল ন্যায়ৰ প্ৰতীক। ন্যায় পৰায়ণ সম্ৰাটে আইনৰ দৃষ্টিৰ পৰা নিজ পুত্ৰকো ৰেহাই দিয়া নাছিল। শ্বাহাজাদা মোৱাজুমক ন বছৰ বন্দী কৰি ৰাখি শিক্ষা দিছিল। অত্যাচাৰিত লোকে পোনে পোনে তেওঁৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰিছিল। তেওঁ দুখীয়াৰ ওপৰত হোৱা অত্যাচাৰকো উপেক্ষা কৰা নাই। বিচাৰকাৰ্যত পৱিত্ৰ কোৰাণৰ বিধি অনুযায়ী বিচাৰকাৰ্য সম্পন্ন কৰিবলৈ উদ্বিগ্ন হৈ আছিল। বিচাৰ কাৰ্যত ইমান গাজ্জালী, শ্বেখ শ্বৰাফ, ইয়াহিয়া মুনিৰি আদি আইনবিদ সকলৰ কিতাপ অধ্যয়ন কৰিছিল। সম্ৰাটে কৰ্মচাৰী আৰু সভাসদ পৰিবেষ্টিত অৱস্থাতহে আবেদন পত্ৰ গ্ৰহণ কৰিছিল আৰু তাৰ ওপৰত সতৰ্কতাৰে মন্তব্য আগবঢ়াই ছিল। প্ৰত্যেকটো কামেই সু-শৃংখলাবদ্ধভাৱে সমাপন কৰিছিল। তেওঁৰ স্মৃতি শক্তি আছিল অতি প্ৰসৰ।

যোগ্যতাৰ মৰ্যদা অনুসৰি হিন্দু-মুছলমান সকলোৱে ৰাজ দৰবাৰত স্থান লাভ কৰিছিল। যোধপুৰৰ ৰজা জয়সিংহক দিছিল প্ৰধান সেনাপতিৰ পদ। বিশ্বাসভঙ্গ আৰু অকৃতজ্ঞতা স্বত্বেও তেওঁক উচ্চপদ মৰ্যদাৰ জায়গীৰ আৰুখিতাপ প্ৰদান কৰিছিল। উদয়পুৰৰ ৰজা ৰাজসিংহই বিৰোধ কৰা স্বত্বেও তেওঁৰ দুই পুত্ৰ ইন্দ্ৰজিৎ সিং আৰু বাহাদুৰ সিং দৰবাৰত স্থান পাইছিল। ঠিক তেনেকৈ শিৱাজী ঘোৰ শত্ৰু হোৱা স্বত্বেও তেওঁৰ জোৱায়েকৰ প্ৰচলাজী আৰু পৰিয়ালবৰ্গই ঔৰংজেৱৰ উদাৰতাৰ পৰা বঞ্চিত হোৱা নাছিল। ঐতিহাসিক Admand Bark - 'মোগল আমোলত ভাৰত আছিল মহান নেতাৰ অধীনত ৰাজন্য বৰ্গৰ সাধাৰণতন্ত্ৰৰ দৰেই (Republic of Princes) শাসিত সকলৰ আচৰণ আছিল স্পষ্টতঃ বাধা বন্ধনহীন মহান স্বাধীনতাৰ দ্যোতক।' সেনাপতি ইব্ৰাহীমে এবাৰ ৰাস্তায়েদি গৈ থকা অৱস্থাত এজনী অপৰূপা ব্ৰাহ্মন কন্যাক লগ পাই আকৰ্ষিত হৈ বিয়াৰ প্ৰস্তাব দিয়ে। এমাহৰ পিছত তেওঁ দৰাৰ বেশত ছোৱালীজনীৰ ঘৰত উপস্থিত হোৱাৰ কথা কলে। ব্ৰাহ্মন বিপদত পৰিল। উপায় নাপাই বোৰখা পৰিধান কৰি ঔৰংজেৱৰ ৰাজমহলত প্ৰৱেশ কৰে। সম্ৰাটে তেওঁৰ ভেশচন ধৰা পেলায় আৰু ঘৰলৈ যোৱাৰ সু-ব্যৱস্থা কৰি দি যথা সময়ত সম্ৰাট নিজেই গৈ উপস্থিত হোৱাৰ প্ৰতিশ্ৰুতি দিলে। ব্ৰাহ্মণক আচৰিত কৰি নিৰ্দিষ্ট সময়ত গৈ সম্ৰাট উপস্থিত হ'ল। ৰাতিটো আল্লাৰ ওচৰত প্ৰাৰ্থনা কৰি কটায় আৰু এনে অন্যায়ৰ বিচাৰৰ বাবে দৃঢ় প্ৰতিজ্ঞ হ'ল। পিছদিনা সেনাপতি দৰাৰ বেশত ব্ৰাহ্মণৰ ঘৰত উপস্থিত হ'ল। ঔৰংজেৱে গম পাই তৰবাৰী সষ্টম কৰিলে। সেনাপতিয়ে কন্যাক বিচাৰি ঘৰত সোমোৱাত সম্ৰাটক দেখা মাত্ৰকে তেওঁৰ গাৰ নোম শিয়ৰি উঠিল। তীক্ষ্ন তৰাবাৰীৰে সম্ৰাটে সেনাপতিক চিৰকালৰ বাবে ঠাণ্ডা কৰি দিলে। এনেকৈয়ে এজনী ব্ৰাহ্মণ কন্যাৰ মান ৰাখিলে আৰু এজন দুধূৰ্য সেনাপতিকো নিশ্চিহ্ন কৰি দিবলৈ তেওঁ কুণ্ঠাবোধ কৰা নাছিল। (চেপে ৰাখা ইতিহাস ঃ গোলাম আহমেদ মোৰ্তাজা।)

প্ৰকৃত ইতিহাসৰ খবৰ নৰখা সকল সজাগ হ'বৰ হ'ল। ঔৰংজেৱক হিন্দু বিদ্বেষী বোলা সকলে প্ৰকৃত ইতিহাসৰ খবৰ ৰখা নাই। ঔৰংজেৱক যিমানেই দোষাৰূপ কৰা নহওক কিয় তেওঁৰ হাতত এজনো হিন্দু নিহত হোৱা নাই বা ধৰ্মৰ বাবে কোনো বন্দী হোৱা নাই বা সম্পত্তি হেৰোৱা নাই। তেওঁ কোনো হিন্দুকেই পূৰ্বপুৰুষ প্ৰচলিত ধৰ্মৰ পৰা ইছলাম ধৰ্ম গ্ৰহণৰ বাবে বাধ্য কৰোৱা নাই (এলফিন ষ্টোনঃ ভাৰতৰ ইতিহাস, খান বাহাদুৰ আছাদুল্লাহঃ আলমগীৰ) ঐতিহাসিক আলেকজেণ্ডাৰ হেমিল্টনে ভাৰতত সুদীৰ্ঘ ২৫ বছৰ থাকি ঔৰংজেৱৰ ভাৰত সম্পৰ্কে এইদৰে মন্তব্য কৰিছে -'ইছলামে ৰাষ্ট্ৰ ধৰ্মৰ প্ৰমাণ কৰিছে। হিন্দু সকলক এই দেশত পূৰ্ণ মৰ্যদা দিয়া হৈছে। হিন্দুৰ পূঁজা-অৰ্চনা বা খ্ৰীষ্টানক গীৰ্জালৈ যোৱাত কোনো বাধা আৰোপ কৰা হোৱা নাই। নিজ নিজ ধৰ্ম অনুসাৰে উপসনা কৰা অধিকাৰ সকলোৰে আছে।' বুৰঞ্জীবিদ - পি.চি. ৰায়েও স্বীকাৰ কৰিছে যে বংগৰ হিন্দু সকলক উচ্চ চৰকাৰী পদ আৰু বৃহৎ বৃহৎ জমিদাৰী দান কৰিছিল। সম্ৰাট আলমগীৰে বেনাৰস জিলাৰ গিৰিধৰক মহেশ পুৰত যাদু মিশ্ৰক আৰু পণ্ডিত বিশ্বধৰ মিশ্ৰক জয়গীৰ দান কৰে'(মহম্মদ তাহেৰ - ৰাষ্ট্ৰবিজ্ঞান আৰু ইছলাম)। তেনেকৈয়ে বাসবেৰিয়াৰ জমিদাৰ ৰাজা ৰামেশ্বৰ ৰায়ক মহামতি আমলগীৰে ৪০১বিঘা নিষ্কৰ জমি জায়গীৰ আৰু বাৰটা পৰগনা জমিদাৰী আৰু খেলৰ পঞ্চপোচাক দান কৰিছিল ১৬৭৩ খৃঃত। তদুপৰি বংশানুক্ৰমে ৰজা উপাধি ব্যৱহাৰৰ অনুমতি প্ৰদান কৰে। উক্ত বাৰটা পৰগনা হ'ল ক্ৰমে - ১।কলিকতা, ২। ধৰচা, ৩। আমিৰপুৰ, ৪। ঝালাণ্ডা, ৫। খালোৰ, ৬। মণিপুৰ, ৭। চুলতানপুৰ, ৮। হাতিয়া গড়, ৯। মেদন মল, ১০। আগুৰু, ১১। কুবাছ পূৰ, ১২। কাটালিয়া (পশ্চিমবংগৰ সংস্কৃতি ঃ বিনয় ঘোষ)। পণ্ডিত সুন্দৰ লালে লেখিছে যে, ঔৰংজেৱৰ স্ব-হস্তলিখিত দুটা ফৰমান আছে এলাহবাদ সোমেশ্বৰ মন্দিৰৰ পুৰুহিতৰ ওচৰত।

ঔৰংজেৱে কৈছিল - 'জাগতিক বিষয়ত ধৰ্ম বিদ্বেষৰ প্ৰশ্ৰয় ইছলাম ধৰ্মই দিয়া নাই। কোৰাণত স্পষ্ট উল্লেখ আছে যে - 'তোমালোকৰ বাবে তোমালোকৰ ধৰ্ম, আমাৰ বাবে আমাৰ ধৰ্ম। ৰাজকাৰ্য পৰিচালনাত যোগ্যতা হিচাবে লোক নিযুক্ত কৰা হ'ব। অন্যবিষয়ক এই ক্ষেত্ৰত প্ৰশ্ৰয় দিয়া নহব। (Arnold : A Preaching of Islam) স্বয়ং ছাৰ উইলিয়াম বেন্টিঙ্কে স্বীকাৰ কৰি গৈছে যে, মোগল ৰাজত্ব ইংৰাজ ৰাজত্বতকৈ বহু উচ্চখাপৰ আছিল। শ্ৰীৰাম নাথন স্বামীয়ে কৈছে- 'ভাৰতৰ মুছলীম সম্ৰাট সকলে আনৰ ওপৰত নিজৰ ধৰ্মভাৱক জাপি দিব বিচৰা নাছিল। এনে দৃষ্টিভঙ্গীত ছাহেনছাহ ঔৰংজেৱ আলমগীৰ, যাক ভাৰতৰ সকলোতকৈ বেছি গোড়া বুলি সাব্যস্ত কৰিবলৈ ব্যৰ্থ চেষ্টা কৰা হৈছে তেওঁ সম্পূৰ্ণ নিষ্ঠাবান আছিল।' (ভাৰতত মুছলমান ৰাজত্বৰ ওপৰত এক দৃষ্টি পাত)

সুবোধ কুমাৰ মুখোপাধ্যায়, তেওঁৰ 'প্ৰাক পলাচী - বাংলা নামৰ পুথি খনত স্পষ্ট উল্লেখ কৰিছে যে ঔৰংজেৱৰ ৰাজত্ব কালতেই দেশৰ সুখ-সমৃদ্ধিৰ চৰম বিকাশ ঘটিছিল। চাউল, চেনী আদিৰ দাম সস্তা হৈছিল।

হিন্দু নৃপতি সকলক উচ্চ পদ মৰ্যদা দিছিল। ১০৮২ হিজৰীত তেওঁ ফৰমানযোগে নিদেৰ্শ দিছিল যে খাজনা আৰু কৰ আদায়কাৰী পদত হিন্দু সকলক নিয়োগ কৰিব লাগে। ঔৰংজেৱে হুকুম জাৰি কৰিছিল যে পেচকাৰ নিয়োগ কৰোতে যেন এজন হিন্দু আৰু এজন মুছলমান লোৱা হয়। (কাকী খাঁ ঃ আলগীৰ) হিন্দু সকলৰ প্ৰতি যে তেওঁৰ অগাধবিশ্বাস আছিল তাৰ প্ৰমাণ পোৱা যায় দাক্ষিনাত্যত তেওঁ শিৱাজীক দমন কৰিবলৈ ৰজা জয় সিংহক দায়িত্ব দিয়া কাৰ্যত। জয়সিংহৰ নিৰ্দেশত যশোৱন্ত সিংহ ঔৰংজেৱৰ পক্ষত থিয় দিছিল। জয়সিংহ আৰু যশোৱন্ত সিংহৰ অধীনত সম্ৰাটে প্ৰায় দুই লাখ সৈন্যৰ দায়িত্ব অৰ্পণ কৰিছিল। জয়সিংহৰ পুত্ৰ ৰামসিংহৰ সহায়ত শিৱাজী ঔৰংজেৱৰ বেষ্টনীৰ পৰা পলায়ণ কৰিছিল অথচ সেই ৰামসিংহও পিছত ঔৰংজেৱৰ এজন বিশ্বাসী সেনাপতি হৈছিল।

শ্ৰীনগৰ ৰজাৰ বিৰুদ্ধে সমগ্ৰ যুদ্ধখনেই ৰজা ৰূপসিংহৰ হাতত অৰ্পণ কৰিছিল। ৰাজহ বিভাগৰ সৰ্বোচ্চ পদৰ অধিকাৰী আছিল ৰসিক দাস ক্ৰৰী। ৰাজহ বিভাগত মুন্সিৰ পদবোৰত হিন্দুৰ সংখ্যাই সৰ্বাধিকআছিল। এনে কোনো বিভাগ নাছিল য'ত হিন্দু কৰ্মচাৰী নিয়োগ কৰা হোৱা নাছিল। ঔৰংজেৱে সতীদাহ প্ৰথা নিবাৰণ কৰিছিল কিন্তু এইবোৰ কথা ইতিহাসত লিপিবদ্ধ নহ'ল।

হিন্দু সকলক বিশ্বাসত নলৈ এই বিশাল সাম্ৰাজ্য শাসন কৰা অসম্ভৱ। ঔৰংজেৱৰ দিনতেই মোগল সাম্ৰাজ্যৰ পৰিধি সৰ্বাধিক হৈছিল। ইংৰাজে যেতিয়া প্ৰত্যক্ষভাৱে মোগল সাম্ৰাজ্য কাঢ়ি নিয়ে তাৰ পৰা এশ বছৰ পিছলৈকে মোগলে ইংৰাজৰ লগত আপোচ কৰা নাছিল। ইংৰাজে তেতিয়া হিন্দু-মুছলমানৰ মাজত বিদ্বেষ সৃষ্টিকাৰী ঔপনিবেশীক ইতিহাস ৰচনা কৰিলে। সমান্তৰাল ভাৱে সিহঁতৰ অনুগত ভাৰতীয় ইতিহাসবিদ সকলেও কু-চক্ৰী বিভাজনবাদী ইতিহাস ৰচনা কৰি গৈ থাকিল।

আজিৰ বুৰঞ্জী আৰু পাঠ্যপুথিত ঔৰংজেৱক যিদৰে হিন্দু বিদ্বেষী তথা স্বৈৰাচাৰী শাসক হিচাবে প্ৰচাৰ কৰা হৈছে সেইবোৰ প্ৰকৃত ঐতিহাসিক তথ্য আৰু সত্য নহয়। আমি এতিয়া নতুনকৈ ভাবিবৰ হ'ল।

বিঃ দ্ৰঃ - উক্ত প্ৰৱন্ধটি যুগুত কৰোতে ১৯৯৭চনৰ ৩ চেপ্তেম্বৰত 'আমাৰ অসম'ত প্ৰকাশিত তোযেশ্বৰ চেতীয়া দেৱৰ 'ঔৰংজেৱৰ কিছু ন্যায়বিচাৰ আৰু হিন্দু প্ৰীতি' লেখাটিৰ সহায় লোৱা হৈছে।

****

# উশৃঙ্খল যুৱমানসিকতা

ৰুহুল আমিন
সম্পাদক, আলোচনী বিভাগ

প্ৰকৃতিৰ আহবানৰ দৰে আজিৰ ছাত্ৰ-ছাত্ৰী কাইলৈ দেশৰ নাগৰিক। তেনেদৰেই আজিৰ যুৱক-যুৱতী কালিলৈ দেশ তথা সমাজৰ আগশাৰীৰ নেতা। সমাজ তথা দেশৰ উজ্জ্বল ভৱিষ্যত নিৰ্ভৰ কৰে আগবাঢ়ি অহা সুস্থ সৰল যুৱক যুৱতীৰ ওপৰত। সুস্থ বাতাবৰণ আৰু শান্ত পৰিবেশে প্ৰগতিৰ পথ সুগম কৰি তোলে। সু-শৃঙ্খল, সু-শিক্ষিত যুৱক-যুৱতী দেশ তথা সমাজৰ অমূল্য সম্পদ বুলি এক কথাত প্ৰকাশ কৰিব পাৰি।

এয়াই লৈ প্ৰশ্ন হ'ল যে যুৱ উশৃঙ্খলতাৰ পৰিধিত কোন পৰে? আইনগত ভাৱে ১৫-১৭ বছৰৰ ল'ৰা, ১৮-২০ বছৰৰ অনুৰ্দ্ধ ছোৱালী এই শ্ৰেণীভূক্ত যাক ইংৰাজীত 'জুভেনাইল' বুলি কোৱা হয়।

বৰ্তমান সমাজত অপৰাধ জগতত যিদৰে অপৰাধৰ সংখ্যা বাঢ়িছে তেনেদৰেই যুৱউশৃঙ্খলতাও প্ৰবল গতিত বৃদ্ধি পাইছে। যাৰ ফলত বহু ধৰণৰ অপৰাধৰ সংখ্যা বৃদ্ধিত অৰিহণা যোগাইছে লগতে অপৰাধ প্ৰৱণতাও ক্ৰমাগতভাৱে বৃদ্ধি হৈ আহিছে। শৈক্ষিক পৰিবেশ কলংকিত হৈছে। পৰিয়ালৰ মান সন্মান শান্তিভঙ্গ হৈছে। জীৱন আৰু ব্যৱহাৰ ও আদৰ্শত ঘূণে ধৰিছে।

যুৱউশৃঙ্খলতাৰ উৎস বিচাৰি চালে আমি একেবাৰেই কৈ থব পাৰো যে এই মানসিকতা একেদিনাই ঠন ধৰি উঠা নাই। এই দিশত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থাৰ প্ৰভাৱ সু-স্পষ্ট ভাৱে দেখা যায়। তাৰোপৰি প্ৰচাৰ মাধ্যম, অভাৱ অনাটন, সুৰাসক্ত, মানসিক অসুস্থতা, ইলেকট্ৰনিক মাধ্যম আদিৰ প্ৰভাৱ উল্লেখযোগ্য।

আমি যদি বিচাৰ কৰি চাওঁ দেখা পাওঁ যে যুৱউশৃঙ্খলতা কোনো এক বিশেষ শ্ৰেণীৰ পৰিয়ালৰ মাজতেই সীমাবদ্ধ নহয়। ধনী, মধ্যবিত্ত আৰু অতি নিম্নবৰ্গ সকলো শ্ৰেণীৰ পৰিয়ালতে এই ৰোগৰ সংক্ৰমণ ঘটিব পাৰে। উদাহৰণ স্বৰূপে কিছুদিন পূৰ্বে গুৱাহাটী মহানগৰীত বহুকেইটা সম্ভ্ৰান্ত পৰিয়ালৰ যুৱক অপৰাধত লিপ্তহৈ গ্ৰেপ্তাৰ বৰণ কৰিছিল। বোলছবিৰ নায়ক-নায়িকাৰ সাজ পোছাক চুৰি কৰি ধৰা পৰা পাঁচজন যুৱক মধ্যবিত্ত পৰিয়ালৰ। মোৰ নিজা অভিজ্ঞতা আছে। নিম্নবৰ্গৰ পৰিয়ালৰ কথা নকলেও হব। নিচাযুক্ত ড্ৰাগছ আসক্ত যুৱকক পাইছে শিক্ষাবিদ, চিকিৎসকৰ পৰিয়ালত। ইয়াৰ বাবে দোষী কোন?

যুৱউশৃঙ্খলতা নগৰ-চহৰ, গাওঁ-ভূই, শিক্ষানুষ্ঠান-প্ৰতিষ্ঠান সকলোতে বিৰাজমান। দলপাতি জাকেৰে হাই উৰুমি কৰা, বয়োজেষ্ঠ্য জনক অসন্মান কৰা, মহিলা-গাভৰুৰ প্ৰতি অসৎ অশ্লীল আচৰণ, বিকট চিএৰ-বাএৰ, শব্দ, অবাইচ মাতৰ কিৰিলি, ৰাস্তাৰে জাক পাতি যোৱা, ৰাস্তা এৰি নিদিয়া, বিকৃত ভঙ্গী, ভাষা-কৃষ্টি-সংস্কৃতিৰ প্ৰতি বিকৃত মন্তব্য, সাজ-সজ্জাত বিসংগতি আদি অশোভনীয় দৃশ্যবোৰ যুৱউশৃঙ্খলতাৰ বহিঃ প্ৰকাশ। আনহাতে স্পষ্ট ৰূপত চুৰি-ডকাইতি, হত্যা অপহৰণ, ধৰ্ষণ, ভীতি প্ৰদৰ্শণ, সহজ উপায়ে ধন ঘটাৰ লালসা, বেশ্যাবৃত্তি গ্ৰহণ, বেশ্যালয় গমণ আদি অপৰাধত যুৱউশৃঙ্খলতাৰ বিজড়িতঅভিলেখ নমনীয় নহয়। যুৱউশৃঙ্খলতা দেশ তথা সমাজৰ বাবে মাথো অভিশাপ। এই সমস্যাৰ লগত খোজ দিবৰ কাৰণে 'জুভেনাইল' ডেলিকুয়েন্সি আৰু জুভেনাইল ডেলিকুৰেন্সি জাষ্টিচ্ ১৯৮৬ আইনগত বিধি ব্যৱস্থা আছে।

যুৱউশৃঙ্খলতা সমাজৰ এক ব্যাধি। ইয়াক নিৰাময়ৰ বাবে প্ৰশাসন, পৰিয়াল আৰু ন্যায়ালয় সকলোৰে গধুৰ দায়িত্ব আছে এই বিষয়টো অতি স্পৰ্শকাতৰ। ইয়াক অতি সাৱধানতাৰে পৰিচালনা নকৰিলে কুফল পোৱাৰেই সম্ভাৱনা অধিক। এসময়ৰ উশৃঙ্খল যুৱক মহান ৰাষ্ট্ৰৰ নায়কো হ'ব পাৰে তাৰ বাবে প্ৰয়োজন সুস্থ আৰু সৰল উৎকৃষ্ট পৰিৱেশ। তাৰ জ্বলন্ত উদাহৰণ হ'ল বৰ্তমান আমেৰিকাৰ ৰাষ্ট্ৰপতি জৰ্জ ডব্লিউ বুশ্ব ও পাকিস্তানৰ ৰাষ্ট্ৰপতি জেনেৰেল পাৰভেজ মুশ্বাৰফ।

***



# গল্পৰ শিতান







# মেঘে ঢকা তৰাৰ উচুপনি

মিচ ছলিনা আহমেদ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

মাথো একুৰি দুটা বসন্ত গৰকা, উন্মনা-যৌৱনা পাপৰি মানে পাপৰি দাসৰ জীৱন-যৌৱনলৈ হঠাৎ এনেদৰে কৰুণতা নামি আহিব বুলি তাই কাহানিও ভবা নাছিল। কোনোবাই কেতিয়াও কল্পনা নকৰা কিছুমান কথা কিছুমানৰ জীৱনলৈ বাস্তৱ হৈ আহে। ই অগ্ৰহনীয়, অকল্পনীয় হলেও এয়া কিন্তু এক চিৰন্তন সত্য। ইয়াক মানি লোৱাৰ বাদে গত্যন্তৰ নাই। এলান্ধুৰে বিপৰ্যস্ত কৰা জীৱনটোৰ কথা ভাবি পাপৰিয়ে সময়বোৰ প্ৰায়ে পাৰ কৰে।

বহুত দিন মানে দহ-পোন্ধৰ বছৰ আগৰ কথা। বসন্তৰ পৰিয়ালে তাইক আঙঠি পিন্ধোৱাৰ পিছত তাই বিয়াৰ দিনটোলৈ অধীৰ অপেক্ষাত আছিল। আধুনিক শিক্ষাৰে শিক্ষিত সুদৰ্শন ডেকা অধ্যাপক বসন্তৰ লগত বিয়া হৈ যোৱাৰ পিচত মধুচন্দ্ৰিকা যাপনৰ পৰা আৰম্ভ কৰি এখন সুন্দৰ সুখী পৰিয়ালৰ কল্পনা কৰি তাই আপোন পাহৰা হৈছিল। তাইৰ সেই ৰঙীন কল্পনা কিন্তু কল্পনা হৈয়ে থাকিল। বাস্তৱত ৰূপ দিয়াটো তাইৰ বাবে সম্ভৱ নহ'ল। সমাজৰ এলান্ধু-কলীয়া চিন্তাই তাই দেখা সপোনবোৰ ভাঙি চুৰমাৰ কৰিলে।

ৰাতি বাৰ বজালৈ পাপৰিক বিয়া কৰোৱাৰ বাবে যেতিয়া দৰা বা পৰিয়ালৰ কোনোৱেই নাহিল, পাপৰি আৰু তেওঁৰ পৰিয়ালৰ সকলো চিন্তিত হৈ পৰিল। আৰু ইয়াৰ কাৰণ জনাৰ উদ্দেশ্যে পাপৰিৰ ভায়েক অঞ্জন আৰু সৰু খুড়াক হেমন্ত দৰাৰ ঘৰলৈ গৈ ঘূৰি আহি কইনা ঘৰত যি কথা জনালেহি সেই কথা শুনি পাপৰি আৰু ঘৰখনৰ ওপৰত আকাশী সৰগ ভাগি পৰিল। কাৰণ ইতিমধ্যে যি হৈ গ'ল সেয়া নোহোৱা কৰাৰ উপায় নাছিল।

বসন্তই, তাৰ ঘৰখনে পাপৰি আৰু তাইৰ ঘৰখনৰ যি অন্যায় কৰিলে, বিশেষকৈ পাপৰিৰ গোটেই জীৱনলৈ যি বৰ্ণনাতীত দুৰ্যোগ নমাই আনিলে, ইয়াৰ প্ৰতিশোধ বসন্ত আৰু তাৰ ঘৰখনৰ ওপৰত লোৱাৰ প্ৰতিজ্ঞাৰে পাপৰিৰ কপালৰ সেন্দুৰখিনি ভায়েকে যেতিয়া মছি দিলে, দুৰ্বিসহ জীৱন যন্ত্ৰণাত তাই কেৱল হিয়া ঢাকুৰি কান্দিলে। তাই ভাবিলে, ইয়াতকৈ আৰু নাৰী জাতিৰ বাবে অপমানৰ কথা আন কি হ'ব পাৰে।

পাপৰি যেন এতিয়া এটা পথহাৰা নিঃসঙ্গ পক্ষী। যাৰ জীৱনৰ কোনো নিৰাপত্তা নাই। পাপৰিৰ অনাগত ভৱিষ্যতত আছে মাথো অশনি সংকট। তাই নিজকে প্ৰশ্ন কৰিলে দুৰাৰোগ্য ৰোগত আক্ৰান্ত আৰু সমাজৰ এলান্ধুৰে ক'লা কৰা এটা কলংকিত জীৱন লৈয়ে তাই জীৱনটো পাৰ কৰিব নে তাই এইবোৰৰ প্ৰতিবাদ কৰিব? তাই মনে মনে থাকি সমাজৰ এচাম মানুহৰ চিন্তাৰ ফচলত সাৰ-পানী দি তাইৰ দৰে সমাজৰ হেজাৰজনী পাপৰিৰ জীৱনলৈ আমোঘ নিবিড় অন্ধকাৰ নমাই অনাত সহায় কৰিব নে সেই বিষবৃক্ষ শুৰিতে কাটি হেজাৰজনী পাপৰিক উদ্ধাৰ কৰাৰ বাবে প্ৰতিবাদৰ অস্ত্ৰ হাতত তুলি ল'ব। তাই আকৌ কাৰোবাক বিয়া কৰাব নে এটা কাপুৰুষ, এখন পংগু সমাজৰ ওচৰত আত্ম সমৰ্পণ কৰিব? এই ধৰণৰ হেজাৰটা প্ৰশ্নই পাপৰিক আগুৰি ধৰিলে। এই ধৰণৰ অলেখ প্ৰশ্নৰ উত্তৰ বিচাৰি তাইৰ বিদ্ৰোহী মনে হাহাকাৰ কৰি উঠিল। পাপৰিয়ে এইদৰে বহুত দিন ভাবিগুনি এদিন শেষ সিদ্ধান্তত উপনীত হ'ল।

নাই তাই কেতিয়াও ভাগি নপৰে। তাই পঢ়িব। তাই এনে এখন সমাজৰ এনে এজন পুৰুষৰ লগত বিয়া হব - যিখন সমাজৰ যিজন পুৰুষ অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ কাৰোবাৰ জীৱন ধ্বংস কৰাৰ পৰা দূৰৈত থাকিব, জাত-পাত, ধৰ্মীয় গোড়ামীৰ পৰা আঁতৰি থাকি প্ৰকৃত মানুহ হিচাবে নিজৰ পৰিচয় দিব।

পাপৰিয়ে সুখ্যাতিৰে বি.এ. পাছ কৰাৰ পিছত নিজৰ ইচ্ছা আৰু ঘৰখনৰ সিদ্ধান্তকে মানি লৈ বিয়াত আকৌ নবহি চাকৰি কৰি জীৱনটো পাৰ কৰাৰ কথা ভাবিছিল। যদিও তাই জীৱনটোক চেলেঞ্জ হিচাপে ললে আৰু সিদ্ধান্ত সলনি কৰিলে। এদিন ইংৰাজী সাহিত্যৰ প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান অধিকাৰ কৰি এম. এ. পাছ কৰি শ্বিলঙৰ এখন কলেজত সোমাল আৰু অতি কম দিনৰ ভিতৰতে পাপৰি শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ মাজত অতি জনপ্ৰিয় হৈ পৰিল।

সময়ৰ সোঁতত দিনবোৰ গতানুগতিক ভাৱে পাৰ হ'ল। স্বকৰ্তব্যত অতি নিষ্ঠাৰে পাপৰি আগবাঢ়িল। হলেও নিদাৰুণ অতীতটোৱে কেতিয়াবা পাপৰিক ব্যতিব্যস্ত কৰি তোলে।

পৃথিৱীত একো নাথাকিলেও স্মৃতি ৰৈ যায়। স্মৃতিয়েও কেতিয়াবা

মৰণাস্ত্ৰ হৈ মানুহক আঘাট কৰে। পংগু কৰে। সেয়ে হয়তো বসন্তৰ হাঁহি থকা ধুনীয়া মুখখনে, জোৰোণ পিন্ধোৱা দিনটোৱে, আলফুলকৈ তাইৰ শিৰত সেন্দুৰ সনা সুন্দৰ মুহূৰ্ত্তটোৱে স্মৃতি হৈ তাইক আঘাট কৰে। ভাগি যোৱা বিয়াখনৰ কাৰণটো ভাবি কেতিয়াবা তাইৰ হাঁহি উঠে আৰু কেতিয়াবা এই অনৰ্থক অন্ধ বিশ্বাসী মানুহবোৰলৈ ঘৃণা ওপজে। তাইৰ বিয়া ভগাৰ বাবেদায়ী কোন। তাইৰ ভাগ্য নে এচাম অমানুহ অবাস্তৱ চিন্তা।

এবছৰৰ ভিতৰতে পাপৰি পৰিবৰ্তন হোৱাটো কলেজৰ সহকৰ্মী, ছাত্ৰ-ছাত্ৰী সকলোৱে দেখিলে। এযুৰি ধুনীয়া চকু, ওপৰত গাঢ় কলা ঘন চেলাউৰি, কলামেঘৰ দৰে ডাঠ একোছা মিহি চুলি, দেহৰ ভাঁজে ভাঁজে সিঁচৰিত হৈ পৰা যৌৱনৰ প্ৰাচুৰ্যৰে পৰিপূৰ্ণ, বগা লাহি দেহৰ পাপৰিৰ যৌৱনৰ জুইত জাহ যাবলৈ উৰি অহা কলেজৰ ভিতৰৰ বাহিৰৰ বহুতো মৃত্যুমুখীক তাই বাধা দি মৃত্যুমুখৰ পৰা বচালে।

এদিন হঠাৎ কিন্তু পাপৰিয়ে তেনে এজন দেৱতুল্য মানুহকে আৱিস্কাৰ কৰিলে।

তেওঁ আন কোনো নহয়। প্ৰদ্যুৎ। প্ৰদুৎ গোস্বামী। অৰ্থাৎ তাই যিখন কলেজত কাম কৰে সেইখন কলেজৰে নাতি দূৰৈত থকা এটা কোম্পানীত কাম কৰা এজন উচ্চ পদস্থ বিষয়া। সুদৰ্শন এই প্ৰদ্যুৎ হ'ল নসত্ৰৰ সত্ৰাধিকাৰ দেৱব্ৰত গোস্বামীৰ একমাত্ৰ ল'ৰা। প্ৰথম দৃষ্টিতে দুয়োৰো দুয়োকে ভাল লাগি গ'ল।

এদিন পাপৰি আৰু প্ৰদ্যুতে অফিচ আৰু কলেজৰ মাজতে থকা 'হোটেল মনালিছা'ত দুয়ো চিনাকী হৈ নিজৰ পৰিচয় দাঙি ধৰিছিল আৰু সেয়াই আৰম্ভণি। ক্ৰমে প্ৰদ্যুৎ পাপৰি দুয়ো দুয়োৰে কাষ চাপি গ'ল। কন্টিনেন্টেড গ্লাছে আৰৰা হোটেল মনালিছাৰ নিভৃত কোনত বহুতো নিৰিবিলি সময় পাৰ হৈ গ'ল।

এখন পাৰ্ক। এটা ধুনীয়া আবেলি চৌদিশে মায়াময় নিৰ্জনতা উপভোগ কৰি বহি থকা পাপৰি-প্ৰদ্যুৎ দুয়ো নীৰৱ। হঠাৎ নীৰৱতা ভংগ হ'ল।

'পাপৰি, মোৰ অসম্পূৰ্ণ জীৱনটো, মোৰ নিঃসঙ্গ জীৱনটো যদি তোমাৰ দ্বাৰা পূৰ্ণ কৰো, তুমি জানো সংগ দিবা? তোমাৰ কিবা আপত্তি আছে নেকি?'

'ইয়াত আপত্তি কৰা বা মত দিয়া-নিদিয়াৰ কথা নাহে। তুমি হয়তো নাজানা মোৰ এটা বেদনাসিক্ত অতীত আছে। যি অতীতে মোৰ সকলো স্বপ্ন, আশা আকাঙ্খা ভাঙি চুৰমাৰ কৰি থৈছে। গতিকে এতিয়া সেই কথা বিলাক গভীৰভাৱে চিন্তা কৰিব লাগিব।'

পাপৰিয়ে অতীতত তাইৰ জীৱনৰ অপ্ৰত্যাশিতভাৱে ঘটা সেই চৰম ট্ৰেজেডিটো অৰ্থাৎ এটা অৰ্থহীন বিশ্বাসৰ বাবেই তাইৰ বিয়াখন ভাঙি যোৱাৰ কথা কওঁতে প্ৰদ্যুতে মাথো কৈছিল।

'পাপৰি, প্ৰযুক্তি-বিজ্ঞানৰ চৰম উৎকৰ্ষ সাধনৰ দিনতো কিছুমান অন্ধবিশ্বাস, কু-সংস্কাৰে সমাজ জীৱন পংগু কৰি পেলাইছে। এইবিলাক ৰীতি-নীতি দূৰ কৰাৰ দায়িত্ব নিউ জেনেৰেচনৰ। তেওঁলোকে এইবোৰ দূৰ কৰি সমাজ নকৈ গঢ়িব লাগিব। তোমাৰ নিজৰ ক্ষেত্ৰত চোৱা। আমাৰ সমাজত প্ৰচলিত সেই সামান্য কথাতে তোমাৰ বিয়াখন ভাগি গ'ল। তুমি তোমাৰ সমাজ দুখনৰ দৃষ্টিত কুলক্ষনীয়, অমঙ্গলীয়া ৰূপে চিহ্নিত হ'লা।'

'প্ৰদুৎ, সমাজত যুগ যুগ ধৰি প্ৰচলিত অন্ধ বিশ্বাস কিছুমান ৰীতি-নীতি তুমি মই অকলে কেতিয়াও নোহোৱা কৰিব নোৱাৰো। সমাজৰ প্ৰতিজন মানুহ সচেতন হ'ব লাগিব। যুক্তি সহকাৰে সেই কথাবোৰ বিশ্লেষণ কৰিব লাগিব। সেইমতে সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব।' কথাখিনি কৈ পাপৰি কিছুসময় মৌন হৈ ৰ'ল।

'অযুক্তিকৰ, অৰ্থহীন কথাত মই লাগি থকা মানুহ নহয়। এটা সামান্য কথাত তোমাৰ বিয়াখন ভাগি গ'ল। তোমাক বিয়া কৰাবলৈ আহিব ধৰা তোমাৰ সেই অন্ধবিশ্বাসী ল'ৰাটোৱে বা তেওঁৰ ঘৰখনে তোমাৰ, তোমাৰ ঘৰখনৰ কথা এবাৰ ভাবিলেনে? তেওঁলোকৰ কি অধিকাৰ আছিল তোমাক এইদৰে এটা ভৱিষ্যতৰ অনিশ্চিত বুকুলৈ ঠেলি দিয়াৰ। আকৌ কৈছো যদি তোমাৰ বা তোমাৰ ঘৰখনৰ একো আপত্তি নাথাকে মই তোমাক বিয়া কৰাবলৈ প্ৰস্তুত পাপৰি।

পাপৰিয়ে যেন প্ৰদ্যুতৰ পৰা এই খিনি কথা শুনাৰ বাবে অধীৰ আগ্ৰহেৰে বাট চাই আছিল। কথাযাৰ শুনি পাপৰিৰ প্ৰদ্যুতৰ প্ৰতি থকা গভীৰ ভালপোৱা যেন ক্ৰমে আৰু গভীৰতালৈ গতি কৰিলে। পাপৰিয়ে অনুভৱ কৰিলে, প্ৰদ্যুতৰ প্ৰেম, ভালপোৱা, আস্থাই যেন তাইক নতুন জীৱন দিয়াৰ পথত। কাৰণ তাইক এবাৰ এইখন সমাজৰ এচাম মানুহৰ অনুৰ্বৰ চিন্তাত জন্ম হোৱা বিযাক্ত কীটৰ দংশনে জীৱনটো পংগু কৰি পেলোৱাৰ কথা তাইৰ ভালদৰে মনত আছে।

পাপৰিৰ লগত প্ৰদ্যুতৰ হবলগীয়া বিয়াখনৰ ওপৰত তাইৰ মনত উদয় হোৱা সংশয়ৰ মূল কাৰণ হ'ল - প্ৰদ্যুৎ এখন সত্ৰৰ সত্ৰাধিকাৰৰ একমাত্ৰ ল'ৰা। তাই এজনী অন্য সম্প্ৰদায়ৰ ছোৱালী।

পাপৰিয়ে এইবোৰ কথা ভাবি একো উৱাদিহ নোপোৱা হ'ল। তাই যেন হেৰুওৱা পথৰ সন্ধানত আলি কেকুঁৰিত অধীৰ উদ্বেগেৰে অপেক্ষা কৰি থকা এক পথভ্ৰান্ত পথিক। তাইক হেৰুওৱা পথৰ সন্ধান কোনেবা দিব? বা তাই কাকনো সুধিব? তাইৰ সুদীৰ্ঘ কুঁৱলীআকীৰ্ণ পথ সঁচাকৈয়ে জানো প্ৰদ্যুতে পোহৰাব? তাই নিজকে প্ৰশ্নকৰিলে? তাই যদি আকৌ দ্বিতীয়বাৰৰ বাবে প্ৰৱঞ্চিতা, পৰিত্যক্তা, অৱহেলিতা হয়?

কলেজৰ পৰা আহি প্ৰায়ে আবেলি এইবোৰ কথাকে ভাবি পাপৰিয়ে চৌদিশ পাইনে আগুৰা দিগন্ত বিয়পা গ'ল্ফ লিংকৰ দূৰ সীমনাত মনটো এৰি দি সময়বোৰ কটাইছে। কেতিয়াবা তাইৰ সুবিশাল নীলিম আকাশৰ সীমাহীন শূণ্যতাত বিলীন হ'বলৈ মন যায়। কিন্তু তাই নোৱাৰে। তাইক প্ৰকৃতিৰ বিনন্দীয়া, সনাতন শোভাই জীয়াই ৰাখিছে। সমাজৰ ডাল-দৰিদ্ৰ, নিপিড়ীত, বঞ্চিত, অৰ্থাৎ নিঃস্বজনৰ জীয়াই থকাৰ মনোবলে তাইক জীয়াই থকাৰ প্ৰেৰণা দিছে।

সেইদিনাও পাপৰিয়ে এইবোৰ কথাকে ভাবি ভাবি বহি আছিল। কিন্তু হঠাৎ তাই বহাৰ পৰা উঠিল আৰু দেউতাকলৈ এখন চিঠি লিখিবলৈ তাইৰ পঢ়া কোঠাত সোমাল। তাই চিঠিত লিখিব প্ৰদ্যুতক লগ পোৱা, আত্মীয়তা গঢ়ি উঠা আৰু প্ৰদ্যুতৰ ঘৰখনে সন্মতি জনালে তেওঁৰ লগত তাইৰ সোনকালে বিয়াখন হৈ যোৱাৰ কথা। লগতে পাপৰিয়ে দেউতাকৰ পৰা এটা প্ৰশ্নৰ উত্তৰ বিচাৰিব আৰু সেইটো হৈছে -

কোনোবা ছোৱালীক বিয়া কৰাবলৈ অহা ল'ৰা পৰিয়ালৰ গাড়ী দূৰ্ঘটনাত পতিত হলে তাৰ বাবে ছোৱালীজনী দায়ী নেকি???

**********

# সূৰ্যাস্তৰ শেষত

মণিকা চহৰীয়া
স্নাতক প্ৰথম বৰ্ষ

আবেলি পশ্চিম আকাশত ৰাঙলী সুৰুযে লুকা-ভাকু খেলি নীলা আকাশত বিদায় সম্ভাষণ যাঁচি চকুলো টুকিছে। সেউজীয়া গছ-গছনিবোৰত ৰঙা পোহৰ পৰি সিহতৰ কোমল পাতবোৰ জিলিকিছে, নীলা আকাশত উৰি যোৱা শৰালি জাকেও বুজিছে যে আজিও আন দিনাৰ দৰে বিদায় লব সুৰুযে। সীমাই (মানে শ্ৰীমতি সীমা) দিনটোৰ শেযত পৰিশ্ৰমৰ কথা পাহৰি সুৰুযৰ এই বিদায় ফণলৈ দৃষ্টি নিক্ষেপ কৰি ভাবিছে যে আজিৰ কাম শেষ কৰিঅহাকালি পুৱাতে আকৌ আহিব। কোনো ধৰণৰ খং নাই তাৰ নিজৰ কাম নিজে কৰি গৈ আছে। পৃথিৱীৰ মৰমতে সদায় বিলাই আছে পোহৰ প্ৰকৃতি জগতৰ পৰা নিজৰ কথা পাহৰিলেই শিয়ৰি উঠে সীমাৰ দেহ মন। প্ৰকৃতিয়ে কাকো জগৰ নকৰাকৈয়ে নিজৰ কামবোৰ কৰি গৈ আছে আৰু আমি মানুহবোৰে কৰিছো কি? নিজে একো কৰিব নোৱাৰি আনৰ গাত দোষ দি কৈছো অমুকৰ কাৰণে এইটো নহ'ল, তমুকৰ বাবে সেইটো নহ'ল। সীমাই কাকো কোনো দোষ দিব নিবিচাৰে। তেওঁ নিজৰ কামবোৰ নিজেই কৰি গৈ আছে। তেওঁ নিজৰ কথাবোৰ পাহৰি গৈছে। নিজৰ জীৱনটোৰ কথা মনত পৰিলে দেহৰ সকলো অংগ প্ৰত্যংগ শিয়ৰি উঠে। এয়াই নেকি চৰকাৰ, এয়াই নেকি দেশৰ আইন। টকা লোভী, স্বাৰ্থ লোভী এই ভিকহু সমাজখন জীৱনত আৰু কি বাকী? এসময়ত অঞ্চলৰ গৌৰৱ, বংশৰ গৌৰৱ কঢ়িয়াই সকলোকে উৎফুল্লিত কৰি পৰীক্ষাত পাছ কৰিলো। এতিয়া সকলোতে লাগে ঘোছ। পৰীক্ষাৰ মাৰ্কশ্বিটবোৰেও কাম নিদিয়া হ'ল। তাত কোনো ভ্ৰক্ষেপেই নকৰে। সন্তানৰ উন্নতি কামনা কৰি পিতৃ দেৱতাই দেৱানীৰ ওচৰত বহুমূলীয়া মাটিবোৰ বন্ধক তথা বিক্ৰী কৰাটোৱে আজি উপাৰ্জনৰ পথ। তাত কিন্তু নালাগে ঘোছ। জীৱনৰ প্ৰতিটো স্তৰতে সোণোৱালী আভাৰে বুলাই নিব বাপতিসাহোন স্বৰূপ মাটি ডৰাই।

কান চোৱাই যোৱা বতাহ জাকৰ সো-সোৱনিত সীমাৰ মানস পটত ভাঁহি উঠিল তাহানিৰ কলেজীয়া জীৱনৰ মধুৰ সুখ-দুখৰ সমভাগি বন্ধু ৰাহুলৰ কথা। ৰাহুল যে কি সাহসী মৰমীয়াল আছিল। সি প্ৰতিটো মুহূৰ্ততে দিব পাৰিছিল প্ৰকৃত বন্ধুত্বৰ মৰম স্নেহ। বন্ধুত্বৰ এনাজৰীত এসময়ত আছিল অসীম মৰম। কালৰ নিঃকিন গতিত সকলো ধূলিত মিহলি হৈ গ'ল সেই ৰাহুল। এতিয়া বাৰু সি কি ................. । সীমাৰ মনত পৰিল ৰাহুলৰ শেষ দিনৰ চিঠি খনলৈ।

বন্ধু,

মৰমবোৰ মৰম হৈয়ে থাকিবনে? এয়া চোৱা সময়ে এফালৰ পৰা লাহে লাহে মৰমবোৰ কাঢ়ি লৈ গৈছে। সকলোতে এতিয়া ধৰিছে মামৰ

ও জক্কাৰ। এতিয়া আৰু তুমি কি? সেয়াই আছিল জানো জীৱনৰ লক্ষ্য! বন্ধু তোমাৰ মনত পৰেনে এই হতভগীয়াৰ কথা। তোমাক স্মৃতিয়ে বাৰু কয়নে? বন্ধু মোৰ কলেজৰ আগফালৰ তেতেলী ডালৰ কথা মনত পৰিলে ক'ব নোৱাৰাকৈয়ে বুকুৰ ভিতৰৰ কোনোবা এঠাইত বৰকৈ বিষ অনুভৱ কৰো। মনত পৰে তাৰ তলত বহি বহি আলোচনা কৰা সমাজ তথা জীৱনটো নতুনত্বৰ গতিৰে গঢ় দিবলৈ বিচৰা সেই কথাবোৰলৈ। বন্ধু তুমি কেতিয়াবা নিজকে সুধি চাইচানে? জীৱনটো কোনফালেৰে গতি কৰিব খুজিছে। দুখঃ লাগে বন্ধু । ফাৰ্ষ্ট ক্লাচ্ ফাৰ্ষ্ট পাই এতিয়া কৰিব লাগে কি কৰিছো কি? স্থানীয় বেচৰকাৰী কলেজ খনৰ অধ্যক্ষ হ'ম বুলিয়েই জানো কষ্ট কৰা নাছিলো। দুখেৰে আৱৰা জীৱনটোত সুখৰ ছাঁ কেতিয়াবা দেখিম কল্পনাই কৰিব নোৱাৰো।

বন্ধু তোমাৰ বহু কথা মনত পৰাৰ লগে লগে মনলৈ আহে কলেজত পঢ়ি থাকোতে দেউতাই দিয়া চিঠি ও মোবাইল ফোনত দিয়া আদেশৰ কথা। 'বোপাই ভালদৰে পঢ়া-শুনা কৰিবা। এয়াই মোৰ শেষ আশা। ঘৰৰ আগৰ মাটি এবিঘা দেৱানীক দি টকা দিলো। ভগবানে তোমাৰ মঙ্গল কৰক।' নিগৰি অহা চকুলো দুটোপালেই দিছিল দেউতাৰ হৃদয়ৰ কনমানি আশাটোক পৰিস্ফুট কৰি তোলাৰ এটা জেদ।

বন্ধু, ল'ৰা-ছোৱালীবোৰৰ কটু কথাবোৰ শুনি সদায় মনত আমনি লগা হৈছে। আমিওটো এসময়ত এনেকুৱাই ছাত্ৰ আছিলো। যে সিহঁতৰ মনত আনক শ্ৰদ্ধা কৰাৰ জ্ঞানখিনি বাৰু পোৱা নাই নেকি? সিহঁতৰ অন্তৰত মানৱতাই ঠাই পোৱা নাই নেকি?। কলেজৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিছো হেনো আমি শিক্ষকবোৰে ক্লাছ নকৰি। এয়া হৈছে মিটিঙৰ বিষয়বস্তু। দুখৰ মাজতো কেতিয়াবা হাঁহিবলৈ মন নাযায়নে বাৰু? আমি যেতিয়া বজাৰৰ মাজৰ ৰাস্তাটোৰে কলেজলৈ আহো ভগা মটৰচাইকেলৰ কেৰকেৰনিৰ শব্দত বহুটো গোট খোৱা মানুহবোৰে আমাক নোচোৱাকৈয়ে ৰাস্তা এৰি যাব লগা হয়। হয়তো আমাৰ অৱস্থা দেখি দুখ লগা হৈছে। ল'ৰা-ছোৱালীবোৰৰ হাঁহি ধেমালীবোৰ দেখি কেতিয়াবা ভাবো এয়াই সময় তোমালোকেও আমাৰ দৰে হয়তো এদিন ভোগ কৰিবা এনে দুখময় জীৱন। ল'ৰাবোৰৰ বাইকৰ হৰ্ণে কলেজৰ পৰিৱেশ বিনষ্ট কৰাৰ সময়ত মনত বৰ দুখ লাগে। তেতিয়াই অনুভৱ কৰো আমি কি কৰিছো। বন্ধু অ' আটাইতকৈ মজাৰ খবৰটো তোমাক কব পাহৰি গলো নহয়। মোৰ এতিয়া মাহিলী দৰ্মহা ৩০০ টকা। কি কৰিম ভাবি ভাবি সেয়ে তোমালৈ একলম লিখিলো। শেষত তোমালৈ পুণৰ মৰমেৰে........... । ইতিত -

তোমাৰ হতভগীয়া
ৰাহুল

জানো এয়া মানৰ জীৱন। অতীতৰ পৰা হৃদয়ত পুহি ৰখা ৰঙীন আশা চাকৰি......এয়া জানো সম্ভৱ? এই শব্দটোৱে আমাৰ দৰে দুখীয়া শিক্ষিত নিবনুৱাক ধ্বংসৰ পথলৈ ঠেলি নিছে। এই জীৱন মাথো সৰ্বনাশহে কৰে। ভগৱান তুমিওযে ইমান নিষ্ঠুৰ। তোমাৰ হৃদয়ত জানো দুখীয়াৰ স্থান নাই। সিহতৰ করুণা তুমি কিয় নুশুনা?

পশ্চিম আকাশত সুৰুযটোৱে সীমাক বাৰে বাৰে মাগিছে বিদায়। চৰাই-চিৰিকটিয়ে দিনটোৰ মূৰত সিহঁতে ইজনে সিজনৰ বা-বাতৰি পাবলৈ কিৰিলি পাৰিছে। সীমাই লাহে লাহে বুকুৰ আপোন সেই বগৰী গছজোপাৰ তলৰ পৰা নিজৰ আদৰৰ কোৰখন কান্ধত লৈ ঘৰমুৱা হৈ আহিবলৈ লাহে লাহে খোজ পেলায়। তেওঁৰ হৃদয়ত এতিয়া ৰবি শালি নানা ধৰণৰ শস্য বোৰ ৰাহুলৰ পৰা বাহুললৈ গতি সলাই গৈ আছে। ঃঃঃঃঃ

# হৃদয়ৰ ঢৌ

মিচ মাছুমা আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

বহুদিন পাৰ হৈ গ'ল আলমাৰীটো নোখোলাৰ। তাই আঙুলিৰ মূৰত হিচাপ কৰি চালে প্ৰায় তিনি বছৰ। এই আলমাৰীটোত তাইৰ বহু মৰমৰ স্মৃতিক বন্ধ কিতাপ হিচাবে আৱদ্ধ কৰি ৰাখিছে। কেতিয়াবা সেইবোৰ খুলিবৰ মন গলেও প্ৰয়োজন অনুভৱ কৰা নাছিল। এদিন তাই ঘৰ ছাফা কৰিব ধৰোতে আলমাৰীটোৰ ওচৰলৈ গ'ল। আলমাৰীটো খুলি চাবৰ বাবে তাইৰ তীব্ৰ ইচ্ছা গ'ল। অলপ ভয়ো লাগিল, জানোছা তাই নিজৰ ওচৰত নিজেই ধৰা পৰি যায়। মই বাৰু মোৰ পৰাই পলাব খুজিছো নেকি? তাই আলমাৰীটো খুলি এখন এখনকৈ কিতাপবোৰ ঠিক কৰিব



ধৰিলে আৰু সেই নিৰ্দিষ্ট টোপোলাটো বিচাৰি পালে। টোপোলাটোত কি আছিল বাৰু? তাই মনত পেলাবলৈ যত্ন কৰিলে, যেতিয়া মনত নপৰিল, তেতিয়া তাই লাহে লাহে খুলিব ধৰিলে। টোপোলাটো খোলাৰ লগে লগে তাইৰ হঠাৎ চকু পৰিল সেই নিৰ্দিষ্ট কলমটোলৈ। যিটো কলমৰ বাবেই তাই গালি খাইছিল, কিমান যে প্ৰশ্নৰ উত্তৰ দিব লগা হৈছিল, কান্দিব লগা হৈছিল আৰু বহুতো...। সকলোবোৰ কথা পাহৰি গলেও তাই হয়তো এই কলমটোৰ কথা পাহৰি নাযাব।

'..........মনি আমাৰটো আৰু বেছিদিন নাই। কেই দিনমানৰ ভিতৰতে আমাৰ ৰিজাল্ট ওলাব। ৰিজাল্টৰ পিছত মই ক'ত পঢ়িম সেয়া এতিয়াও ভাবি পোৱা নাই। মাত্ৰ এটাই জানো আমি হয়তো এতিয়াৰ দৰে লগ নাপাম। মাত্ৰ থাকিব দুয়োৰে মাজত হোৱা কথোপকথনৰ টুকুৰা-টুকুৰ কিছুমান স্মৃতি। মোৰ বেছিকৈ মনত পৰিব তুমি হাঁহি হাঁহি কোৱা সেই কথাবোৰ। মনি তোমাক এটা কথা সোধো? তুমি কবিতা, গল্প লিখা নেকি? তাই হাঁহি হাঁহি উত্তৰ দিছিল মোক কবি, গল্পকাৰ যেন লাগে নেকি? শুনা মনি মই ধেমালি কৰা নাই কাৰণ তোমাক দেখাত তেনে প্ৰতিভা থকা যেন লাগে। তাৰ পিছত সি তাইক ধুনীয়া কলম এটা দি কৈছিল যে আমাৰ বন্ধুত্বৰ স্মৃতি হিচাবে এই ক্ষুদ্ৰ উপহাৰটি তোমালৈ আগবঢ়ালো। আমাৰ বন্ধুত্ব, ভালপোৱা যদি সচাঁ হয়, তেন্তে তুমি তোমাৰ হৃদয়ৰ তাগিদাত নিশ্চয় কিবা লিখিবা। আৰু শুনা এই কলমটোৰে কিবা এটা সৃষ্টিমূলক লিখনি লিখিবলৈ যত্ন কৰিবা।' শেষত দুয়োৱে দুয়োৰ পৰা বিদায় লৈছিল। সেই বিদায়ৰ পিচত তাক আৰু কেতিয়াও লগ পোৱা নাছিল। মানে লগ পাবলৈ ইচ্ছা কৰা নাছিল।

সিদিনা ঘৰত আহি তাইৰ কিমান ভাল লাগিছিল। স্ফূৰ্তিত তাই আহি প্ৰথমে দাদাক কলে চোৱা দাদা - আজি জেকিবে কি ধুনীয়া কলম এটা উপহাৰ দিছে আৰু কি কৈছে জানা...............বাক্যটো সম্পূৰ্ণ কৰলৈ নাপাওতেই তাইৰ গালত মস্ত এটা চৰ সোধালে। আৰু জেকিবে দিয়া কলমৰ সৈতে উপহাৰৰ টোপোলাটো তাৰ আগতে পুৰি পেলাবলৈ কলে। তাইৰ মনত নানা প্ৰশ্নই আগুৰি ধৰিছিল আৰু তাইৰ কবলৈ মন গৈছিল তাইৰ ভুল কোনখিনিত ? এই খন সমাজে কি বিচাৰে?

এদিন তাইৰ দেউতাকে তাইক কৈছিল- 'মই মানি লৈছো তোমাৰ আৰু জেকিবৰ মাজত বন্ধুত্বৰ বাহিৰে আন কোনো সম্বন্ধ নাই। কিন্তু তোমাৰ দাদাই এই খোলা বন্ধুত্বক সহ্য কৰিব পৰা নাই। এইবোৰ বাদ দিয়া আৰু তুমি তোমাৰ কেৰিয়াৰ গঢ়া, জীৱনত বহুত বন্ধু পাবা। তাইৰ বহুতো প্ৰশ্নৰ উত্তৰ তথা বিদ্ৰোহী হৈ থকা মনটোক দেউতাকৰ বুজনিয়ে বহুত উপশম ঘটালে।

পিছত তাই এই সিদ্ধান্ত ললে যে অন্ততঃ ঘৰখনৰ শান্তিৰ কাৰণে তাইৰ মৰমৰ বন্ধুত্বক ত্যাগ কৰিব। এসময়ত তাই দেউতাই কোৱাৰ দৰে এটা ভাল কেৰিয়াৰ গঢ়িলে আৰু বন্ধু-বান্ধৱীও লগ পালে। ঘৰখনৰ ইমান শান্তিৰ মাজতো যেন তাই কিবা এটা বিচাৰি পোৱা নাই। তাইৰ জীৱনটো যেন এক বিৰাট শূণ্য। এই শূণ্যতা দূৰ কৰিবলৈ তাই ঘন্টাৰ পিছত ঘন্টা ধৰি টি.ভি. চায়, কিতাপ পঢ়ে কিন্তু কোনো কামত নাহে। মানে তাইৰ জীৱনত এই সকলোবোৰ হৈছে; মাথো হোৱা নাই কোনো সৃষ্টি মূলক লিখনি।

কলমটো হাতত লৈ তাই ভালদৰে চাইছে আৰু মনত পৰিছে সি কোৱা কথাবোৰলৈ। 'মনি এই কলমটোৰে এটা সৃষ্টি মূলক লিখনি লিখিবা'। অতীতৰ সেই মৰমৰ স্মৃতিবোৰ যিমানেই পাহৰিবলৈ যত্ন কৰে সিমানেই সেইবোৰ সজীৱ হৈ তাইৰ মনলৈ আহে। সি বাৰু এতিয়া তাইৰ সতে আগৰ দৰে কথা পাতিবনে। তাক তাইৰ বাৰে বাৰে চাবৰ ইচ্ছা গৈছে। তাৰ লগত কথা পাতিবৰ মন গৈছে। কিন্তু ঘৰৰ স্বাৰ্থতেই তাই ত্যাগ কৰিছিল তাইৰ বন্ধুত্বক, চিন্তা ভাৱনা তথা তাইৰ অনুভূতিক। সেই কাৰণেই তো তাই গোটেই স্মৃতিবোৰক বন্ধ কিতাপ হিচাবে এই আলমাৰীটোতে আৱদ্ধ কৰি ৰাখিছিল। এদিনটো দাদায়েকে তাইক সেইবোৰ পুৰিবই দিছিল তাইহে সাঁচি ৰাখিছিল। কলমটোৰ সৈতে উপহাৰৰ টোপোলাটো পুৰি ছাৰখাৰ কৰিব বুলি ভাবিও তাই যেন এবাৰ স্তব্ধ হৈ ৰ'ল। কোনোবাই যেন তাইৰ কানৰ কাষত কৈ গ'ল যে, সৃষ্টিৰ বাবে বয়স, ঘৰ, সমাজ, সম্বন্ধ কেতিয়াও প্ৰাচীৰ হ'ব নোৱাৰে। যদিহে তোমাৰ ইচ্ছা থাকে। আৰু যদিহে তোমাৰ সৃষ্টিশীল মন এটা বুকুত আশা বান্ধি লোৱা, সময় এতিয়াও শেষ হৈ যোৱা নাই।

তাই ইফালে সিফালে চালে আৰু কলমটো বুকুত সাবটি ধৰিলে। এটা আশা। কিজানিবা কিবা এটা সৃষ্টি হয়েই........

০০০০০

# এটি নিশা

মহিজুল ইছলাম
স্নাতক প্ৰথম বৰ্ষ

পূৰ্ণিমাৰ ৰাতি। ন ব'হাগৰ ন গাভৰুৰ দৰে ওঁঠত ৰঙ সানি মিচিকিয়া হাহিৰে ওলাই অহা জোনটোৱে যেন দিনটোক বিদায় সম্ভাষণ জনাইছিল। পদুলীমুখখন হেঙুলী কিৰণৰ দলিছা পাৰি আদৰিছিল এটি নিশা। পূৱৰ পৰা বৈ অহা এজাক মলয়া বতাহে হো-হোৱনি শব্দৰে মনোমোহা বাজনা বজাইছিল। পদূলী সিপাৰৰ পৰা বতাহজাকে খিৰিকিৰে জ্বলাই থোৱা লেম্পটোৰ লগত লুকা-ভাকু খেলিছিল। কেতিয়াবা বতাহৰ বেগ বাঢ়ে আৰু লেম্পটো নুমাবলৈ ধৰে আৰু কেতিয়াবা তাৰ বিপৰীত হয়। এবিধ মনোমোহা বাজনাৰে ঘড়ীটোৱে সময়ৰ সংকেত দিয়ে। পিছফালে ঘূৰি চাই দেখিলো ঘড়ীটোত দহ বাজিছে। এই ঘুট-ঘুটিয়া জোনাক ৰাতিটোত বতাহজাকৰ হোঁ-হোঁৱনি শব্দৰ বাহিৰে অন্য কোনো ফালৰ পৰা কোনো ধৰণৰ শব্দ অহা নাছিল। চৰাই-চিৰিকতিবোৰ শুই পৰিছিল, লগতে শুই পৰিছিল সেউজীয়া এই ধৰা। ৰাতিটো যিমানে গম্ভীৰ হৈছিল। বতাহৰ কোব ঠিক সিমানে বাঢ়িছিল। বতাহৰ কোৱত শৰীৰৰ গোটেই নোমবোৰ থিয় হৈছিল। ওচৰতে থকা বিচনাৰ পৰা কম্বল লৈ গাত মেৰিয়াই ললো। ভাৱিলো শুই পৰো কিন্তু টোপনি নাহে। কিয় বা আজি সঘনে তাইৰ কথাবোৰ মোৰ মনত পৰিছে। সচাঁকৈ তাইক মই হৃদয়েৰে ভাল পাইছিলো। তাইৰ তেজগোৰা গাল দুখনি হৰিণাৰ চকুৰ নিচিনা তাইৰ চকুজুৰি আজিও মোৰ মনত পৰে তাইৰ চুলি সোপাৰ কথা, যেনিবা হিমালয় পৰ্বতৰ গাতে লাগি থকা কোনো কলা মেঘৰ থোপা। তাই যেতিয়া বতাহত খোজ কাঢ়িছিল তাইৰ চুলিবোৰে তেতিয়া পিছফালে ফেটীসাপৰ দৰে ফেট ধৰি উঠিছিল। পদুমৰ পাহিৰ দৰে ৰঙা ওঠ জুৰিৰ মাজেৰে ওলাই অহা মিঠা সুৰীয়া মাত আৰু সেই মৌসনা মিচিকিয়া হাঁহিয়ে আজিও মোৰ মনত সাগৰীয় ঢৌ তুলিছে। তাইক হাজাৰ ৰূপেৰে ঈশ্বৰে গঢ়িছিল। তাইৰ মুখনি যেনিবা বালিচৰত জ্বলি থকা এটুকুৰা হীৰা। তাই মোক দেখাৰ লগে লগে তাইৰ প্ৰেমৰ স্পষ্ট ইংগিত চকুৰ ভাষাৰে মোক জনাইছিল। তাইৰ সেই মৰমলগা ভাষা মই কেতিয়াও পাহৰিব নোৱাৰো কিন্তু তাই মোক ভুল বুজিলে কিয়? কিয় তাই আত্মহত্যা কৰিলে।

মাকৰ সৈতে আঠজনীয়া পৰিয়ালটোৰ কনিষ্ঠা জীয়ৰী তাই-নাফিজা। পিতৃহাৰা নাফিজাই চাৰি ভাই-ককাই আৰু দুই নবৌৰেকৰ পৰা বৰ মৰম পাইছিল। তাইৰ নবৌ দুগৰাকী বৰ মৰম লগা আছিল। কিন্তু তাইৰ গোটেইকেইজন দাদায়েক বৰ খঙাল আছিল। সেইকাৰণে তাই দাদায়েকহঁতক চাই বৰ ভয় কৰিছিল। ঘৰত সকলোৱে আলাসৰ লাডু নাফিজাক মৰমেৰে নেহা বুলি মাতিছিল। কিন্তু স্কুলত তাই নাফিজা বুলি পৰিছিত আছিল। সেইজনী নাফিজাই প্ৰথম দেখাতেই মোৰ মন আকৰ্ষিত কৰিলে। তাই প্ৰথম দিনা যেতিয়া মোক মনৰ কথা খুলি কৈছিল। সেইদিনা তাই লাজকৰি তাৰ পৰা আতৰি গৈছিল। কিন্তু তাইৰ চকুৰ ভাষাই মোক কৈ গৈছিল যে তাই মোক ভালপায়। লাহে লাহে নাফিজা আৰু মোৰ প্ৰেমৰ বান্ধোন নিবিড় হৈ উঠিল। তাই মোক কথা দিছিল যে তাই জীৱনে মৰণে মোৰ কাষতেই থাকিব। কিন্তু কিয় তাই সেই পাহাৰী নিজৰাত জাপ মাৰি আত্মহত্যা কৰিলে। আজিলৈকে মই তাৰ সঠিক খবৰ উলিয়াব পৰা নাই। কিন্তু তাই মোক কৈছিল যে যদি তাইৰ মাক আৰু দাদায়েকে তাইক মোৰ লগত বিয়া নিদিয়ে তেন্তে তাই আত্মহত্যা কৰিব। হব পাৰে তাইৰ দাদাহঁতে তাইৰ কথা নাকচ কৰিছে। নহলে তাই আত্মহত্যা কিয় কৰিব?

নানা ধৰণৰ কথাই মোৰ মনত আজি অহৰহ খুন্দিয়াই আছে। কিন্তু মই ভাৰি অন্ত পেলাব পৰা নাই। হঠাত ঘড়ীটোত এক ঘন্টা পিছত একে ধৰণৰ মনোমোহা বাজনাৰে পুণৰ সময়ৰ সংকেত দিলে। পিছফালে ঘূৰি চালো এঘাৰ বাজিছে। তেতিয়া কেৱল বতাহ জাকৰ হো-হোৱনি শব্দৰ বাহিৰে অন্য কোনো ধৰণৰ শব্দ নাছিল। চাৰিওফালে নিস্তব্ধতা বিৰাজমান হৈছিল। কিন্তু মাজে মাজে বাহৰ চোপত, বতাহৰ কোৱত, ঘৰ্ষণত নানা ভয়ানক শব্দ হৈছিল। ভাবিলো শুই পৰো কিন্তু হঠাৎ কৰবাৰ পৰা কুট্ কুট্ কুট্ কৰি এটি ভয়ানক শব্দ হ'ল। অলপ ৰৈ পুণৰ আৰম্ভ হয়। শব্দটো ৰুমৰ কোনো এঠাইত হৈছিল যদিও মই ধৰিব পৰা নাছিলো। ভয়ত মোৰ গাৰ নোম ঠিয় দিছিল। লাহে লাহে মই চকীৰ পৰা উঠি দাদাৰ ৰুমত গলো। দাদাই এদিন ঘৰত থাকিলে দুইদিন বাহিৰত আছিল। স্বাধীনচিতীয়া দাদাই দেশৰ স্বাধীনতাৰ বাবে নিজৰ জীৱন উৰ্চগা কৰিছিল। সেই দিনা দাদা ঘৰত নাছিল। কিন্তু তেখেতে এৰি থৈ যোৱা পিষ্টলটো তেখেতৰ গাৰুৰ তলতে আছিল। ঘৰৰ আটাইবোৰে গভীৰ টোপনিত লালকাল দিছিল। কাকো মাতিবলৈ মোৰ সাহস নহ'ল। তাই তাৰ মুখত শুনিছিল মানুহ মৰিলে হেনো ভূত হয়। কিন্তু নাফিজা, তাই ভূত হ'ল নেকি? তাইৰ আত্মাই কিয় মোক অসুবিধা দিব। মইতো তাইক পাহৰি যোৱা নাই। নাই নাই নাফিজাৰ আত্মাই কেতিয়াও তেনে কৰিব নোৱাৰে। পুনৰ কুট্ কুট্ শব্দ হ'ল। মই লাহে লাহে পিষ্টলটো হাতত উঠাই ললো আৰু দৰ্জা খন খুলি বাহিৰলৈ ওলাই চালো কিন্তু বাহিৰত একো গম পোৱা নগ'ল। দৰ্জাখন বন্ধ কৰি ভিতৰলৈ সোমাই আহিলো। পুণৰ শব্দ। পিষ্টলটো ভালদৰে ধৰি ললো। পালেঙৰ তলতো একো গম পোৱা নগল। লেম্পৰ তেল শেষ হোৱাত লেম্পৰ পোহৰ কমি আহিবলৈ ধৰিলে। আলমাৰী, ইয়াৰ ভিতৰতো একো থাকিব নোৱাৰে। হবও পাৰে ইয়াৰ ভিতৰতে কিবা আছে নেকি? লাহে লাহে আলমাৰীৰ দৰ্জাখন খুলিলো হঠাৎ কিবা এটা ওলাল। প্ৰথম অৱস্থাত মই একো দেখা নাছিলো। কিন্তু লেম্পৰ পোহৰলৈ নজৰ দিয়াত দেখা পালো কিবা এটা, নিগনি........। ***

# ৰঙীন ফটো

এম. আব্দুল জব্বাৰ
স্নাতক তৃতীয় বৰ্ষ

অতি সাৱধানে মই লাহে লাহে মোৰ পঢ়া কোঠালিত সোমাইছিলো কোনেও গম নোপোৱাকৈ। মা-দেউতাই গমকে পোৱা নাছিল। দেউতাৰ শোৱনি কোঠাত মাই কিবা কৈ আছিল। সম্ভৱ দেউতাৰ লগত মোৰ বিষয়ে। মই কান ঠিয়কৈ শুনিছিলো। আপুনি কিয় বাধা দিয়ে? সিচোন বেয়া কাম কৰা নাই।

কি কোৱা বেয়া কাম কৰা নাই। এয়া বেয়া কাম নহয়? ভাল কাম? ৰুমুৰ লগত ইমান হলি গলি ভাল নহয়। তুমিয়েই তাক ইমান লাই দিছা। আনকি ৰুমুকো। জানা বহুত হৈ গৈছে। সকলোৰে মুখত ৰুমু আৰু জেকিব। দেখিছা তাৰ কাণ্ড, সিদিনাখন বোলে ৰুমুৰ এখন ৰঙীন ফটোও তুলিছে সিও ষ্টুডিঅ'ত গৈ। আৰু যে ক'ত কি কৰে ঠিকনা নাই। মানুহবোৰে সকলো লক্ষ্য কৰে আৰু মনে মনে হাঁহে।

আৰু শুনা, তাক ৰুমুৰ লগত হলি গলি বন্ধ কৰিবা, নহলে কিন্তু কথা বেয়া হ'ব। মই সকলো শুনি আছিলো। দেউতাৰ কথাত খং আৰু বিতৃষ্ণা। সকলো কথা ভালদৰে শুনিবলৈ পৰা নাছিলো যদিও মই ইয়াকে বুজিছিলো যে মাই মোৰ হৈ দেউতাক কিবা কিবি কৈছিল। অৰ্থাৎ ৰুমু সম্পৰ্কে দেউতাক মন্তব্য নকৰিবলৈ।

লাহে লাহে মা দেউতাৰ কথা বতৰা বন্ধ হৈ গৈছিল। সম্ভৱ দুয়ো শুই পৰিছিল। তেতিয়া ৰাতিৰ নীৰৱতা ভংগ কৰি ড্ৰয়িং ৰূমৰ ঘড়ীটোৱে এঘাৰ বজাৰ সংকেত দিছিল। মোৰ টোপনি অহা নাছিল। বিছনাত বাগৰ দি যোৱা দুবছৰে ৰুমুৰ লগত ঘটা ঘটনা বিলাকৰ স্মৃতিচাৰণ কৰিছিলো। হৈ যোৱা ঘটনাবোৰ চিনেমাৰ ৰিলৰ দৰে এটা এটাকৈ চকুৰ আগত ভাঁহি উঠিছিল। মোৰ এনে ভাৱ হৈছিল যে মোৰ অপত্য স্নেহখিনি কোনেও হৃদয়ংগম কৰিব নেজানে কিয়? ৰুমুক মৰম কৰো। ই মোৰ ব্যক্তিগত কথা। তাত আনে কিয় মন্তব্য কৰিব? আনৰ বা তাত লাভ-লোকচান কি? তেতিয়া মানুহবোৰৰ প্ৰতি মোৰ মনটো ঘৃণাৰে উপচি পৰিছিল। ৰুমুক মৰম কৰা, ৰুমুৰ লগত ঘূৰি ফুৰা মোৰ এই আচৰণ যে দেউতায়ে বেয়া পায় তাক মই প্ৰথমৰ পৰাই বুজিছিলো। তথাপিওঁ লুকাই, দেউতাই নেদেখাকৈ ৰুমুৰ লগত ফুৰিছিলো। এইদৰে ৰুমুক মৰম কৰা লগত লৈ আবেলি ফুৰা আৰু তাৰ লগত নীৰৱে কথা পতাই আছিল মোৰ মনৰ খোৰাক।

এনেতে আমাৰ পৰীক্ষাৰ ৰিজাল্ট ওলাল। আৰু ভবা মতেই মোৰ ফলাফল ভাল হ'ল। দেউতাই আগৰে পৰা কৈ থোৱা মতেই মোক খাৰুপেটীয়া কলেজত নাম ভৰ্তি কৰাই দিলে। তেতিয়া মোৰ চিন্তা হৈছিল যে ঘৰখনৰ মায়া মোহ এৰি দূৰলৈ যাবগৈ লাগিব ভাগ্যৰ সন্ধানত। আনকি ৰুমুকো এৰি। মনটো সেমেকি উঠিল। ৰুমুক মায়াঙত এৰি থৈ মই খাৰুপেটীয়াত কেনেকৈ থাকিম?

সেয়েহে সেই বিৰহ বেদনাৰ উপায় উলিয়াই ৰুমুৰ এখন ফটো তুলিবলৈ এদিন আবেলি ওলালো গৈ মায়াং ষ্টুডিঅ'ত। মই ভিতৰলৈ সোমায়েই দেখিছিলো দুজনী ছোৱালী

ষ্টুডিঅ'ৰ ড্ৰয়িং ৰূপত বহি আছিল। মই খালি থকা চকী এখনত বহিছিলো আৰু ৰুমু মোৰ এচৰতে থিয় হৈ আছিল। গাভৰু ছোৱালী দুজনীয়ে ওঠ চেপি হাঁহিছিল আৰু ফুচ্‌ফুচাই কিবা কিবি কৈ আছিল। সম্ভৱ ৰুমু মোৰ কাযত থকাৰ কাৰণে মোৰ খুব লাজ লাগিছিল। মই সিহত হালক নেদেখাৰ ভাওজুৰি বেৰত আঁৰি থোৱা ফটো বিলাক চাই আছিলো। ৰুমুই চুচুক-চামাক কৰি আছিল। কাৰণ ৰুমুই ফটো উঠাবলৈ অহা এয়াই জীৱনৰ প্ৰথম। কেমেৰামেনজন মোৰ আগৰে পৰাই চিনাকী। ভাইটি কিয় আহিলা বুলি সোধাত মই ৰুমুৰ ফালে আঙুলিয়াই দি তেওঁক কলো যে এখন ৰঙীন স্নেপ লাগে বুলি। তেওঁ মিচিকীয়া হাঁহি এটা মাৰি কলে যে চিন্তা নাই, ধুনীয়া ৰঙীন ফটো হ'ব। স্নেপটো লোৱাৰ পিছত মই ৰুমুৰ সতে একেলগে ওলাই আহিছিলে।

খাৰুপেটীয়া কলেজত ভৰ্তি হোৱা প্ৰায় দুমাহেই হ'ল। ইমান কম দিনৰ ভিতৰতেই মইনুল, ৰেজাউল, মজাহিৰুল, ৰাহুল, জয়নাল, পিয়াৰুল, মাছুমা, মিনা, আবিদা, জয়নব, মৰ্জিনা, ৰোক্‌সানা ইহত মোৰ অন্তৰংগ বন্ধু-বান্ধৱী হৈ পৰিল। মোৰ পঢ়া-শুনাৰ ব্যস্ততাৰ মাজতো মই ৰুমুৰ কথা পাহৰিব পৰা নাছিলো। মাজে মাজে পঢ়া টেবুলত বহি ৰুমুৰ সেই ৰঙীন ফটো কপি চাই ৰুমুৰ বিৰহ বেদনাৰ যন্ত্ৰণা লাঘৱ কৰাৰ চেষ্টা কৰিছিলো।

এদিন মোৰ লগৰবোৰে চিনেমা চোৱাৰ প্ৰগ্ৰেম কৰিছিল। দুপৰীয়া খাই উঠি বিছনাত বাগৰ দিছো মাত্ৰ। এনেতে দুৱাৰত কোনোবাই টুকুৰিওৱাৰ শব্দ শুনি দুৱাৰখন খুলি দিয়াত চিনাকী বুঢ়া পিয়নজনে মোক চিঠি এখন দি গুচি গ'ল। খৰধৰকৈ চিঠিখন খুলি পঢ়ি চাই মূৰ আচন্দ্ৰাই গ'ল। কাৰণ চিঠিখনে কঢ়িয়াই আনিছিল। ৰুমু গাড়ীৰ তলত পৰি মৃত্যু হোৱাৰ বাতৰি। দুখ আৰু বেজাৰত মোৰ মনটো ভাৰাক্ৰান্ত হৈ পৰিছিল। তৎক্ষণাতে টেবুলৰ পৰা ৰুমুৰ সেই ৰঙীন ফটোকপি উলিয়াই ললো। মোৰ দুচকুৰে চকুলো বৈ আহিব ধৰিলে। মই মূৰটো টেবুলত গুজি চকুলো মচি আছিলো। এনেতে মইনুল, ৰেজাউলহঁত আহি মোক তেনে অৱস্থাত দেখা পাই আচৰিত হৈ সুধিব ধৰিলে আৰে কি হ'ল জেকিব? টেবুলৰ ওপৰত চিঠিখন দেখা পাই ৰেজাউলে একে উশাহতে পঢ়ি পেলালে। চিঠিখন পঢ়ি দুয়ো ব্যতিব্যস্ত হৈ মোক ৰুমুৰ বিষয়ে সুধিব ধৰিলে। ৰুমু কোন? কি হয় তোমাৰ? মই মুখেৰে নামাতি চকুলো মচি মচি ৰুমুৰ সেই ৰঙীন ফটো কপি সিহঁতলৈ আগবঢ়াই দিলো। মইনুলে ফটোখন চাই কলে যে, সাধাৰণ কুকুৰ এটাৰ কাৰণে আকৌ কান্দিব লাগেনে? হাঃ হাঃ হাঃ, ব'লা জেকিব চিনেমা চাবলৈ যাওঁ। পলমেই হ'ল।

******

# নিকৰুণ স্মৃতি

এম শ্বহৰ আলী
স্নাতক তৃতীয় বৰ্ষ

চিগাৰেটৰ ধোঁৱাখিনি কুণ্ডলী পকাই অনন্তত লীন হৈ যোৱাৰ দৰে মৃনালৰ মনৰ পৰা অতীত জীৱনৰ ঘটনাবোৰ কুণ্ডলী পকাই আঁতৰি গৈছিল। তাৰ মানস পটত অতি জীৱন্তভাৱে ধৰা দিছিল এখনি সুকোমল মুখ ছাঁয়া ছবিৰ দৰে। যাক জীৱন যাত্ৰাত সহযাত্ৰী হিচাবে পাবলৈ প্ৰয়াস কৰি এটা ডাঙৰ শূণ্যত পৰিণত হৈছিল। সেই গভীৰতম বেদনাৰ বিনিময়ত দুধাৰি তপত চকুলো বোৱাই দিয়াৰ বাদে আন একোৱেই হ'ব নোৱাৰিছিল। জীৱনৰ সূক্ষ্ম ঘটনাবোৰক লৈ মানুহ জীয়াই থাকিব পাৰে, কিন্তু যাৰ জীৱনৰ দুখোজ আগত মৃত্যু - সি জানো হৃদয় বীনাত কিবা ঝংকাৰ তুলিব পাৰে!

এয়া মৃনাল। আজি কান্দিছে। দুই চকুৰে দুধাৰি তপত লোতক বাগৰি আহিছে মৃনালৰ। মানে কান্দিবলৈ বাধ্য হৈছে।

মৌচুমী। তিনিটা বৰ্ণৰ এটি মায়াসনা নাম। কোনোবা অজান শিল্পীৰ তুলিকাত যেন বন্দী হোৱা এখনি স্থিৰ চিত্ৰ। ক্ষন্তেক সময় মৃনালে মৌচুমীজনীৰ মুখ মণ্ডল কল্পনা কৰি ল'লে। দেৱী দেৱী যেন লগা মৌচুমীৰ দুচকুত থকা নীলা খিনি যেন সাগৰৰ গভীৰতাত থকা যেন দুচামুচ হিম শীতল আৰু নিৰ্মল পানী। সঁচাই, মৃনালে যিদিনা প্ৰথমে মৌচুমীক লগ পাইছিল সেইদিনা সি কথাবোৰ ইমান গভীৰভাৱে লব পৰা নাছিল। সি কেৱল ভাৱিছিল মৃনাল আৰু মৌচুমী একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি।

কলেজত নাম লগোৱা মৃনালৰ এবছৰেই হ'ল। সহজ সৰল প্ৰকৃতিৰ মৃনালজন কোনো অদৰকাৰী কথা-বতৰা



পতা নাছিল। স্বভাৱত ভদ্ৰ লৰা জনৰ বন্ধু-বান্ধবীও খুব কম আছিল। কলেজত আহি ক্লাছ নকৰি আড্ডা দি থাকি সি ভাল পোৱা নাছিল। ইতিমধ্যে পিছৰ বছৰ কলেজৰ নৱাগত আদৰণি সভাৰ যো-জা চলি আছিল। সেই আদৰণি সভাত এটি সমবেত সংগীত পৰিবেশন কৰাৰ বাবে ৰিহাৰ্চেল চলি আছিল। সেইটো ৰিহাৰ্চেলত মৃনাল লৰাৰ দলত আৰু মৌচুমী ছোৱালীৰ দলত আছিল। গীত পৰিবেশন কৰি থকা সময়ত সিহঁতৰ দুয়োৰে চকুৱে চকুৱে প্ৰথম মিলন হ'ল। প্ৰথম দেখাতে মৃনাল আঁচৰিত হৈ গৈছিল- এজনী ছোৱালীনো ইমান ধুনীয়া হ'ব পাৰেনে। পৰিচয় বিনিময়ৰ অন্তত তাৰ ঘনিষ্ঠতা বাঢ়ি গৈছিল মৌচুমীৰ লগত। হাঁহি ধেমালিৰে নৱাগত আদৰণি সভাৰ প্ৰাণোচ্ছল দিন কেইটা ক'ব নোৱাৰাকৈয়ে পাৰ হৈ গৈছিল। অন্তৰত এবুকু সাগৰসম বেজাৰ লৈ মৃনাল সেইখন কলেজৰ পৰা মৌচুমীৰ পৰা বিদায় লৈ গুছি আহিছিল। ভাৱৰ ৰঙীন টুকুৰা-টুকুৰ সপোন খিনি মেলি দিছিল কোনোবা এখন গভীৰ সাগৰত। ৰিঙা লাগিছিল পোৱা আৰু নোপোৱাৰ দোমোজাত।

মৃনাল দা, চাব আক' চকুৰ আঁতৰ হলে মনৰো আঁতৰ হয়। ঠিকনাতো দিলোৱেই - ব্যস্ততাৰ মাজতো চিঠি এখন দিবলৈ নাপাহৰিব।

মৃনাল প্ৰায় আচৰিত হৈ গৈছিল। ইমানবোৰ মানুহৰ আগত মৌচুমীৰ কথা শুনি নিজকে অপৰাধী যেন বোধ কৰা মৃনালৰ মনটো চঞ্চল হৈ পৰিছিল। বিচাৰৰ ৰায় শুনিবলৈ সতৃষ্ণ নয়নেৰে বিচাৰকলৈ চাই থকা জেলৰ কয়দীৰ দৰেই মৃনালে মাথো চাই আছিল আকুল দৃষ্টিৰে মৌচুমীৰ মুখলৈ। অজানিতে কপালত বন্দী হোৱা বিন্দু বিন্দু ঘামৰ টোপাল বিলাক ৰুমালেৰে মোহাৰি মোহাৰি মৃনালে কৈছিল।

'চোৱা মৌচুমী,সকলো মানুহৰে মন একে নহয়। আজি তুমি ভবা কথা হয়তো মই নাভাবিবও পাৰো। মাত্ৰ মই তোমাক কথা দিলো আমাৰ এই বন্ধুত্ব চিৰদিন থাকিব।'

'মই তাকেই বিচাৰো। কেৱল আপুনি মোক ভুল নুবুজিব।' কথা কেইটা কলে মৌচুমীয়ে।

এজন অচিন ডেকাক এজনী গাভৰুৱে অতি সহজতে হৃদয়ংগম কৰিব পৰাটো তেনেই সহজ কথা নহয়। তাতে আক' ছোৱালী বিলাক অতি অল্পভাষী। কিন্তু এই পৃথিৱীতে এনে ছোৱালীও আছে যি নেকি আমেৰিকাৰ দৰে অতি উচ্চ ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি বিল ক্লিন্টনকো বশ কৰিছে। মৃনালে এবাৰ মৌচুমীক নয়নভৰি চাই ললে। মৌচুমীজনী সচায়ে বৰ ধুনীয়া। তেতিয়া মৌচুমীৰ কপালৰ আগত দুডালমান অলকাই ঢৌ খেলিছিল কোনোবা এচাটি দুষ্ট বতাহৰ প্ৰকোপত।

ভৰিৰ বুঢ়া আঙুলিৰে মাটি খুচৰি থকা মৌচুমীজনীৰ ওচৰত মৃনালে অজানিতে সেওঁ মানিব লগা হৈছিল। কজলা ৰঙৰ নেইল পালিছৰ ৰঙটোৰে সুন্দৰ আৰু পৰিপাটি ভাৱে জোঙা কৰি কাটি লোৱা নখ কেইটা ইমানেই সুন্দৰ লাগিছিল যেন সেই কেইটা কোনো তেজ মঙহৰ মানৱ দেহৰ অংগ নহয়। কোনোবা পৰীৰহে এছাটি কোমল মৃদু বতাহে উৰাই নিব ধৰা কিচ্ কিচীয়া চুলিটাৰি, তুলাৰ দৰেই কোমল মাখন বৰণৰ দেহাটো- এই সকলোবোৰ মৃনালৰ মানস পটত বাৰুকৈয়ে জীৱন্তভাৱে আমনি কৰিছিল।

ইমান লাৱনী আৰু চালে চকুৰোৱা মৌচুমীজনীক এৰি আহিবলগা হোৱাত মৃনালৰ অন্তৰাত্মা কান্দি উঠিছিল। তীব্ৰ গতিত বাছৰ লহৰে লহৰে মৃনালৰ মন প্ৰাণ দগ্ধ হৈ পৰিছিল এৰি অহা মৌচুমীৰ কথা ভাৱি। চালকৰ ঠিক পিছৰ আসনত বহি বাহিৰৰ ঘন সেইজীয়া ধাননী, পথাৰখন অপলক দৃষ্টিৰে চাই আহিছিল মৃনালে। এই সেউজীয়া ৰঙটো মৃনালৰ বৰ প্ৰিয়। সেই সেউজীয়া ৰঙৰ পোছাক পিন্ধিলে মৌচুমীজনীক বৰ ধুনীয়া লাগে। কিছুমান বেয়া লগা বস্তুও প্ৰিয়জনৰ কাষত দেখিলে অজানিতে ভাল লাগি উঠে। এনে কিছুমান বস্তু আছে যি আমাক নামাতে বা আমাৰ লগত কথা বতৰা নাপাতে বা আমাৰ ফালে কেতিয়াও নাচায় কিন্তু আমি ভাল পাওঁ প্ৰাণ ভৰি চাওঁ। আকাশৰ জোনটোৱে আমাৰ লগত কোনোদিনে কথা নাপাতে তথাপি আমি জোনটো চাওঁ, জোনটোক বৰ ভাল পাওঁ। আৰু যে ফুলবোৰ ফুলে পদুম, গোলাপ, তগৰ ৰজনীগন্ধা - সিহঁতে আমাৰ লগত কোনোদিনে কথা নাপাতে তথাপি আমি জানো এইফুলবোৰক নাচাও, ভাল নাপাও?

প্ৰথম চিনাকীতে ইজনে সিজনৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল যদিও মৃনালে কিন্তু প্ৰথমতে মতা নাছিল। নৱাগত আদৰণি সভা। ছাত্ৰ-ছাত্ৰীৰে ভৰি পৰিছে কলেজ চৌহদ। তাতে আক' উতনুৱা ডেকা। দুই চাৰিও নোহোৱা নহয়। কোনোবা লৰাই ছোৱালীৰ লগত কথা পাতিলে বিভিন্ন বিশেষণেৰে সম্বোধন কৰিবলৈ লাজ নকৰে কিছুমান মানুহে। মৃনালে এই শ্ৰেণীৰ পৰা নিজকে আতৰাই ৰাখিব বিচাৰে।

কেতিয়ানো আহি ঘৰ পালেহি তলকিবই নোৱাৰিলে মৃনালে। ভাৱত বিভোৰ হৈ অহা মৃনালে সম্বিত ঘূৰাই পালে যেতিয়া নৈশ আহাৰৰ ঘন্টা বাজি উঠিল। নাকে-মুখে দুগৰাহ মান ভাত গুজি মৃনাল উঠি আহিল।

হাতত কলম আৰু কাগজ তুলি ললে মৃনালে আৰু ভাৰাক্ৰান্ত মনক

সান্ত্বনা দিয়াৰ দুৰ্বাৰ হেঁপাহেৰে মৃনালে লিখি গ'ল-

'জানা, তোমাক এৰি আহি মই কেনে পৰিস্থিতিৰ সন্মূখীন হৈছিলোহি ঠিক তোমাক বুজাই কব নোৱাৰিম।, মানে বুজাবলৈ মোৰ ভাষা নাই। মোৰ প্ৰৱল ইচ্চা তোমাক নিতে নৱ নৱ ভংগিমাত চাৱলে। কাৰণ সিদিনা আদৰণি সভাত ভালেমান ছোৱালী দেখাৰ সুযোগ হৈছিল যদিও সেইবোৰৰলগত তোমাৰ এটা পাৰ্থক্য আছিল। মানে সেই বোৰতকৈ তুমি সকলো ক্ষেত্ৰতে বহু ধুনীয়া মৰম লগা আছিলা।

তোমাৰ নাকৰ ওপৰত জমা হোৱা বিন্দু বিন্দু টোপালবোৰ চাই মোৰ খুউব ভাল লাগিছিল। মোৰ এনে ভাব হৈছিল মই যেন হিমালয়ৰ বৰফে ঢকা সু-উচ্চ এভাৰেষ্ট শৃংগটোহে জয় কৰিলো। আজি মই কৈছো মৌচুমী তুমি অনন্যা, তুমি অপৰূপা।

এটা সময়ত ইতিৰেখা টানি সুন্দৰ খামত ভৰাই চিঠিখন কাৰোবাৰ হাতত প্ৰেৰণ কৰিছিল মৌচুমী জনীলৈ। সেইদিন ধৰি আজি পৰ্যন্ত দুয়োৰে মাজত চিঠিৰ আদান প্ৰদান হৈ আছে।

কলেজঁত তিনিটা বছৰ পাৰ হ'ল। ইতিমধ্যে মৃণালে কলাৰ স্নাতক হৈ কলেজৰ শিক্ষা সাং কৰিলে। মৌচুমীৰ চকুত যেন হেজাৰ ৰঙৰ কল্পনাবোৰ সমবেত হ'ব ধৰিলে। তাই যেন সপোন দেখিছে - ধুনীয়া ধৰিত্ৰীৰ সপোন য'ত আছে কেৱল মৃনাল আৰু মৌচুমী, মৌচুমী আৰু মৃনাল।

মৃনালে কলেজীয়া শিক্ষা সাং কৰি উচ্চ শিক্ষাৰ বাবে দূৰলৈ গুচি গ'ল। দূৰলৈ গুচি গৈ মৃনাল মানসিক ভাৱে ভাঙি পৰিছিল মৌচুমী জনীৰ বাবে। তাৰ পিছত নিজৰ মনক শান্ত্বনা দি মৃনালে নিজৰ অধ্যয়ন আৰম্ভ কৰিলে। কাৰণ মৃনালৰ দুৰ্বাৰ হেপাহ আছিল উচ্চ শিক্ষা লোৱাৰ। দূৰলৈ গুচি যোৱাৰ পিছতো সিহঁতৰ দুয়োৰে মাজত কিছুদিন যোগাযোগ ঠিকেই আছিল।

হঠাৎ এদিন মৃনাল বজ্ৰপাত পৰা মানুহৰ দৰে জঠৰ হৈ গ'ল। চাৰিওফালে ধুঁৱলী-কুঁৱলী দেখিলে। এনে এটা ঘটনা ঘটিব বুলি কোনো মুহূৰ্ততে ভবা নাছিল মৃনালে। সি আজি ক্লান্ত, ভাগৰুৱা, দিশহাৰা পথিক মৃনালে নিজকে বিশ্বাস কৰিব পৰা নাই। চোলাৰ তলৰ আচল মানুহজনক চিনা সচায়ে বৰ কঠিন।

এয়া, এই মুহূৰ্তত মৃনালে এখন জৰুৰী চিঠি পাইছে মৌচুমীৰ পৰা। 'মৃনাল দা, আপুনি আৰু মোলৈ ফোন নকৰিব, চিঠি নিদিব। কাৰণ আপোনাৰ আৰু মোৰ সম্পৰ্কৰ কথা ভায়েক ককায়েক সকলে গম পাই মোক অপমানিত কৰিলে। পৃথিৱী জীয়াই থাকে মানে মোৰ আৰু আপোনাৰ মৰম ভালপোৱাৰ অকৃত্ৰিম বান্ধোন জীয়াই থাকিব। দহজনে আপোনাক তিৰষ্কাৰ কৰা, অপমানিত কৰা মোৰ বাবে সহ্যৰ অতীত।

মৃনাল আজি নিজেই নিজৰ প্ৰিয়জনৰ পৰা বিচ্ছন্ন হৈ হতাশাত ভাগি পৰিল। বেদনাত মৃনালৰ হৃদয় দগ্ধ হৈ গ'ল। মৃনালে আজি চকুৰে অন্ধকাৰ দেখিছে। অবাঞ্চিতভাৱে মৃনালৰ জীৱনলৈ কম সময়ৰ ভিতৰতে প্ৰৱেশ কৰি অবাঞ্চিত ভাৱেই আতৰি যোৱা মৌচুমীৰ জীয়া স্মৃতিয়ে মৃনালৰ নৈতিক সৰল মনটোত গভীৰভাৱে ৰেখাপাত কৰিলে। তাঁতখন ববলৈ মেলিয়ে সূঁতাৰ আউল লগাৰ নিচিনাকৈ জীৱনৰ প্ৰথম পদক্ষেপতেই আউল লাগি যোৱা মৃনালে জীৱনৰ মাদকতা খিনি হেৰাই যোৱা যেন অনুভৱ কৰিলে।

পৃথিৱীলৈ তেতিয়া আউসীৰ ঘন ক'লা আন্ধাৰ নামি আহিছিল। পোহৰৰ অস্তিত্বক আন্ধাৰে গ্ৰাস কৰি শেষ কৰি দিয়াৰ দৰেই মৃনালৰ মনটোকো গ্ৰাস কৰি শেষ কৰি দিছিল মৌচুমীৰ নিকৰুণ স্মৃতিয়ে।

ঃঃঃঃঃ

# জীৱনৰ মায়া মোহো নাই

মহঃ হাছেন আলী
প্ৰাক্তন ছাত্ৰ

ফাগুন মহীয়া চঞ্চল বতাহজাকে নীলাক্ষীৰ গছৰ তল সাৰি গোটোৱা পাতবোৰ ছেদেলি-ভেদেলি কৰি থৈ গ'ল। অসম্ভৱ খং উঠিল নীলাক্ষীৰ বতাহ জাকৰ ওপৰত। তথাপি কি কৰিব, সাধ্যটো নাই বতাহজাকক বাধা দিবলৈ। জীৱনৰ পঞ্চাশটা বসন্ত গৰকা নীলাক্ষীয়ে জীৱনৰ প্ৰতিটো মুহূৰ্ততে পৰাজয় বৰণ কৰিব লগাত পৰিছে। আজি অত দিনে পুত্ৰৰ ঘৰৰ পৰা নিলগত থাকি কষ্টসাধ্য জীৱন কটোৱাটো তাইৰ অকনো অভিমান নাই; নাই কোনো খেদ। কিন্তু দূৰ সম্পৰ্কীয় আত্মীয়ৰ ঘৰত থাকিলেও মাজে সময়ে নিজৰ ল'ৰাটোক চাবলৈ দুৰ্বাৰ হেপাহ জাগে। নাতি-নাতিনীয়েকহঁতক প্ৰাণভৰি চুমাৰে ওপচাই দিবলৈ মন যায়। নীলাক্ষীয়ে সিদ্ধান্ত লয় মাত্ৰ এবাৰ গৈ আহিব পুত্ৰৰ ঘৰৰ পৰা। বাচিবই বা আৰু কিমান দিন!

চাৰিআলি চ'কত ৰখোৱা গাড়ীখনত হেচা-ঠেলাকৈ উঠি ললে নীলাক্ষীয়ে। মানুহৰে পৰিপূৰ্ণ গাড়ীখনত পৰুৱা এটা সোমাব পৰা ঠাইৰ অভাৱ। তথাপিও হেণ্ডীমেনৰ কাতৰ চিঞৰ আহক, আহক খালি আছে, আৰামত যাব পাৰিব। হেণ্ডীমেনৰ কথামতেই যিয়ে যেনেকৈ পাৰে উঠি লৈছে। কি কৰিব হেণ্ডীমেনকেই কি দোষ দিব। আজিকালি ভূৱা প্ৰতিশ্ৰুতিৰ দিন যে। অলপ সময় পিছতেই গাড়ী গন্তব্য মুখী হ'ল। ৰাস্তাঘাট খলা-বমা, একা-বেকা। গাড়ীখন কেতিয়াবা এই বাগৰো বাগৰো বুলি আকৌ পোন হৈ পৰে। নীলাক্ষীয়ে লক্ষ্য কৰিলে গাড়ীখনত ডেকা-গাভৰুৰ সংখ্যাই সৰহ। উৎকট গৰম, গাড়ীখন জোকাৰণি খোৱাৰ লগে লগে এজনৰ সৰ্ব অংগই আন এজনক আঘাট কৰে। ডেকাহঁতৰ গাততো ততেই নাই। ডেকা-গাভৰুহঁতে কাৰ জীৱনলৈ কিমান প্ৰেমিক-প্ৰেমিকা আনিব পাৰে সেই চিন্তা লৈয়ে ব্যস্ত। বয়সস্থ সকলে জীৱনত কি পালে কি নাপালে তাৰ লেখ জোখত ব্যস্ত। এৰা নীলাক্ষী। গাড়ীখনত উঠাৰ পৰাই নীলাক্ষীৰ অৱচেতন মনটোৱে অৱলীলাক্ৰমেই সাৰ পাই উঠিল। এক অব্যক্ত গধুৰ বেদনাই নীলাক্ষীক জোকাৰি গ'ল। তাইৰ মনটো উৰা মাৰিলে দূৰ অতীতলৈ, স্মৃতিৰ সঁজালৈ।

ঘৰৰ আৰ্থিক অৱস্থা স্বচ্ছল নোহোৱা বাবেই ওচৰৰে টাউনখনৰ পি.চি.অ' এটিত কাম কৰিছিল নীলাক্ষীয়ে। পঢ়া-শুনাৰ নামত প্ৰাথমিক স্কুলৰ ডেওনা পাৰ হোৱা নীলাক্ষীয়ে বিচাৰিছিল মনে মিলা মানুহ এজনৰ সৈতে বৈবাহিক সম্বন্ধ স্থাপন কৰি এখন সুখী সংসাৰ কৰাৰ। পিছে কালৰ কুটিল গতিত যৌৱনৰ আনন্দ, স্ফূৰ্তিৰ দিনবোৰত তাই পি.চি.অ'ৰ মালিক ৰাজেশৰ সৈতে প্ৰেমত পৰিছিল। ৰাজেশ অত্যন্ত ঐশ্বৰ্য বিভূতিৰ অধিকাৰী নহলেও তেওঁৰ যথেষ্ঠ শান্ত ধীৰ-স্থীৰ স্বভাৱটোৱে নীলাক্ষীক আকৰ্ষণ কৰিছিল। নীলাক্ষীয়ে সপোন দেখিছিল ৰাজেশৰ সৈতে সংসাৰ কৰিব পৰিলে তাই যথেষ্ট সুখী হ'ব। অৱশেষত দুয়োখন ঘৰৰ বুজাবুজিতে এদিন ৰাজেশ-নীলাক্ষীৰ স্বপ্নই বাস্তৱ ৰূপ পাইছিল। দুয়োৱে সাংসাৰিক জীৱনৰ এনাজৰীৰে ইজনে সিজনক বান্ধিছিল। অতদিনে সকলো ঠিকেই চলিছিল। ভগৱানেও হেনো সুখী মানুহক ঈৰ্ষা কৰে। বৈবাহিক জীৱনৰ তিনিটা বছৰ পিছতেই ৰাজেশে নীলাক্ষীৰ কোলাত এটি পুত্ৰ সন্তান এৰি থৈ সিপুৰীলৈ প্ৰস্থান কৰিছিল। তাৰ পিছতেই নীলাক্ষীৰ আৰম্ভ হৈছিল সংগ্ৰামী জীৱন। এপিনে নিজৰ জীৱন আনপিনে পুত্ৰৰ ভৱিষ্যতকলৈ এক কঠোৰ সংগ্ৰাম কৰিব লগাত পৰিছিল তাই। নিজৰ পুত্ৰক শিক্ষা-দীক্ষাৰে এজন প্ৰকৃত মানুহ হিচাবে গঢ়ি তোলোতে কিমান যে যমৰ যাতনা ভোগ কৰিব লগীয়া হৈছিল তাৰ কোনো হিচাপ নাই।

এদিন নীলাক্ষীৰ পুত্ৰ নবীনে বি.এ. পাছ কৰিছিল। চহৰৰে বিখ্যাত ব্যৱসায়ী অমৃত কাকতিয়ে অত্যন্ত মেধাৱী ছাত্ৰ নবীনক নিজৰ জোঁৱাই হিচাবে গ্ৰহণ কৰিছিল। কাকতিৰ দুহিতা তৃষাক বিয়া কৰোৱাৰ উপহাৰ হিচাবে নবীনে এটি কেৰাণী চাকৰি পাইছিল। তাৰ পিছত নবীন তৃষাৰ মধুৰ সাংসাৰিক জীৱনত নীলাক্ষী হৈ পৰিছিল এক গধুৰ বোজা। তৃযাই শাহুৱেক নীলাক্ষীক চকুৰ কুটা দাঁতৰ শূল বুলি গণ্য কৰিবলৈ আৰম্ভ কৰিছিল। নবীন ঘৰত থকাই নথকাই শাহু-বোৱাৰী সঘনাই কাজিয়াত লিপ্ত হৈছিল। তৃষা আছিল এখোপ চৰা। তাই ভাৱিছিল সিহঁতৰ এই সুখী সংসাৰত এই বুঢ়ী কোন কুটা। মাজতে আহি জঞ্জালখন কৰিছে। সৰু-সুৰা দুই চাৰিটা কাজিয়াই অৱলীলা ক্ৰমে ডাঙৰ ৰূপ ধৰিছিল।

ঃ চোৱা নবীন, তোমাৰ মাৰাৰ কৰ্ম কাণ্ডবোৰ। মোৰ কিন্তু মুঠেই পচন্দ হোৱা নাই। গাঁৱলীয়া বদ অভ্যাসবোৰে মোক বৰকৈ আমুৱাই ছে। তৃষাই বিযোদ্গাৰ প্ৰকাশ কৰে।

ঃ মাৰ বয়স হৈছেতো, এতিয়া অলপ তেনেকুৱা হ'বই। অলপ ধৈৰ্য ধৰিবলৈ চেষ্টা কৰিবাচোন। তুমিটো নাজানা মাই মোক কিমান কষ্ট কৰি পঢুৱাইছে। নহলে........।

ঃ অ' তাৰমানে তোমাৰ মাৰাৰ একো দোষ নাই? একদম সতী সাৱিত্ৰী। মোৰ দেউতাই চাকৰিটো লৈ নিদিয়া হলে মাক পুতেকৰ অৱস্থা ...........

ঃ বচ্ আৰু একো শুনাৰ ধৈৰ্য নাই মোৰ। বন্ধ কৰা তোমাৰ ডায়লগ। নবীন উত্তেজিত হৈ পৰে।

ঃ মানে চৱ দোষ মোৰ মোৰেই। ঠিক আছে মই ঘৰলৈ যাওগৈ। মিছাতে কিয় অশান্তিখন কৰিছো। তৃষাই কান্দোনৰ ভাওঁ ধৰে।

আজি কেইবাদিনে নবীন তৃষাৰ মাতবোল নাই। দুয়ো দুয়োকো এৰাই চলিলেই শান্তি পাব এনে এটি ভাবেই সিহঁতৰ মাজত মনৰ ব্যৱধান বঢ়াইছে। নবীনে লক্ষ্য কৰিছে তৃষাই তেওঁৰ ওপৰত থকা খং ভাবৰ পোটক ল'ৰা-ছোৱালীহালৰ ওপৰত উঠাইছে। আজি সন্ধিয়াওঁ কম পিটিলেনে বেচেৰাহঁতক। অৱশেষত খোৱা-বোৱা নকৰাকৈয়ে দুয়োটাই টোপনি গ'ল।

অকলশৰীয়া জীৱনটোক যেন নবীনে বেছিদিন জীয়াই ৰাখিব নোৱাৰিব। তৃষাৰ লগত কথা-বতৰা নপতাকৈ থাকিলেও তিল তিলকৈ সংসাৰখন ধ্বংসৰ মুখলৈ গতি কৰিব। ইপিনে যি দেখা গৈছে। তৃষাও নিজৰ মতত অটল। আচলতে মাৰ কিবা এটা হেস্ত-নেস্ত কৰিলেহে যেন অপদেৱতাৰ

কোপ দৃষ্টিৰ পৰা পৰিত্ৰাণ পোৱা যাব যেন লাগে। নবীনে অনুভৱ কৰিলে তাৰ এগিলাচ পানীৰ বৰ প্ৰয়োজন। সি এঙামুৰি এটা মাৰি তৃষা সাৰে আছে নে নাই তাৰ উমান ললে। সি গম পালে তাৰ দৰে তৃষাও সাৰে আছে। সি জেদ অভিমান কাতি কৰি তৃষাক মাত দিলে।

ঃ তৃষা। এগিলাচ পানীৰ বৰ প্ৰয়োজন হৈছিল।

ঃ মই দিব নোৱাৰো। মোকতো তোমাৰ দৰকাৰ নাই। তৃষাৰ আবেগভৰা কণ্ঠস্বৰ। তৃষা তুমি বুজিবলৈ চেষ্টা নকৰা কিয়? আমাৰ ভুলৰ বাবেই ল'ৰা-ছোৱালী হালৰ কি হ'ব।

ঃ মই একো নুবুজো। তোমাৰ মা এইখন ঘৰত থাকিলে মই নাথাকো আৰু মাৰৰ লগতেই যদি থাকিব বিচৰা তেন্তে মোক যেনেকুৱাকৈ আনিছিলা তেনেকুৱাকৈ থৈ আহা। তৃষাৰ স্পষ্ট কথা।

ঃ তোমাৰো যে আৰু। দুটা ল'ৰা-ছোৱালীৰ মাক জনীক এতিয়া মই বিয়াৰ আগৰ সাইলাখ অপেশ্বৰী যেন গাভৰুনো বনাও কেনেকৈ? তুমিও এক কাম কৰা মোক বিয়াৰ আগৰ সেই বাইশ বছৰীয়া ডেকা মানুহটো বনাই দিয়া যাতে আৰু এজনী চপাই লব পাৰো। নবীনে ধেমালিৰ সুৰত কৈ উঠে।

ঃ এতিয়া ধেমালি কৰাৰ সময় নহয়। আচল কথা এৰাই চলিলে হ'ব জানো?

ঃ তৃষা মিছাতে কিয় অভিমান কৰিছা। তোমাৰ সুখৰ কাৰণেই তোমাৰ দেউতাই সকলো সুবিধা কৰি দিছে আমাক। গতিকে তুমি যি ভাল দেখা কৰা। মা লাগে বেলেগ হৈ চলক। নবীনৰ কথাত তৃষাই কুটিল হাহি মাৰে।

নীলাক্ষীয়ে পুত্ৰৰ ঘৰৰ পৰা আহি সম্বন্ধীয় ভাই এজনৰ তাতে আশ্ৰিতা হিচাবে থাকি লোকৰ ঘৰত কাম কৰি পেট প্ৰৱৰ্তাইছে। তথাপি পুত্ৰৰ ওপৰত কোনো খং অভিমান নাই তাইৰ। তাই মাজে সময়ে দুৰ্ভগীয়া কপাল আৰু প্ৰচলিত সমাজ ব্যৱস্থাকে প্ৰধানকৈ জগৰীয়া কৰে।

গন্তব্য স্থানলৈ দুই কিল'মিটাৰ। গাড়ীখন নিজৰ গতিত নিজেই বিভোৰ, আত্ম মগন। হঠাৎ কাৰোবাৰ চিঞৰত নীলাক্ষীৰ তন্ময়তা ভাগিল আৰু সন্মুখলৈ দৃষ্টি নিক্ষেপ কৰিলে। গাড়ীখন ব্ৰেক ফেইল হৈ ওচৰৰে নদীৰ পিনে অগ্ৰসৰ হৈছে। যিয়ে যেনেকৈ পাৰে জপিয়াই ছে। নীলাক্ষীয়েও চেষ্টা কৰিলে... নাই নোৱাৰিলে। গাড়ীখন নদীত পৰাৰ এক ভয়ানক শব্দ হ'ল। যেন মৃত্যুৰ কৰাল গ্ৰাসত পৰাৰ শব্দ। তাৰ পিছত কোনেও একো কব নোৱাৰে।

হয়তো নীলাক্ষীয়েও।

::::::

# হিৰ'

মিচ্ মাহমুদা বেগম
স্নাতক প্ৰথম বৰ্ষ

চাৰি আলিৰ পুলিচ পইন্টটোৰ ওচৰ পাইছোহি হে; এনেতে মোৰ চকুত পৰিল বাছষ্টেণ্ডৰ ওচৰৰ ফুটপাথটোৰেদি চিনেমাৰ হিৰ'ৰ কায়দাৰে আহি থকা হেণ্ডচামটোলৈ। ছালমাকো দেখুৱালো। মোৰ তৎক্ষনাত মাইনীলৈ মনত পৰিল। আজি মাইনী থকা হলে বেছ জমিলহেঁতেন। মাইনীৰ হেণ্ডচামবোৰৰ প্ৰতি দুৰ্বলতা আছে। তাইৰ এই দুৰ্বলতাৰ এই সুযোগ লৈ আমি কিবোৰ যে তাইৰ লগত ধেমালি নকৰো। কলেজলৈ যাওঁতে ৰাস্তাত ধুনীয়া ল'ৰা দেখিলে মাইনীৰ লগত জোকাই গোটেই ৰাস্তাটো তাইক ব'ৰ্ব কৰি কেতিয়ানো কলেজ পাও ততেই ধৰিব নোৱাৰো।

ঃ অই ছালমা, আহিয়েই আছে ল'ৰাটো। আজি মাইনী থকা হ'লে ভাল লাগিল হেতেন। তাইৰ আকৌ আজিহে গা বেয়া হ'বলৈ পালে।

ঃ ভালেই হৈছে তাই নাই। তাইক আমি এটা চাৰপ্ৰাইজ দিব পাৰিম।

ছালমাই আকৌ হাঁহি এটা মাৰি মোক কলে। তাইৰ কথাত ময়ো সন্মত হলো। এতিয়া কথা হ'ল আমি তাইক চাৰপ্ৰাইজ দিম কেনেকৈ?

ঃ ছালমা, হিৰ'টো লোকেল যেনেই লাগিছে। গতিকে মাইনীক দেখুৱাব পৰা যাব। তাইক দেখুৱাৰ আগতে আমি তাৰ ৰূপৰ বৰ্ণনাৰ দ্বাৰা তাৰ প্ৰতি আকৰ্ষিত কৰি তাইক ব্যাকুল কৰি তুলিব পাৰো দেখোন। দুয়োজনীয়ে সেইবোৰকে আলোচনা কৰি কলেজ পালোহি।

পিছদিনা মাইনীয়ে গাটো অলপ ভাল পাইছে, সেয়ে কলেজলৈ সাজু হৈ আমাৰ কাৰণে বৈ আছে। তাইক দেখা মাত্ৰকে হিৰ'ৰ ছবিখন মোৰ মনত ভাঁহি উঠিল। ছালমায়ো মোৰফালে চাই হাঁহি এটা মাৰিলে। ত্ৰিমূৰ্ত্তি কলেজলৈ



খোজ ললো। মাইনীয়ে যোৱাকালিৰ ক্লাছ কেইটা হ'লনে নাই সুধিলে। অলপ দূৰ নীৰৱে গৈ আছো। ছালমাই মোক মাইনীয়ে নেদেখাকৈ চিকুট এটা মাৰি দি হিৰ'ৰ প্ৰসঙ্গটো উলিয়াব দিলে। ময়ো সাজু হলো হিৰ'ৰ প্ৰতি আকৰ্ষিত কৰিবৰ বাবে।

ঃ মাইনী কালি আমি চাৰিআলিৰ নতুন হিৰ' এটা দেখিলো। বেলেগ হেণ্ডচাম ভাই। তোৰ লগত যে ইমান ধুনীয়াকৈ মিলিব। মাইনীৰ মুখত এটি উজ্জ্বল আভাষ দেখা গ'ল।

ঃ বেগেতে কচোন দেখিবলৈ কেনেকুৱা? তাই ব্যাকুল হৈ সুধিলে।

ঃ ইচ্ নকবি ভাই ইমমান ধুনীয়া। তাৰ বডিকে চাবি নে হাইটটোকে চাবি, নে ৰঙকে চাবি; কি চাবি? একদম ছলমন খানৰ দৰে বডি। বগা ওখ পুমপুমৰ নিচিনা। সি আহিলে ৰাস্তাৰ মানুহে বাট এৰি দিয়ে। মই এনে নিখুঁটকৈ বৰ্ণনা কৰিলো যে তাই চাবলৈ ব্যাকুলহৈ পৰিল। অৱশ্যে হিৰ'ক তাই প্ৰায়ে দেখি থাকে কিন্তু ভালদৰে লক্ষ্য কৰা নাই।

তিনিওজনী গৈ আছো যদিও তিনিযোৰ চকুৱে আমাৰ হিৰ'ক আশে পাশে বিচাৰি ফুৰিছো। হঠাৎ মই দেখিলো আমাৰ বিপৰীত দিশৰ পৰা গহীন-গম্ভীৰ খোজেৰে হিৰ' আহি আছে। তাক দেখাৰ লগে লগে মোৰ ভিতৰি হাঁহি উঠি গ'ল। ছালমাকো ইংগিতেৰে দেখুৱালো। তাইৰো একে অৱস্থা। তাই সপোনতো ভবা নাই এইটোৱেই যে হিৰ'।

ঃ অই চা, সেইয়া হিৰ' আহি আছে, হিৰ' আহি ঠিক আমাৰ কাষ পাওঁতেই মই মাইনীক দেখুৱালো।

হিৰ'ক দেখা মাত্ৰকেই তাইৰ যেন মূৰৰ ওপৰত গোটেই আকাশ খন ভাগি পৰিল। ছালমা আৰু মই তাইৰ অৱস্থাটো এক পৰম তৃপ্তিৰে উপভোগ কৰিলোঁ।

ঃ তহঁতে মোক ইমান বুৰ্বক বনালিনে? মাইনী ক্ৰোধ আৰু হাঁহি মিহলি চাৱনিৰে আমালৈ চাই কলে।

ঃ আমি কোৱা কথা কেইটা তাৰ লগত তুলনা কৰি চাচোন মিল আছনে নাই? হাইট, বডি, ৰঙ আমি কোৱাৰ দৰে নহয়নে? আমাকটো তই সোধা নাছিলি হিৰ' দুঠেঙীয়া নে চাৰিঠেঙীয়া। মই তপৰাই কলো।

তাই হাঁহি হাঁহি মূৰটো দুপিয়ালে। আচলতে আমাৰ হিৰ' আছিল চাৰি আলিৰ সকলোৰে পৰিছিত ৰঙা ষাঁড় গৰুটো। ::::::

# মোৰ দৃষ্টিত প্ৰেম

মিচ্ জেছমিনা ইয়াছমিন
স্নাতক তৃতীয় বৰ্ষ

'প্ৰেম' প্ৰেম নামৰ এই শব্দটোত মাত্ৰ দুটা আখৰ আছে। যিয়ে যিকোনো মানুহক শিহৰণ তোলে আৰু য'তেই নাপাওক কিয় প্ৰেম নামৰ এই শব্দটো দেখিলে সকলোৱে এবাৰ হলেও পঢ়ি চাবই। মই সেই কাৰণে লিখিলো 'লিখনি আকাৰে' কাৰণ আজি মানুহ প্ৰেমৰ পিছে পিছে ঘূৰি আছে। বেজবৰুৱাদেৱে তেওঁৰ কবিতাত লিখিছে

'প্ৰেমত ঘূৰিছে ভূমণ্ডল
প্ৰেমত ফুলিছে শতদল।।'

প্ৰেম এক মিঠা শিহৰণ। যাক আমি অনুভৱ কৰিব পাৰো। হৃদয়ত আবেগৰ তোলপাৰ লগোৱা এক অনুভৱ; এক অনন্য অনুভূতি। প্ৰেমক ভয় কৰাৰ অৰ্থ হ'ল জীৱনক ভয় কৰা। প্ৰেমহীন জীৱন অৰ্থহীন। 'প্ৰেম শব্দৰ ব্যাপকতা বহুত। এহাল যুৱক-যুৱতীৰ মাজত ভাল লগাৰ সম্পৰ্কৰ লগত মাক-দেউতাক আৰু ল'ৰা-ছোৱালীৰ মাজত, আইতাক আৰু নাতিনীৰ মাজত ভালপোৱাৰ সম্পৰ্কৰ লগত পাৰ্থক্য নিশ্চয় আছে। প্ৰেম হৈছে অনাদি অনন্তৰ এটি যুগান্তকাৰী দুৰন্ত শব্দ। মই ইয়াত আজিৰ যুৱচামৰ প্ৰেমৰ কথা উল্লেখ কৰিছো।

এই জগতত আৰু জীৱনত মাত্ৰ দুটাই সত্য আছে। জীৱন আৰু মৃত্যু। প্ৰেম আৰু ঘৃণা। ইয়াৰ ভিতৰত প্ৰেমেই হৈছে শ্ৰেষ্ঠ। এই প্ৰেমবোধৰ তাড়নাতেই জগত সৃষ্টি কৰিছিল সৃষ্টিকৰ্তাই। নিজৰ অভিন্ন পৰমাত্মাক বিভক্ত কৰিছিল নাৰী আৰু পুৰুষলৈ। যিদিনা প্ৰেম নাথাকিব, সেইদিনা একমাত্ৰ সৃষ্টিকৰ্তাৰ বাহিৰে আৰু একো বাচি থাকিব নোৱাৰে। সেইদিনা স্বৰ্গ মৰ্ত্য ব্যাপি সৃষ্টিহীন এক মহাশূণ্যতাত নিৰ্গুণ নিৰাকাৰ স্ৰষ্টাই নিঃ সংগ বেদনাত কান্দি ফুৰিব।

প্ৰেমত যেনেদৰে সৃষ্টি আছে, ধ্বংসও আছে। প্ৰেম-প্ৰীতি, ভালপোৱা এয়া মানুহৰ চৰিত্ৰৰ অংগ। প্ৰেমত ত্যাগ আছে, প্ৰেমত আত্ম বলিদান আছে। সেই দৰে প্ৰেমত প্ৰতিশোধ আছে, অভিনয়ো আছে, প্ৰেমত প্ৰতাৰণাও আছে।

প্ৰেমে গঢ়ে, প্ৰেমে ভাঙেও। ঘৃণাৰ পৰা প্ৰেম হোৱাটো ভাল কথা কিন্তু প্ৰেম যেতিয়া ঘৃণাত পৰিণত হয় তেতিয়া সেই প্ৰেম হৈ পৰে সংহাৰকাৰী। সেয়েহে ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছে। 'প্ৰেমৰ আনন্দ ক্ষনস্থায়ী কিন্তু প্ৰেমৰ বেদনা স্থায়ী।

কিন্তু আজিকালি যি প্ৰেম দেখিছো সেইটো এটা ফেশ্বনহে মাত্ৰ। কোন লৰাই কিমান ছোৱালীক ভাল পাইছে যিয়ে বেছি ছোৱালীক ভাল পাব পাৰে সিহে আচল পুৰুষ আৰু যিয়ে কোনো ছোৱালীকভাল পাব পৰা নাই সি পুৰুষ নহয়, কাপুৰুষহে। এইবিলাক কথা কিছুমান লৰাই কৈথাকে। সেয়ে লৰা বিলাকে ছোৱালীক প্ৰেমৰ জালত পেলাবৰ কাৰণে হাতত মোবাইল ফোন আৰু বাইক লৈ ঘূৰি থাকে। বহুতো যুৱকে ভাৱে যে, হাতত মোবাইল ফোন আৰু বাইক থাকিলে ছোৱালীবোৰ প্ৰেমত পৰে। হয়, বহুতো যুৱতী এনেকৈ প্ৰেমত পৰা দেখাও যায়। কিন্তু কোনবিলাক? যিয়ে ভৱিষ্যতৰ কথা চিন্তা নকৰে। সিহঁতে ভাবে এনেকৈ আমাৰ জীৱন পাৰ হব। মানুহে মোবাইল ফোন বা বাইক কিয় লয়? প্ৰয়োজনৰ কাৰণে কিন্তু বৰ্তমান যুৱক সকলে ইয়াক ফেশ্বন হিচাবে ব্যৱহাৰ কৰি ছোৱালীবোৰক প্ৰেমৰ জালত পেলায় আৰু দুদিনৰ কাৰণে ভাল পাই পিছত এৰি দিয়ে। এইদৰে ই ফেশ্বনত পৰিণত হৈছে। ল'ৰা বিলাকে এজনী ছোৱালী বাদ দি বেলেগ এজনী ছোৱালীক ভাল পায় আৰু তাইক বাদ দি আৰু এজনীক এনেকৈ ছোৱালী সলাই থাকে যেনেকৈ গাৰ পৰা কাপোৰ সলায়। ঠিক তেনেকৈ ছোৱালী বিলাকে এজন লৰা বাদ দি আন এজন এনেকৈ লৰা সলাই থাকে।

সেয়ে এই প্ৰক্ৰিয়াত প্ৰেমৰ কিবা মূল্য আছে নেকি? প্ৰেম মানে যে বিশ্বাস এই কথাটো আজিৰ যুৱচামৰ ওপৰত ক'ত থাকিল। প্ৰেমৰ এই বিশ্বাস কোনোবা গহ্বৰত হেৰাই গৈছে। প্ৰকৃত প্ৰেম কাক কয় নিস্বাৰ্থ প্ৰেম? এই নিস্বাৰ্থ প্ৰেম আজিকালি পোৱাটো টান। যাৰ ফলত মোৰ দৃষ্টিত প্ৰেমৰ কোনো মূল্য নাই। সেয়ে মই কও প্ৰেমত যদি লাভ নাথাকে লাভ কৰি কিবা লাভ আছে নেকি। প্ৰেমে মানুহৰ পেট নভৰাই, থাকিবৰ কাৰণে ঘৰ নিদিয়ে, পিন্ধিবৰ কাৰণে কাপোৰ নিদিয়ে। প্ৰেম হ'ল দুয়োৰে বাবে যৌৱনৰ এক বিনোদনৰ বাহিৰে আন একো নহয়। নাৰী দেহৰ প্ৰতি এক জৈৱিক আসক্তি মাত্ৰ।

প্ৰেমক সমাজৰ মানুহে কেতিয়াও স্বীকৃতি নিদিয়ে। সমাজৰ মানুহে সদায় দুই প্ৰেমিক প্ৰেমিকাৰ মাজত দেৱাল হৈ থিয় দিয়ে। যাৰ ফলত প্ৰেম সফল নহয় আৰু ব্যৰ্থতাই চানি ধৰে আৰু তাতেই প্ৰেমৰ অন্ত পৰে। কিন্তু প্ৰেম তেতিয়াই সফল হয় যেতিয়া বিবাহ কাৰ্য সম্পন্ন হব আৰু তেতিয়াই প্ৰেম বৈধ বুলি মানি লব পাৰি যেতিয়া সমাজে তাক আকোঁৱালি ল'ব।

কিন্তু বৰ্তমানৰ প্ৰেম স্বাৰ্থহীন নহয়। আজিকালি প্ৰেমত স্বাৰ্থ থাকেই। কোনোৱে প্ৰতিশোধ লবৰ কাৰণে ভাল পায়, কোনোৱে ধনী ল'ৰা দেখি ছোৱালী বিলাকে নিজৰ প্ৰেমৰ জালত পেলায়। ঠিক সেইদৰে ল'ৰাবোৰে ধনীঘৰৰ ছোৱালী দেখিলে তাইৰ ঘৰৰ সম্পত্তিৰ আশাত প্ৰেমৰ জালত পেলায়। আৰু কিছুমানে জেদকৰি লৰাই হওক বা ছোৱালীয়েই হওক কাৰোবাক পৰাজিত কৰি নিজৰ বনায় আৰু কিছুমানে কাৰোবাৰ ঘৰৰ বদনাম ওলোৱাৰ কাৰণে সেই ঘৰৰ ছোৱালীক প্ৰেমৰ জালত পেলায়।

এতিয়া যিয়েই নহওক প্ৰেম সদায়...............

*****

# বতৰ

খন্দকাৰ দিলেৱাৰ হুচেইন
উচ্চ বৰ্গৰ সহায়ক

'ইলেকচনৰ বতৰ, ছিলেকচনৰ বতৰ, দলত যোগদানৰ বতৰ, এম. এল. এ খেলাৰ বতৰ, নমিনেচন দিয়াৰ বতৰ, ক্ষোভ উজৰাৰ বতৰ, সুযোগ লাভৰ বতৰ, বিনাকামে ধন ঘটাৰ বতৰ ধন হেৰুৱাৰ বতৰ, চৰকাৰৰ লগত ফেৰ মৰাৰ বতৰ, চৰকাৰৰ লগত হাত মিলোৱাৰ বতৰ, নাম প্ৰচাৰৰ বতৰ, হঠাৎ প্ৰেটিয়ট হোৱাৰ বতৰ, প্লেনৰ টিকট কটাৰ বতৰ, দিল্লীৰ অসম ভৱনত থকাৰ বতৰ, নিৰ্বাচনী কাৰ্যালয় লণ্ড-ভণ্ড কৰাৰ বতৰ, ভোট খোজাৰ বতৰ, দলে দলে জিন্দাবাদ-মুৰ্দাবাদ দিয়াৰ বতৰ, দলে দলে গৈ তোষামোদ কৰাৰ বতৰ, হায় হায় কৰাৰ বতৰ, হোলাৰ ভাই মোলায়ো যোগ্য উত্তৰ দিয়াৰ বতৰ, ভগৱানক সোঁৱৰাৰ বতৰ, ৰাইজক খুওৱাৰ বতৰ, প্ৰশেচশ্যনৰ বতৰ, অংকৰ বতৰ, ভোট দিয়াৰ বতৰ, ক'লগেট হাহি মৰাৰ বতৰ, কিন্তু জানেনে? এই বতৰ মাত্ৰ পোন্ধৰ দিনৰ।





# সময়

শ্বেখ হেদায়েতুল্লাহ
স্নাতক তৃতীয় বৰ্ষ

তাৰ হৃদয় যেন বৰ নিষ্ঠুৰ;
প্ৰতিটো পলতে এৰি দিয়ে
প্ৰবল ধুমুহা ব্ৰজ্ৰপাতেৰে ভৰা
এটি এটি নিৰ্ঘুম ৰাতি
ভাঙি দিয়ে মোৰ বুকুৰ,
চাৰিওটি কোঠালী।
কাঢ়ি লয় মোৰ, শুকান হাঁহিবোৰ
উপহাৰ দিয়ে বালিৰ ঘৰ;
যিটো তৎক্ষনাতেই
তিতি যায় মোৰ চকুলোৰে
পলকতেই সৃষ্টি হয়,
এখন বিশাল হ্ৰদ
কেতিয়াবা তাৰ হাঁহিত
ছুৰীবিদ্ধ হওঁ,
আকৌ যাও তাৰ ওচৰত
যদিহে পাওঁ অকনমান সহাঁৰি

*****

# মৰহা ফুলৰ সুবাস

মঃ ছিৰাজুল হক
স্নাতক তৃতীয় বৰ্ষ

মোৰ সোণালী দিনবোৰ,
তোমাৰ ভুৱা প্ৰেমৰ সজাত আবদ্ধ কৰি
কিয়ে হৃত কৰিলা মোৰ উৰ্বৰা হৃদয়,
জীৱনৰ মোল নুবুজা, হৃদয়ক মূল্য নিদিয়া
তুমি এক কঠিন শিলাখণ্ড।
এতিয়া তোমাৰ সেই ভুৱা প্ৰেমৰ পোছাকটো খুলি পেলোৱা।
সঁচা অৰ্থত....
প্ৰেম প্ৰহসন নহয়, প্ৰেম অভিনয় নহয়,
প্ৰেম এক স্বৰ্গীয় বস্তু।
চক্‌চকীয়া হলেই সোণ নহয়
এইয়া মোৰ উপলব্ধি;
পিছে, এতিয়া আকৌ মই জুয়ে পোৰা সোণ।
তুমি! তুমি বাৰু এতিয়া কিহত মগ্ন?
হয়তো সুখ শয্যাত?
আৰু মই !!
মই এতিয়া গভীৰ ৰাতি, বিনিদ্ৰ ৰজনীত
টুকুৰা টুকুৰ হৈ যোৱা হৃদয়খনিৰ পৰা
নিগৰি ওলোৱা কবিতাৰ লগত সহবাস।


*****

# সুখী

মঃ আবুল হাসেম
উঃ মাঃ প্ৰথম বৰ্ষ

সুখী হবলৈ হলে,
স্বাৰ্থ ত্যাগ কৰা।
লোভ, মোহ কাম ক্ৰোধ
শত্ৰু বুলি ধৰা।
সুখী হবলৈ হলে
বিদ্যা শিক্ষা লোৱা
এলাহ ভাগৰ টোপনি
আঁতৰ কৰি থোৱা।
সুখী হবলৈ হলে
সৎ চিন্তা কৰা
কু-চিন্তা, কু-কৰ্ম, নোহোৱা কৰি
সজ আচৰণ গঢ়ি লোৱা।
সুখী হবলৈ হলে
ব্যক্তিত্ব গঢ়ি লোৱা
উচ্চ-নীচ সকলোকে,
সমজ্ঞান কৰা।

*****



# আশা

আলাউদ্দিন আহমেদ
স্নাতক প্ৰথম বৰ্ষ

মানস পটত আছে সুপ্ত ক'ত যে আশা কুমুদিনী
হৃদয়ত যুগমীয়া হৈ থাকিবা কেৱল তুমি;
অতীতৰ স্মৃতিৰে স্বপ্নৰ লীলা ভূমি
তোমাৰ ছায়াতে লওঁ অনন্ত কাল জিৰণি

কত বাৰ যে সংগীত বাউলী হলো তোমাৰ কোলাত
বুকুত বান্ধি লৈ অতীতৰ করুণ স্মৃতি;
নিয়ৰৰ মুকুটা পিন্ধি ওলালো জীৱনৰ সংগ্ৰামী খেলাত
অস্ফূট ভাষাৰে নিভৃত এটি করুণ কাহিনী।

ওলাই অহা কথাটিও দিও বুকুৰ মাজত ঠেলি
চকুলোৰে আবৃত সেউজীয়া বননিত;
দুখবোৰ হৃদয়ৰ গভীৰ আৱৰণ ঠেলি মিচিকি হাঁহে
স্পষ্টকৈ ধৰা পৰে বেদনাৰ ছাঁ অজান গুণগুণনিত।

ধৰা দিয়ে কত যে আকুল স্মৃতি হৃদয়ৰ দাপোনত
জোনাকী জেউতীৰ সান্ধ্য পৰনত
আছে হেপাহ জীয়াই থকাৰ এটা নতুন প্ৰভাতৰ
যদি আঘাটেৰে জীৱনটো ক্ষত বিক্ষত।

গাথিছোঁ অনন্ত মালা কাল্পনিকতাৰে এই ক্ষুদ্ৰ জীৱনৰ
বুকুত লৈ ফুৰা অসীম ব্যথাৰ;
আধৰুৱা হৈ ৰোৱা কত কৰমৰ আশা আছে পূৰ্ণকৰণৰ
কল্পনা আশাই যে জীৱনৰ হাৰ
এই আশাৰ সৈতেই এদিন যাম মাৰ।

*****

# মোৰ প্ৰেয়সীৰ নাম স্মৃতি

মিচ্ ভাৰতী হালৈ
স্নাতক প্ৰথম বৰ্ষ

বুকখন বিষাই মোৰ
যেতিয়া তোমালৈ মনত পাৰে।
বুকুৰ কেঁচা তেজেৰে
লিখিছো তোমাৰ নাম
হৃদয়ৰ ড্ৰয়িং ৰুমত।
তুমি একোকে নকলা
মোৰ দুচকুৰে কয়
হৃদয়ৰ ভাষা
যদি তুমি বুজি পোৱা।
তোমাৰ দুষ্টামি হাঁহি
এতিয়া নেদেখা হ'লো
মোৰ এই নীৰৱতা দেখি
সন্ধিয়াৰ জোনতো সেমেকি আছে।
আহিবা জানো তুমি?
প্ৰেমৰ সুবাস দিৱলৈ
মোৰ কল্পনাৰ দলিচা
স্মৃতি হৈ ৰ'ব নেকি
তোমাৰ অপেক্ষাত?

::::

# বৃদ্ধ

খোৰশেদ জামান
স্নাতক প্ৰথম বৰ্ষ

তেওঁ এদিন শিলগুটিবোৰ ভক্ষন কৰিছিল
হাড়বোৰ দাতেৰে চোবাই গুড়ি কৰিছিল
প্ৰেমৰ গীত গাইছিল।
সেউজীয়া পাহাৰৰ ছবি অংকন কৰিছিল
সময়ক যেন তেওঁ ধৰি ৰাখিছিল দুহাতত
এতিয়া আৰু শিলবোৰ গুড়ি নহয়।
বসন্তৰ লগৰী কুলিটিয়েও
তেওঁৰ কানত তুলিব নোৱাৰে লহৰ।
স্মৃতিৰ দাপোনখন অতীততেই মচ খায়
একোটি উজাগৰে ৰজনী কটায়।

*****



# মনত পৰে

মৌ মঃ আব্দুল ওৱাজিদ
স্নাতক প্ৰথম বৰ্ষ

হেৰাই যোৱা মোৰ অতীতৰ স্মৃতি
মনত পৰে বাৰে বাৰে।
ইমান দিনে আছিলো পাহৰি
দুনাই মনত পৰে।।
কাৰণো ঘৰ কৰিছা শুৱনি
মৰমী গোলাপ ফুল।
ছিঙোতে কাইটে বিন্ধি দিছিল
সেয়েই পাহৰাৰ মূল।।
ফুলিছিলা তুমি হিয়াৰ বাগিছাত
হৈছিলো আত্মহাৰা
মৰহোতে পালো কিনো যাতনা
এবাৰ অনুভৱ কৰা
সংসাৰ মৰুত হাবাথুৰি খাম
আৰুনো কিমান দিন?
সকলো সৃষ্টি এৰি গুছি গ'লেও
মায়াওঁ হব যে লীন।।

*****



# অনুভৱৰ স্বৰ

আব্দুল হামিদ
স্নাতক দ্বিতীয় বৰ্ষ

মই বৰ দুখীয়া কবি
চোলাৰ জেপ কান্ধৰ মোনা
সদায় মালী।
ভঙা হৃদয়ৰ ৰাখি থওঁ
এটা সেউজীয়া কলম
ৰঙা বুকুখনত আলফুলে
সামৰি থও তুমি দিয়া জোনাকী মৰম।
আশা কৰিছিলো জীৱনৰ খলা বমা বাকৰিত
ৰ'দ আৰু ফুল ফুলিব
আশা কৰিছিলো জীৱনৰ প্ৰতিটো মুহূৰ্ত
প্ৰত্যয় আৰু প্ৰতিশ্ৰুতিৰে ভৰি পৰিব।
পিছে
নিৰাশাৰ ঢৌৱে উটুৱাই লৈ গ'ল
আশাৰ পাহাৰ, বুকুৰ সপোনবোৰৰ
ঘটিল সমাধি।
এতিয়া মোৰ ডেউকা আছে যদিও
উৰিবলৈ আকাশ নোহোৱাৰ দৰে
মাজে মাজে ভাৱ হয়
সৌৰৱণীয়েই যদি হ'লা
এৰিলা কিয়
এন্ধাৰেই যদি হলা
পোহৰ দিছিলা কিয়
নিৰাশেই যদি কৰিলা
আশা দিছিলা কিয়
এৰা এৰিয়েই যদি হলা
হাতত ধৰিছিলা কিয়
উঠিয়েই যদি গ'লা
কাষত বহিছিলা কিয়
নিসংগতাই যদি সংগী হয়
সংগ দিছিলা কিয়
বিশ্বাসঘাটকতাই যদি লক্ষ্য আছিল
বিশ্বাসী হৈছিলা কিয়
পিছে
জীয়াই থাকোনে মৰো
ভৱিষ্যতলৈ বাট চাও
তাতে যদি আচল শান্তিটো পাওঁ।

***

# অভিযাত্ৰী ১৫ আগষ্ট

মঃ জুৰান আলী
স্নাতক দ্বিতীয় বৰ্ষ


ধেমাজী জিলাৰ মৃত্যু কাণ্ড
২০০৪ চনৰ এটি ৰক্তাক্ত ৰাতিপুৱা
মেদিনী কপাই
বোমা বিস্ফোৰণ
শব্দ মাথো শুনা গ'ল
ঈশ্বৰ আল্লা ভগৱান
বীৰ জোৱানৰ সৈতে
মৃত্যু হ'ল অবোধ শিশুৰ
মাৰিব কাক?
মৰিল কোন?
লাভ হ'ল কাৰ আৰু কি?
আমি বুজিলো এতিয়া
১৫ আগষ্ট এটি শ্বহীদ দিৱস
নিষ্পাপ শিশুৰ
১৫ আগষ্ট এটি চৰকাৰী দিৱস
স্বাধীনতাৰ নহয়
পৰাধীনতাৰ।

*****

# আগবাঢ়ি যোৱা

মিজানুৰ ৰহমান
এল.ডি.এ.

আগবাঢ়া আজি আগবাঢ়ি যোৱা
যুগ যাত্ৰীৰ দল,
যুগৰ লগত আগবাঢ়িযোৱা
হৃদয়ত বান্ধি বল।
ভোগ বাসনাৰ নহয় জীৱন
জীৱন যুজঁৰ ঠাই,
বীৰৰ নিচিনা যুজিঁব লাগিব
সাহসেৰে আগুৱাই।
বুকুত তোমাৰ অসীম তৃষ্ণা
বিশ্ব জিনিব খোজা,
যদিহে বিজয় লভিব খুজিছা
তেন্তে যুজঁত যুজা।
দুখ বিপদত নহবা অধীৰ
নহ'বা সুখৰ দাস,
লাভত নহবা উতলা, ক্ষতিত
নলবা দীৰ্ঘশ্বাস।
লাভ লোকচান সুখ আৰু দুখ
ৰচা নিয়তিৰ নীতি
নাই নাই তাত মানুহৰ হাত
নাই মানুহৰ কীৰ্তি।
জয়ৰ গৌৰৱ নকৰা কদাপি
বাঢ়ে তাত অহংকাৰ
নহ'বা হতাশ হলে কেতিয়াবা
পৰাজয় আপোনাৰ।
দীনতা-হীনতা-নীচতা-ভীৰুতা
সৱাকো মোহাৰি থৈ,
উদ্দাম বেগেৰে যোৱা আগবাঢ়ি
নাথাকা অলস হৈ।
অতীতত ঘটা জয় পৰাজয়
সুখ-দুখ লাভ-ক্ষতি
ভৱিষ্য কালৰ সোনালী সপোন
য'ক কৰবাত উটি।
বৰ্তমানৰ সুৰতেই দিয়া
মিলাই তোমাৰ গান,
সমুখ ৰণত আগবাঢ়ি যোৱা
জগাই তোমাৰ প্ৰাণ।
তুমি অম্লান, তুমি অক্লান্ত
তুমি ৰথী তুমি বীৰ,
তুমি অকাতৰ তুমি অভ্ৰান্ত
চিৰ উন্নত শিৰ।
পিচলৈ নাচাবা থমকি ন'ৰবা
মাথো আগবাঢ়ি যোৱা,
তোমাৰ প্ৰাপ্য জগতৰ পৰা
অধিকাৰ কৰি লোৱা।
*****



# জীৱন

মিচ্ উম্মে হানিমা ইয়াছমিন
স্নাতক প্ৰথম বৰ্ষ

জীৱনৰ পাতনি মেলিলো
তোমাৰ বুকুত;
তুমিয়ে গঢ়ি তুলিলা
মানবী ৰূপত।।
ডাঙৰ হৈ আৰম্ভ হলো
বিশ্ব সংসাৰত;
লোভ মোহত বিলীন হলো
মায়া ৰজাৰত।।
কিনো পালো কিনো হেৰুৱালো
বিশ্ব ৰংগমঞ্চত;
কোনো কাৰো আপোন নহয়
কাৰো পৰ নহয়।।
ক'ত জনে ক'ত আশা
পুহিলে মনত;
কোনেনো কি পালে
মানৰ জীৱনত।।
কোনোৱা গৈছে কোনোবা আহিছে
বসুধা বুকুত
কোনোবাই মেলানি মাগিলে
প্ৰকৃতিৰ বুকুত।।
*****



# বিষাদ

মিচ্ মাজেদা বেগম
স্নাতক দ্বিতীয় বৰ্ষ

ভৰষা কৰিও হৈ ৰলো অবিশ্বাস্য
জীৱনৰ বাটত নিৰস্পন্দনহিত
বিশ্বাসহীনতাৰ বিষাদময় সাগৰত
কিয় উমি উমি জ্বলিছে জুই হৃদয়ৰ সজাঁত।

হেৰুৱাৰ বিষাক্ত বেদনা লৈ কলিজাত
আজি মই ভুগীছো বিষসনা নিৰাশাত
সমস্ত হেৰুৱালো কিবা পোৱাৰ আশাত
জিলিকি উঠিছে আজি ছানহানা হৃদয়ৰ সজাঁত।

ভালপোৱাহীন যাতনা সহাটো টান
আছে জানো কৰবাত যাতনাবিহীন জীৱন
সমস্ত দুখতে আছে মৃতপ্ৰায় জান
জীৱন জগতৰ আঁৰতচোন ৰহস্য গোপন।

গছৰ সেউজীয়া পাত জোকাৰিলে বতাহে
সেই বতাহত গা উঠে শিয়ৰি সূৰ্যৰ কিৰণ বিচাৰি
নিজেতো ডুবিলে মোকো ডুবালে ঠাণ্ডাৰ সাগৰত
যন্ত্ৰণাত নিৰৱে ওলাই আহে চকুলো নিগৰি হৃদয়ৰ

কোনেনো দিবহি আজি অকমান শান্ত্বনা
সকলোৰে জীৱন সংগ্ৰামত পোৱা নাই নিসাৎ
জগতৰ সমস্ততেই আছে কেৱল বিষসনা
সেয়ে সুখ বিচাৰি হাঁহাকাৰ মানৱভ্ৰিৱষ্ঠ

আজি আমি সমস্ত মানব জাতিয়ে
একে পথৰ যাত্ৰী; সুখ বিচাৰি
পাওঁ কেৱল বিষাদ এৰা বি ষা দ।
*****

# প্ৰেমৰ ঠাই

মঃ ৰেজাউল কৰিম
উঃ মাঃ প্ৰথম বৰ্ষ

তোমাৰ হৃদয় এখন বিশাল আকাশ
য'ত মোৰ সুখানুভূতিবোৰ বিচৰণ কৰে
তুমি নজনা ঠাইত।
তোমাৰ দুই ওঁঠৰ নিসৃত প্ৰত্যেকটো শব্দই
মোৰ কলিজাত প্ৰেমৰ স্পন্দন তোলে।
মোৰ জীৱন প্ৰেমৰ পথাৰত
তোমাৰ কবিতাবোৰে সেউজীয়া ছবি আঁকে।
তোমাৰ অকনমান উৎসাহে
বুকুত প্ৰশান্তি ঢালে।
প্ৰেম ইমান গভীৰ
প্ৰেম ইমান সেইজীয়া।
*****

# তোমাক ভালপাও বাবেই...

মিজানুৰ ৰহমান
স্নাতক দ্বিতীয় বৰ্ষ


তোমাক ভাল পাওঁ বাবেই হৃদয়ৰ বাগিচাত ৰোপন কৰো
প্ৰেমৰ ৰজনীগন্ধা।
ভালপোৱাৰ পৃথিৱীত খোজ পেলাও
তোমাৰ স'তে
তোমাক ভাল পাওঁ বাবেই তোমাৰ পৰা বিচাৰো
একাঁজলি মৰম
প্ৰতিটো দিনৰ প্ৰতিটো পলত
তোমাৰ কথাকেই ভাবো
তোমাক ভাল পাওঁ বাবেই জীৱনক ভাল পাওঁ
হৃদয়ৰ গভীৰতাৰে
সুখ দুখ বিনিময় কৰো
তোমাৰ সতে
তোমাক ভাল পাওঁ বাবেই মুখত ৰং সানো অভিমানৰ
বাট চাই ৰও তোমালৈ
তোমাক ভাল পাওঁ বাবেই হৃদয়ৰ দুৱাৰ খুলি দিও
তোমাৰ বাবে
জিৰাবানে আহি তুমি
মোৰ হৃদয়ত।
*****

# হৃদয়ৰ বতৰা

মিচ্ চুলতানা ৰেজিয়া
স্নাতক প্ৰথম বৰ্ষ

সুদূৰ বিদেশত তুমি থাকা,
নাজানো মই ঠাইৰ নাম
নুশুনো মই তোমাৰ হৃদয়ৰ গান।
কেতিয়াবা মই নিৰ্জন ঠাইত বহি
থাকো ভাবি তুমি বাৰু কেনে আছা?
মনত পৰেনে তোমাৰ, মোৰ কথা?
মোৰ মেই নেদেখা অন্তৰৰ
ভালপোৱাৰ কথা?
তোমাক চাবলৈ মোৰ বৰ
মন গৈছে জানানে?
এটা চৰাই উৰি উৰি আপোনজনক
যিদৰে বিচাৰি যায়
মোৰ মনটো যেন উৰি উৰি
তোমাৰ ওচৰলে গুচি যায়
কিন্তু ক'তা তোমাৰ দেখোন
কোনো খবৰেই নাই।
মনত আছেনে তোমাৰ সেই
সোণোৱালী শৈশৱৰ কথা,
বোকা মাটিৰ খেলা,
মই দুখ পালে তুমি চিঞৰি উঠা
কিন্তু হায়! আজি যে তুমি বহুত দূৰত
তোমাৰ অবিহনে মোৰ
হৃদয়খনে কেনেদৰে হাহাকাৰ
কৰি উঠে তুমি জানানে?
তথাপিও মোৰ বিশ্বাস তুমি আহিবা,
তুমি আহি মোৰ হৃদয় জুৰাবা
তোমাৰ মনৰ কথা কবা
আৰু ভৱিষ্যতে জীয়াই থকাৰ
প্ৰেৰণা দিবা।

*****



# অপৰাজেয়

ৰাহুল চৌধৰী
স্নাতক প্ৰথম বৰ্ষ

মাতৃৰ সুদা দেহত
পঞ্চামৃতৰ পম খেদি
হাবাথুৰি খোৱা এজাক
নঙঠা শিশু-
সিহঁতৰ হাতত নাই
বন্দুক, কামান, হিলৈ
নাই কোনো আধুনিক
মৰনাস্ত্ৰ!
তথাপিও সিহঁত অজেয়
কিয়?
গাঁৱৰ চুকত পঢ়াশালি
শিশুৰে নধৰা
মাটিকে ফলি বুলি
ভাগ্যক ধিয়াই
কি যে সভ্যতা!!!

*****

# ৰাতিপুৰা বনাম সন্ধিয়া

মিছ ইয়াছমিন মাপজুন নাহাৰ
স্নাতক তৃতীয় বৰ্ষ

জীৱনৰ ৰাতিপুৰাবোৰ
খুউব ধুনীয়া
শীতৰ কোমল ৰ'দ জাকৰ দৰে মিঠা
উদিত সুৰুযৰ ৰক্তিম আভাৰ মাজত
বিলীন হৈ যায়
মোৰ কল্পনা
ব্যস্ত হওঁ মই
ৰাতিপুৰা পাতৰ আগত জিলমিলোৱা
শুভ্ৰ নিয়ৰৰ টোপালটোৰ দৰে
কিন্তু
জীৱনৰ সন্ধিয়াবোৰ যেন
বুজিব নোৱাৰা
এটি অদ্ভুত সাঁথৰ।
উদিত সুৰুযৰ ৰক্তিম বহণো
হেৰাই যায়
ধূলি ধূসৰিত
পশ্চিমৰ বহল দিগন্তত
আৰু মই খহি পৰো
আকাশৰ নিষ্প্ৰয়োজনীয়
পপীয়া তৰাতোৰ দৰে।

*****



# কল্পনা

মামনি বিশ্বাস
স্নাতক দ্বিতীয় বৰ্ষ

কিমান যে কল্পনা আছিল মোৰ
অন্তৰত গাঁথি থৈছো সজাই।
কাকনো খুলি কম সকলো
মোৰ মনৰ আশাৰ শৰাই।।
কাকনো বুলিম আপোন এই জগতত
সকলোৰে হয় পৰ দুদিন পিছত
কাৰ কাৰণে জীয়াই এই জগতত থাকো
সকলোৰেই সাজে কেৱল স্বাৰ্থৰ সাঁকো
মনৰ আশা মনতেই লুকাই
হাহাকাৰ কৰি ফুৰো
জীৱনৰ আশা পূৰাব নোৱাৰি
পথভ্ৰষ্টৰ দৰে ঘূৰো।।
কৰিছিলো কল্পনা অসীম ভাবে
জগতত উপজি মই
সকলো আশাৰ কল্পনা মোৰ
কিয় জানো হ'ল ক্ষয়।
কি দোষ কৰিলো দয়াময়
কিনো কৰিলো ত্ৰুতি।
তোমাৰ মহিমাৰ দ্বাৰা যেন
নতুনকৈ সজাব পাৰো মোৰ
আশাৰ ভূমি।।

*****

# স্মৃতি

মোঃ দুলাল নবী আজাদ
স্নাতক তৃতীয় বৰ্ষ

জোকাৰি দিওতেই সৰি পৰিল
লাগি অহা ধূলি বালি
পেন্ট-চাৰ্টত
সুগন্ধি চাবোনে আঁতৰালে
দেহৰ মলি
দুটোপাল চেম্পুৱে
চুলিত মিহলি হৈ থকা উফি
ধুই দি ভাল কোম্পানীৰ এটা ৰং ঘঁহি
সকলো নতুন নতুন লগা
হৃদয়তো ঢালিলো পানী
আৰু দিলো নতুন মাটি
পোৱা ঘৰৰ আগত ছাই গুছিল
থাকিল মাথোন আকাশত ধোঁৱা উৰি
সকলো বস্তু নতুন হ'ব এতিয়া
তুমি নাথাকিলেও জীৱন হ'ব সেউজীয়া।

*****



# বৰষুণ

মিচ্ চাহান্না মুৰ্চিদা বেগম
স্নাতক প্ৰথম বৰ্ষ

এজাক বৰষুণ আহক
যিজাক বৰষুণে
ধুই লৈ যাওঁক
মানুহৰ মনৰ কলুষতা
মানুহৰ মনবোৰ হওঁক
জাতিভেদ মুক্ত, হিংসা মুক্ত
এজাক বৰষুণ আহক
হিংস্ৰ পাশৱিক গুণবোৰ
মানুহৰ মনৰ পৰা নিয়ক
নিয়ক আতৰাই
বহু বহু দূৰলৈ
মানুহৰ মনবোৰ হওঁক
পবিত্ৰ নিৰ্মল স্ফটিকৰ দৰে
এজাক বৰষুণ আহক
গোটেই পৃথিৱীতে
শান্তি বিয়পাই দিবলৈ
একতাৰ ভাব স্থাপন কৰিবলৈ
শোষণতাৰ বিনাশ কৰিবলৈ।
এজাক বৰষুণ আহক
গোটেই পৃথিৱীৰ মানুহক
জুৰুলি-জুপুৰি কৰিবলৈ
পথভ্ৰষ্ট জনগণক পুণৰ
অহিংসা পথেৰে ঘূৰাই আনিবলৈ।

*****

## বেদনাসিক্ত হৃদয়

মাহমুদ হাচান আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

অন্তৰৰ এটি কোণত চিৰকাল বাজি ৰ'ল
দুখে ভৰা জীৱনৰ মোৰ দুখৰ বাজনা;
মৰমৰ মায়াজাল আৱৰি ৰাখি ৰাখি
কৰিলে মোক আজি যে ছলনা।
এধানি মৰম মাথোঁ বুকুৰ মাজত লৈ
ৰচিছিলোঁ জীৱনৰ বহুতো ৰঙীন সপোন;
বহুদিন বহুৰাত্ৰি তোমাৰ কথাকে লৈ লৈ
পাইছিলোঁ জীৱনৰ সুখৰ মিলনৰ গান।
কিন্তু মনৰ মাজত গঢ়া সপোনৰ ৰূপৰেখাই
কৰিলে হৃদয় মোৰ চূৰ্ণ-বিচূৰ্ণ;
কালৰ নিষ্ঠুৰ গতিত মন মোৰ সুদা কৰি
ললা তুমি আঁকোৱালি নতুন হৃদয়।
তোমাৰ মহিমা বুজিবই নোৱাৰিলোঁ মই
ৰ'লো মই এটি বিশাল বিষৰ সাগৰত ;
দুখ ভৰা জীৱনত দুখৰ চকুলো মচি-মচি
মই আজি অতিকৈ হতাশ।
ভাষা নাই আজি মোৰ বুজাই দিবলৈ তোমাক
আছে মাথোঁ চাৰিও দিশে বিষাদৰ জুই - জুই।

*****

## অপেক্ষা

মোঃ নুৰমাহাম্মদ
স্নাতক দ্বিতীয় বৰ্ষ

তুমি কি জানা
কিমান যন্ত্ৰনাৰে ভৰা মোৰ হৃদয়,
এখনি তৃষ্ণা হৃদয় লৈ
আছো তোমাৰ অপেক্ষাত বৈ
আকৌ আহিবানে তুমি
মনত পৰেনে তোমাৰ
অতীতৰ ৰঙীন সপোনবোৰ
মনত আছেনে তোমাৰ
কথা যে দিছিলা মোক
সেই আশা লৈয়ে
জীয়াই আছো মই
এখনি তৃষ্ণা হৃদয়েৰে
অকলশৰীয়া মই এই পৃথিৱীত
আছো তোমাৰ অপেক্ষাত বৈ
আহিবানে তুমি মোৰ কাষলৈ
মৰম যাচিবলৈ।
ভাবিছো মই এই তৃষ্ণা মনে
তুমি আছানে আগৰজনে
আকৌ ধ্বনি কৰি তোমাক মই
আছো তোমাৰ অপেক্ষাত বৈ।

*****

## ভালপোৱাৰ জীৱন


মঃ মণিৰউদ্দিন আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ



মই মোৰ বক্তাক্ত হৃদয়
ইতিমধ্যে অৰ্পণ কৰিছো জীৱনক
কিন্তু জীৱনে মোক দিছে কি?
মোৰ সপোন বোৰ
মোৰ বাবে হৈ পৰিছে-গৰল
আৰু মোৰ কল্পনাবোৰ?
মোক খুলি খুলি খাইছে
মোৰেই কল্পনাবোৰে।
সময়ে এতিয়া মোৰ সহ্যশক্তি
কাঢ়ি লৈ গৈছে
দুখৰ সামান্য আঘাটতো
কপি কপি উঠে মোৰ হৃদয়
প্ৰতিটো আঘাটতে মোৰ মন হৈ পৰে
অতি কাতৰ
ওঁঠত হাহিৰ চিক্ মিক্ থাকিলেও
চকুৰ ভিতৰত থাকে মহা প্লাৱন
মোৰ জীৱন
যেন দুখৰ সমাহাৰ।

*****





## এদিন

মঃ ফজলুল কৰিম আহমেদ
উঃ মাঃ দ্বিতীয় বৰ্ষ

ব্ৰহ্মপুত্ৰও শুকাই যাব এদিন
বালিৰে আলি ভেটি তেতিয়া
লাগিব যেতিয়া নদীৰো পিয়াহ
মানুহৰ মৰমো এদিন মৰমহীন হব।
ভোকাতুৰ হৈ কান্দিব তেতিয়া
কোলাত লোৱা শিশুটিয়েও।
পৃথিৱীখন যেতিয়া পোহৰহীন হব
প্ৰকৃতিতো নামিব তেতিয়া অন্ধকাৰ।
আকাশখন এদিন তৰাহীন হৈ পৰিব
তেতিয়া লাগিব আকাশখন ক'লা ছাটিৰ দৰে
নাথাকিব তাৰ উজ্জ্বলতা
বতাহো এদিন নিস্তব্ধ হ'ব
যেতিয়া তায়ো এদিন নিঃশ্বাসৰ বাবে অৱশ হৈ পৰিব।
ঘটিব তেতিয়া সকলোৰে দেহ অৱশহীন
এদিনীয়া জুৱনি পানীৰ দৰে শুকাই যাবাগৈ
এদিন হঠাতে বৈ।
ঠিক তেনেকৈ এৰি থৈ যাবগৈ লাগিব এদিন
এই মৰম এই চেনেহ আলিঙ্গন এৰি
এই সংসাৰৰ পৰা একো একোজনকৈ
নাথাকিব তেতিয়া নিজৰ বুলিবলৈকো
আপোন পৰ।

*****

## আমাৰ মহাবিদ্যালয়

মোঃ আব্দুল জলিল
স্নাতক প্ৰথম বৰ্ষ

সমন্বয়ৰ মিলন ভূমিত
আমাৰ এই কলেজ
ছাবিছ বছৰ বয়স;
বহু প্ৰতিশ্ৰুতিৰে ভৰা
আমাৰ এই কলেজ
যেন শান্তিৰ আলয়।
মিলনতীৰ্থ
এই খাৰুপেটীয়া নগৰীত
ৰাইজৰ এই অৱদান
ৰাখিব লাগিব সু-উচ্চ সুনাম
নৱ জন্মৰ নৱ প্ৰভাতৰ
নৱ নৱ অৱদান
আমাৰ এই কলেজ
মহান হওঁক
সকলোৰে মনৰ মাজত;
কলেজৰ সুগন্ধি
বিয়পি পৰক
বিশ্বৰ মাজত।

*****

## খাৰুপেটীয়া মহাবিদ্যালয়

মিছ আবিদা বেগম চৌধুৰী
স্নাতক দ্বিতীয় বৰ্ষ

খাৰুপেটীয়া মহাবিদ্যালয়
তুমি জ্ঞানৰ আলয়
তোমাৰ বুকুত সহস্ৰজনে কৰে
পোহৰ সন্ধান
অনেকৰে হেপাহৰ স্বপ্নবোৰ
তুমিয়েই আগুৱাই নিয়া
সফলতাৰ দিশলৈ।
তোমাৰ আদৰ্শই প্ৰেৰণা দিয়ে
অন্যায় অবিচাৰৰ বিৰুদ্ধে
প্ৰতিবাদ কৰি যাবলৈ।
হে খাৰুপেটীয়া মহাবিদ্যালয়
অনাগত দিনবোৰত
উজ্জ্বল স্তম্ভ হৈ
আগুৱাই নিয়া তোমাৰ জয়যাত্ৰা।

*****

# आदमी

महः आमिरुल इसलाम
स्नातक तृतीय बर्ष

बना हुआ है आदमी एक दूसरे के खुन का प्यासा,
बना हुआ है आदमी एक दुसरे के राह का काढाँ
मैं जिधर से भी गुजरा कोई रोता हुआ मिला
मैनें जहौ भी भोड़कर देखा कोई लड़ता झगरता मिला।
धन-दौलत, जात-पात के लिये मैने कईयों को लड़ते देखा।
रोटी के लिए जब मैने जानवर की तरह आदमी को लड़ते देखा,
देख मैं रोया, मन मेरा घबराया और मुझे विचार आया,
सब प्राणियों मे श्रेष्ट आदमी क्या ईतना लाचार हो गया
कि आपस से खुन खाराबा करता है, एक रोटी के लिये तरसता है।
धर्म के नाम पर पैसे खर्च करनेवाले यहाँ बहुत है
पर किसी भुखे को रोटी खिलाने वाला यहा बहुत कम है।
सरकार के भरोसे गरीबी दूर करने से नही होगा काम
क्योकिं इनको दिखाइ देते है दाम।
अमीर और मध्यमवर्ग के लोग'हर्ष' अपने आपसे है अनजान,
आधुनिकता की होर मे अपनी से ही बिछर गया इनसान।
सोचो आनेवाले समय में क्या होगा हमारा हाल
क्या होगा आनेवाली समय में मिलनसार
हे मानव ! अब भी संभलों नही तो होगा बुरा हाल॥
****

# दोस्त

मिच.दुलाली बेगम
स्नातक तृतीय बर्ष

दोस्त से बढकर न कोई रिस्ता,
दोस्त ही है जो बन सकता फरिस्ता।
दोस्त से बढकर न कोई अपना,
सभी देखते दोस्त का सपना।
अगर दोस्त कही चला जाय,
तो उचके बिना कुछ भी न भाय।
दोस्त ही है वो जिससें कर सकते,
बयान सभी दुख-दर्द के किस्से।
दोस्त खुदा है दोस्त खुदाई,
नही कर सकते ऊसकी जुदाई।
दोस्त आखिर दोस्त का ही होता है,
एक दुजे के सुख दुख में हसता रोता है।
****

# जीवन क्या है

कबिता सुराना
स्नातक तृतीय बर्ष

जीवन एक स्वर्गीय सौन्दर्य है, उपासना करें
जीवन एक चुनौती है, इसे हिम्मत से सामना करें
जीवन एक उपहार है, इसे हृदय से स्वीकारें
जीवन एक संघर्षपुर्ण खोज है, इसमे झुसते रहें
जीवन एक दुख का दरिया है, आओ ईसे खुसी से पार करें
जीवन एक क्लेषपूर्ण विषाद है, आओ ईसे हंसते हुए झेलें
जीवन एक कर्तव्य है, आओ इसे मन से पुरा करें
जीवन एक अनोखा खेल है, आओ ईसे हिलमिल खेलें
जीवन एक आश्वर्य कूतुहल है, आओ इसे समझें
जीवन एक कर्णप्रिय संगीत है, आओ ईसे स्वर मे गायें
जीवन एक सुनहरा अवसर है, आओ ईसे हासिल करें
जीवन एक संघर्ष भरा वायदा है, आओ इसे निभायें
जीवन एक विमुद आत्मा है, आओ ईसकी अनुभूति करें
जीवन एक युद्ध है, आओ हम सब साहस से लड़े
जीवन एक मधुर प्यार है, आओ इसे चुम लें
जीवन एक पहेली है, आओ इसे सुलझायें॥
****





# Lost Love

**Miss Nazmin Sultana**
**B.A. Part-I**

I am lost
I am lost in the crowd
Today,
Help me please!
Who will help me?
To find my love again
To meet my love again
To see my love again
I don't know where I am going
But I know I am going
Till I get her
You can call me fool, you can call
Me crazy
Yes, I am fool
In your love
Yes, I am crazy
For your love.
I am coming
Please don't close the door
Of your heart
I want to come inside you
I want to feel you
So that I can realise you...



## Good Time

**Chandrabhusan Singh**
**B.A. Part-I**

There's a good time coming, boys
A good time coming;
The pen shall supersede the sword
And right, not might, shall be the lord.
In the good time coming;
Worth, not birth, Shall rule mankind,
And be acknowledged stronger
The proper impulse has been given
Wait a little longer.

## As I See the Sea Waves

**Mahmud Hasan Ah**
**B.A. Pa**

As I see the sea waves
I remember those golden days.
We spent together
The way you laughed,
The way you talked,
The way you listened to
My foolish talks,
Are still alive in my memory
As I see the Sea waves,
I remember that black day
of our life.
The way you were taken away
From my life
By those disguised men
Who don't understand love
But you are still alive in my heart
As I see the sea waves.





## Love


**Beauty Sabana**
**B.A. Part-II**

The friend whom I like the best
He is just a shadow of my face
My face is reflected in his eyes
Likewise his face is seen in my eyes
He is with a kind heart
Who is no more in my life
I am weeping over his loss
Our natural love can neither decrease
Nor decline, nor come to an end
He is immortal gift of my life
Which is very pure and everlasting .




## A True Friend

**Amirul Islam**
**B.A. Part-III**



Along life's road, I found a friend.
Who brought me joys untold.
A happiness to fill my heart
More valuable than diamond.
A dream of bigger things to Come
A friend, a faith, a smile and a love.
Along lifes road, I found them all
Into my life you bring new values
You are a great friend and that's no lie
Hope you are my friend till the day I die.
You are bad, you are cool
You are just my type...
And I am not rapine
A bunch of type
So always stay just like you are
You are my best friend
In the world by far.



## It Is A Girls' World

**Kabita Surana**
**B.A. Part-III**

If a girl laughs, she is jolly.
If a man laughs, he is mannerless.
If a girl talks too much, she is witty.
If man talks too much, he is chatterbox.
If a girl looks at a man, she is aluring.
If a man looks at a girl, he is staring.
If a girl loves silence, she is serious
If a man loves silence, he is dull.
If a girl wears a unique dress,
Its fashion.
If a man wears a unique dress.
He is a joker.
If a girl moves together, it is a company.
If a man moves together, It is a gang.

# Reality

K.A. Sayed Ansary
B.A. Part-I



Oh, the mankind, best of the creatures,
It's your matter either care or differ,
But remember
No one remains alive forever.
You the human beings
With your little learnings,
How dare to put your logic
On the divine and religious topic.
Have you ever thought the real thoughts?
Your life, materials and material comfort,
Or your throne, Crown and position
All these are your tension
You can do any deeds.
To meet your worldly needs.
If you want to live peacefully
You have to go on carefully.
Don't spend the life aimlessly,
Try must to satisfy your A lmighty.

## Betrothed Damsel

Sahajamal Ansary
Ex. Student

She approaches with fuchsia
Full grown and full fledged.
Engrossing in lush dream
Comely furling her wings
Fuddled with pseudo frangrant,
Had I said, "I love thee true".
The virgin grasped sensually
Steering me to her proximity.
But stepped there pernicious wind
Afflicted my innocent heart
Shattering all lively dream
Blown her away to betray else!



******



# There are more things in heaven and earth

Parimal kumar Dutta
Lecturer, Deptt. of Sanskrit, M.A.(Double) M.Ed.

'There are more things in heaven,
and earth, Horatio.
Than are dreamt of in your philosophy'
- Hamlet.
(W. shakeapeare)

The bride-groom's party reached the venue of the wedding ceremony in the bride's house in the evening. Conchs were blown, Drums were played. ulus (sound uttered by women on festive occasions) were heard. Marriage songs were sung. Flowers were showered. Girls and ladies surrounded the bride-groom and made jokes. All the attendants of the bride-groom were warmly received and served sweets. The news of the poet's arrival with the bride-groom spread rapidly. The poet was the main attractive-figure in the marriage pandel. All the guestsgazed at the poet. But the poet stared at a mysterious person with amazement. He was struck by the divine appearance of that person who was seated at the corner of the pandel. The poet felt an immediate attraction to him. He kept staring at the man as if the man had a magnetic attraction. He thought of being introduced with the man. He felt that, for the first time in his ife, he was encountering someone who was the very embodiment of the holy.

'Who is that man?'

The poet asked a local poet.

'He is Yogivara Barada Charan Mazumder. He is the Head master of Lalgola High School,' replied the local poet.

'His radiant face and glittering eyes don't indicate that he is only a Head master,' doubted the poet.

"You are right, He is one of the greatest yogins in India. He is a house holder-cum-ascetic. His miraculous power attracts hundreds and hundreds of people everyday. He is the most revered person in this district," informed the local poet.

'I must talk to him.............I must talk to him.' the poet said to himself.

The poet was Kazi Nazrul Islam. He was born in1899 at the village of Churulia in the district of Burdwan in Bengal (Now west Bengal). His father was devoutly pious. He served in a village Mosque. His mother promised an offering to Goddess Tara (another form of mother Kali) in Tarapith for a worthy son before Nazrul's birth. Kazi Nazrul Islam

was born with the blessings of Goddess Tara. He was known as Tara Khyapa and Dukhu Mian. He wrote a large number of devotional songs addressed to mother Kali, sitting in the temple of GoddessTara. Kazi Nazrul Islam's name shines brightly in the history of Shakta literature in India. Since his childhood he had to struggle against poverty and communalism. He served in a Lato-Party (A village musical the atre party), in a train guard's house. in a bakery and in army. But his astonishing poetic genious compelled Kaviguru Rabindra Nath Tagore to remark.

'Nazrul, you will surely suspass me. I am captivated by your talent. My blessings are with you. You will brighten the whole world.'

He was called the rebellious poet of Bengal. Enchanted by his writings Netaji Subhash Chandra Bose appreciated thus - 'The Influance of Nazrul's writing is immense.'

Nazrul was a symbole of Hindu-Muslim unity. He was married to Pramila Sengupta. Nazrul used to read The Koran, The Gita, The Chandi and the Upanishads regularly.

Nazrul-Pramila's first son Krisna Mahammad died prematurely. His other three sons were Arindam Khaled, Kazi Sabyasachi and Kazi Aniruddha. His second son Arindam khaled also died at the aget four. His nick name was Bulbul. Bulbul had astonishing retentive faculty. He was child of retentive memory. He could recite almost all the poems and songs of Nazrul. He was the eyeball of Nazrul. After Bulbul's premature death. Nazrul went from one place to another place in search of Tantriks, Fakirs, Aghorisand supermen who could show him Bulbul. His prayer was to see Bulbul again. All answered that it was not possible. Just at that moment he met Barada Charan in a wedding pandel.

Barada Charan was an incarnation of Siva. He was the spritual guide of Netaji Subhash Chandra Bose. On the eve of Netaji's disappearance from India, Netaji met Barada Charan in Calcutta (Now Kolkata). It was their last meeting. It lasted fora few hours. Barada Charan revealed his past and unfolded his future before him by his Yogic power.

Nazrul was introduced by Barada Charan in that marriege pandel. Barada Charan Immidiately welcomed him with loving smile signifying total acceptance.

'Do dead person become alive and are seen with naked eyes?' asked Kazi.

'Yes', answered the Yogi and cast a glance at Nazrul. It seemed to the poet that Barada Charan coud see into the innermost recesses of his mind.

'I want to see my Bulbul who died a few months ago. Can you show me my Bulbul?' eagerly asked Kazi.

'Yes, I can. You can see your Bulbul-living Bulbul," assured Yogi.

'How?' Kazi enquired.

'By following my instruction,' Yogi disclosed.

'Please give me instruction', Kazi requested earnestly.

'But don't try to touch Bulbul. Do not talk to him. You can only see him. Watch what Bulbul does. Do remember it. Do you agree?' said Barada Charan.

'I do agree', promised Nazrul. Then Barada Charan taught him Yogic methods and said 'Do practise Yogas regularly. Bulbul will surely come to you. May God bless you.' Yogi blessed Kazi. Now Kazi was calm and quiet. He got the key to the other world which was unknown to him. He returned home with great satisfaction.

One night Kazi was practising Yoga suggested by Barada Charan. Suddenly he heard a click sound. Kazi stopped Yoga. Opened the eyes wide and wondered. He saw Bulbul. He could not believe his eyes. He switched on the powerful electric lamp. Now Bulbul stood in the middle of the room. Bulbul slowly went to his almirah, opened it, drew out his garments and toys, handled these carefully kept again and closed it. Then Bulbul turned to Nazrul, advanced and stood in front of his father. He looked at his father for a few minutes and then a smile came to his lips. Nazrul too smiled a little sadly. Then Bulbul turned and went silently out of the room. Nazrul gazed at him. Tears rolled down................ why......... joy.......... sorrow.......... or.............? ::::::


*With best Wishes from*

# M/S Gajraj Collection

(Specialist in Gift, Cosmatics, Jwellary Items & Season Cards)

One Minute Digital Photo
& Mobile Ringtones Download are also Done here.

Sumitra Shopping Complex.
Kharupetia - Darrang (Assam)
Pin - 784115
Ph - 94350-88070, 94353-85165

# Relevance and prospect of learning spoken English

**Md. Rukan Uddin Ahmed**
**Lect., Deptt. of English**

INTRODUCTION :

English is a foreign language. The English language which is taught in India is of British origin. At the same time It is second language and a language for medium of instruction in India.

However, the present scenario of the competitive world is really grim. We inhabit in an era of cut throat competition. 'Survival of the fittest' is the motto here. But how far these things prompt us to learn English. Are we eager to speak in English fluently? Perhaps very few among us, who don't think it a sign of sophistication , stive to do so. That apart, few of us who are otherwise enthustic to communicate in English may not be sure of their pronunciation and accent.

Whatever may be the aim and objective of learning, our approach should be communication oriented. As English has become widespread mood of exchanging thoughts in the present world, we need to take up the matter seriously.

ANXIOUS.......... BUT WHY -

Except a few educated persons most of the people get tensed while talking in English. They have 'Phobia' about the language. They are never found to be confident and vibrant in this respect. Many a time they keep stammering or repeating their expression. In this connection, the following causes may be mentioned.

1. Weak grammatical foundation.

2. Reluctance to enhance vocabulary.

3. Lack of confidence and oral practice (i.e. -interaction)

4. Concentration on mechanical learning system.

5. Scant attention to composition and its betterment.

DOES MEDIUM MATTER ?

It must be admitted that learners mostly fail to talk in English due to their reluctance and shameful temperament. Though they know abundance of words, they usually pull legs back while asked to express thoughts in English. They even get blushed. Very few of them blame their fate also telling 'had we been students of English medium school?' But how far is this correct? Is it really mandatory to read in English medium schools for one who aspires to speak in English fluently?

STILL UNAWARE.......?

In multi cultured country like India, people have variations as to learning of spoken English strategies. Where a large number of challenging people are coming up other rank holders but cosistent people are still heedlees to it despite their ignorance as to pros and cons of the language. We never wake up unless situations compell us. It is true that those who try to update themselves and keep pace with the ongoing time - they need to under go spoken English coaching. The people of urban area are a bit advanced in this respect; for they can respond to the call of the hour duly.

LETS CONTEMPLATE

It is relevant to add that Indian English pronounciation is similar to that of Brish English. In fact, the British left India providing us with the world's most significant language i.e.- English. But we are still unfortunate for not being able to realise its importance even though the rest of the world consider it the sole means of communication across the globe. No doubt we always praise the fluent speaker but still reluctent to get praised.

POSITIVE START NEEDED:

It is an innate tendency in us that, we, the common people hanker after acquiring 'Skills' since the begining of life. Language skill is one of them. It demands perseverance. Hence so far as English language is concerned, one needs to talk to fellow beings devoid of all reluctance. And once started, there would be no looking back. It is not easy also to learn speaking English skills overnight as it is of foreign origin.

IMPORTENCE OF SPOKEN ENGLISH

There is nothing new to be reiterated as regards importance of spoken English. It has almost become a 'must' for us, the people of scientific age, to aquire spoken English skill. As it is an era of Information technology and quality Education, we need to posses special aptitude in order to proceed with the ongoing world. Almost in every educated person's life it is a 'dire' necessity. Above all, it is the 'clarion call' of the hour.

ITS FUTURE

The future of spoken English is indubitably bright. Rapid growth of such training centre is, obviously, a positive, indication in this respect. These days we feel attracted to call centre jobs, opportunities in marketing sector, and so forth where only dynamic youths having Spoken English ability and computer knowledge are prefered. Moreover, the door of the glamourworld and multinational companies is always open to such efficiant youth. Hence, we can easily foresee its future or immidiate prospect.

THE ULTIMATE SOLUTION

It must be admitted that there is no magic formula either to become a

perfect orator in English or possess his specific skill overnight. It is rather, a time consuming effort on the part of all curious minds. Also it is a practice based skill. The more one keeps on practising, the more one gets perfection. So one who is eager is bound to get habituated in listing, speaking, reading and writing the language meticulaously. One must have companion to talk to and share thoughts in English relentlessly. Above all one must realize that it is a practice based skill. Learners need brushing up of what they posses.

Many-a-time, the beginners, who join the course, are found to incredibly serious but as time moves on they realize that prolonged practice is the only key to make an access to this language; soon they get disheartened.

To sum up it is to state that as it is a practice based skill, one needs to have patience and perseverance. Moreover, one must be careful to grammatical pros and cons; for grammatical rules set the foundation of English language. It is our duty to entrust responsibility on us to create congenial and encouraging atmosphere of 'Talking English' irrespective of reluctance, hesitation and shamefulness. Because 'Every noble beginning has a splendid ending.'

:::::::


Wel Come - Wel Come

*With Best Wishes from-*

LOVELY RESTAURENT

Place of Qualities Foods & Sweets

***Fully Vegetarian***

Old State Bank Chowk, Kharupetia

***Specialist In***


South Indian Dish, Veg.Chowmin,Veg.Momo Etc.

Contact: 94350-88069, 98641-90631

94351-86197, 98642-24818




## খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতি



বহিবাওফালৰ পৰা ক্ৰমে ঃ মঃ শিকদাৰ আনোৱাৰুল ইছলাম (প্ৰৱক্তা), জালালউদ্দিন আহমেদ (প্ৰৱক্তা), শ্ৰীদীপক কলিতা (প্ৰৱক্তা), নুৰুল ইছলাম (তাৱধায়ক, আলোচনী বিভাগ), ড° খৰ্গেশ্বৰ ডেকা (অধ্যক্ষ), আব্দুল আওৱাল (প্ৰৱক্তা), আব্দুল কৰিম (প্ৰৱক্তা),নাজিৰ হুছেইন সৰকাৰ(প্ৰৱক্তা), নুৰ জামান (প্ৰৱক্তা), ড০ আছমানাৰা বেগম (প্ৰৱক্তা)।

থিয় হৈ বাওফালৰ পৰা ক্ৰমে ঃ তোজাম্মেল হুছেইন (সদস্য), জিয়াউল হক (সদস্য), মিজানুৰ ৰহমান (সদস্য ), ৰুহুল আমিন (অলোচনী সম্পাদক)।
কনকলতা শইকীয়া (সদস্যা - ফটোত অনুপস্থিত)



খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু তত্বাৱধায়কবৃন্দ ঃ

<u>বহি বাওফালৰ পৰা ক্ৰমে</u> ঃ হবিবুৰ ৰহমান (তত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা), আব্দুল আওৱাল (তত্বাৱধায়ক তৰ্ক বিভাগ), শ্ৰীদীপক কলিতা, (তত্বাৱধায়ক, খেল বহিঃ বিভাগ), জালাল উদ্দিন আহমেদ (কাৰ্যকৰী সভাপতি ছাত্ৰ একতা সভা), ড০ খৰ্গেশ্বৰ ডেকা (অধ্যক্ষ), আব্দুল কৰিম (তত্বাৱধায়ক, সমাজ সেৱা বিভাগ), নুৰুল ইছলাম(তত্বাৱধায়ক আলোচনী বিভাগ), শ্ৰীৰূপজ্যোতি প্ৰসাদ দত্ত (তত্বাৱধায়ক সাংস্কৃতিক বিভাগ), আব্দুল হান্নান (তত্বাৱধায়ক, খেল অন্তঃবিভাগ)

<u>থিয় হৈ বাওফালৰ পৰা ক্ৰমে</u> ঃ (সদস্যবৃন্দ ক্ৰমে) ইবলিনা খাতুন, মোজাম্মেল হক তালুকদাৰ, গোলজাৰ হুছেইন, জিয়াউল হক, মিৰ্জানুৰ আহমেদ,গোলাম ৰাব্বানী ফকিৰ, ওৱাহিদুৰ ৰহমান, ছহিদুল ইছলাম, মফিদুল ইছলাম, ৰুহুল আমিন ছিদ্দিকি, ইক্ৰামূল হুছেইন।



খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০০৫-০৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্য-সদস্যাবৃন্দ ঃ

<u>বহি বাওফালৰ পৰা ক্ৰমে</u> ঃ ওৱাহিদুৰ ৰহমান (খেল বহিঃ বিভাগ সম্পাদক), মোজাম্মেল হক তালুকদাৰ (খেল অন্তঃ বিভাগ সম্পাদক), জিয়াউল হক (সাধাৰণ সম্পাদক), মিৰ্জানুৰ আহমেদ (উপ-সভাপতি), ইবলিনা খাতুন(সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), ড° খৰ্গেশ্বৰ ডেকা (অধ্যক্ষ), জালালউদ্দিন আহমেদ, (কাৰ্যকৰী সভাপতি ছাত্ৰ একতা সভা), ছহিদুল ইছলাম (সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ), ৰুহুল আমিন ছিদ্দিক (সম্পাদক, আলোচনী বিভাগ),

<u>থিয় হৈ বাওফালৰ পৰা ক্ৰমে</u> ঃ ইক্ৰামূল হুছেইন (সম্পাদক, সাংস্কৃতিক বিভাগ), মফিদুল ইছলাম (সম্পাদক, ছাত্ৰ জিৰণি কোঠা), গুলজাৰ হুছেইন (সম্পাদক, সমাজ-সেৱা বিভাগ),

খাৰুপেটীয়া মহাবিদ্যালয়ৰ প্ৰৱক্তাবৃন্দ ঃ

<u>বহি বাওফালৰ পৰা ক্ৰমে</u> ঃ শ্ৰীমতী মৌচুমী কলিতা, জাহিদা চুলতানা, ড° আছমাৰা বেগম, শ্ৰীমতী মালা চক্ৰৱতী, মঃ নুৰুল ইছলাম, ড° খৰ্গেশ্বৰ ডেকা (অধ্যক্ষ), নাজিৰ হুছেইন চৰকাৰ, জালালউদ্দিন আহমেদ, হবিবুৰ ৰহমান, আব্দুল কৰিম, শ্ৰীপৰিমল কুমাৰ দত্ত।

<u>থিয় হৈ ২য় শৰীত বাওফালৰ পৰা ক্ৰমে</u> ঃ আব্দুল হান্নান, আব্দুল আওৱাল, জাকিৰ হুছেইন, মিৰ্জানুৰ ৰহমান, আব্দুৰ ৰহমান, নুৰ জামান, জীবেন্দ্ৰ মোহন দেৱ শৰ্মা (গ্ৰন্থাগাৰ), ৰূপজ্যোতি প্ৰসাদ দত্ত, আমজাদ হুছেইন মজুমদাৰ, আবুল বাসাৰ আহমেদ।

<u>থিয় হৈ ৩য় শৰীত বাওফালৰ পৰা ক্ৰমে</u> ঃ ৰুকুন উদ্দিন আহমেদ, শ্ৰীদীপক কলিতা, আব্দুৰ ৰহিম, শিকদাৰ আনোৱাৰুল ইছলাম।



খাৰুপেটীয়া মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ ঃ

<u>বহি বাওফালৰ পৰা ক্ৰমে</u> ঃ মঃ মিজানুৰ ৰহমান (এল. ডি. এ), শ্বহিদ উল্লাহ এল.ডি.এ., ছফিকুল ইছলাম (এল.ডি.এ.), শ্বহীদ আলী (এল.ডি.এ.),খন্দকাৰ দিলোৱাৰ হুছেইন (ইউ.ডি.এ.), ড° খৰ্গেশ্বৰ ডেকা (অধ্যক্ষ), অবুবক্কৰ ছিদ্দিক ইউ.ডি.এ.), ইছলামউদ্দিন আহমেদ (ইউ.ডি.এ), আবুতালেব (গ্ৰন্থাগাৰ বাহক), শ্বাহ আলম (লাইব্ৰেৰীয়ান), আব্দুছ ছামাদ খন্দকাৰ (বিজ্ঞানাগাৰ বাহক),

<u>থিয় হৈ বাওফালৰ পৰা ক্ৰমে</u> ঃ আবিৰ আলী (৪ৰ্থ শ্ৰেণী), কিনাল আলী (চতুৰ্থ শ্ৰেণী কৰ্মচাৰী), লাল মিএগ(চতুথ শ্ৰেণী কৰ্মচাৰী), নুৰমহম্মদ (চতুৰ্থ শ্ৰেণী কৰ্মচাৰী)।



খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০০৫-০৬ বৰ্ষৰ শ্ৰেষ্ঠ নাট্য দল ঃ

<u>বহি বাওফালৰ পৰা ক্ৰমে</u> ঃ সৰলা ডেকা, আবু জাফৰ দেৱান, নাছিউৰ ৰহমান, নৌসাদ আলী

<u>থিয় হৈ বাওফালৰ পৰা ক্ৰমে</u> ঃ আতাউৰ ৰহমান, মফিদুল ইছলাম, ইক্ৰামূল হুছেইন (সাংস্কৃতিক সম্পাদক), মফিদুল ইছলাম।



# মহাবিদ্যালয়ৰ গৌৰৱ



উন্মেহানিমা ইয়াছমিন
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক
শেষান্ত পৰীক্ষা'২০০৫-০৬ বৰ্ষ



খাদিজা ইয়াছমিন
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক
শেষান্ত পৰীক্ষা'২০০৫-০৬ বৰ্ষ



বাপ্পা সাহা
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক
শেষান্ত পৰীক্ষা'২০০৫-০৬ বৰ্ষ



ৰঞ্জু ৰৌচানাৰা বেগম
শ্ৰেষ্ঠ গায়িকা ২০০৫-০৬ বৰ্ষ







মহাবিদ্যালয়ৰ মহিলা উন্নয়ন কোষৰ উদ্যোগত অনুষ্ঠিত বিনামূলীয়া চকু চিকিৎসা শিবিৰৰ কেইটিমান মুহূৰ্ত

## খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০০৫-০৬ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ বিষয়ববীয়া সকলৰ বাৰ্ষিক প্ৰতিবেদন

### ছাত্ৰ একতা সভাৰ উপসভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক মুহূৰ্ত্ততে অসমৰ জাতীয় অস্তিত্ব ৰক্ষা তথা আন এটা গৌৰৱোজ্জ্বল জাতিৰ প্ৰতিটো বিপদাৰস্থাত মাত মাতিবলৈ গৈ প্ৰাণ আহুতি দিয়া মহান বীৰ বীৰঙ্গণা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। আমি আমাৰ সীমিত জ্ঞানেৰে মহাবিদ্যালয়ৰ সেৱাত ব্ৰতী হবলৈ কৰা প্ৰয়াসক ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলে যি আস্থা ৰাখি ২০০৫-০৬ শিক্ষা বৰ্ষৰ বাবে ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাবে নিৰ্বাচিত কৰিলে তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

ঐতিহ্যমণ্ডিত খাৰুপেটীয়া অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ নিচিনা গুৰুত্বপূৰ্ণ পদবী এটাৰ অধিকাৰি হৈ মহাবিদ্যালয়ৰ সেৱাত কিমানখিনি সফল হলো সেয়া বিচাৰ্য্যৰ বিষয় হৈ পৰিব মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত।

আজি এই মুহূৰ্তত উপনীত হৈ যদি আমি বিগত বছৰটোৰ কাম কাজৰ খতিয়ান লও তেনেহলে নিশ্চয় তলত উল্লেখ কৰা বিষয় সমূহকে আঙুলিয়াব লাগিব।

মোৰ এবছৰীয়া কাৰ্যকালৰ কাৰ্যবিৰৰণী -

যোৱা ইং ২০-১২-০৬ তাৰিখে ২০০৫-০৬ শিক্ষা বৰ্ষৰ বাবে নৱ নিৰ্বাচিত সমিতিখনে শপত গ্ৰহণ কৰি আনুষ্ঠানিক ভাৱে কাৰ্যভাৰৰ দায়িত্ব লওঁ।

মই উপ-সভাপতি হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই ০১-০১-০৬ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন কৰো।

আনবেলিৰ দৰে এইবেলিও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ আকাংক্ষাৰ মহাবিদ্যালয় সপ্তাহ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। বিভিন্ন প্ৰতিযোগিতা সমূহত ছাত্ৰ-ছাত্ৰী সকলৰ উপস্থিতিয়ে খেলুৱৈ সকলক উৎসাহ উদ্দীপনা যোগায়। বিভিন্ন প্ৰতিযোগিতাত শ্ৰেষ্ঠতা লাভ কৰা প্ৰতিযোগী সকলক বঁটা প্ৰদান কৰা হয়।

অন্যান্য বছৰত চলি অহাৰ দৰে মোৰ কাৰ্যকালতো ০৩-০২-০৬ তাৰিখে সৰস্বতী পূজা উদ্‌যাপন কৰা হয়। ইয়াৰ উপৰিও ফাতেহা-ই-দোৱাজ দাহম উৎসৱটিও উদ্‌যাপন কৰা হয়। উক্ত উৎসৱটিত কেৰাত, গজল, জিকিৰ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰি প্ৰতিযোগী সকলক উৎসাহ উদ্দীপনা যোগোৱাৰ লগতে পুৰস্কৃত কৰা হয়।

বিগত বছৰ কেইটিৰ দৰে এইবেলিও নৱাগত ছাত্ৰ-ছাত্ৰী সকলক আদৰণি জনোৱাৰ উদ্দেশ্যে যোৱা ইং ০২-০৯-০৬ তাৰিখ শনিবাৰে ন-পুৰণি সতীৰ্থ সন্মিলন অনুষ্ঠিত কৰা হয়।

যোৱা ইং ১১-০১-০৬ তাৰিখ শনিবাৰে দৰং জিলাৰ বিভিন্ন কলেজে উক্ত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি যোগ্য স্থান দখল কৰা মহাবিদ্যালয় সমূহক পুৰস্কৃত কৰা হয়।

মোৰ কাৰ্যকালত শ্ৰীযুত বসন্ত দাস দেৱে (বিধায়ক মঙলদৈ বিধান সভা সমষ্টি) মঙলদৈ গ্ৰাম্য পথ সংমণ্ডলৰ জৰিয়তে ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা খাৰুপেটীয়া মহাবিদ্যালয়লৈ ৰাস্তা পকীকৰণৰ কাম সম্পন্ন কৰা হয়।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ সন্মুখৰ দেৱালৰ কাম সম্পূৰ্ণ কৰা হয় লগতে মহাবিদ্যালয়ৰ দুখন নতুনকৈ লোৰ গেট নিৰ্মাণ কৰা হয়।

অন্যান্য বছৰৰ দৰে এইবেলিও মোৰ কাৰ্যকালত সংখ্যালঘু এলেকাধীন খাৰুপেটীয়া মহাবিদ্যালয়ত অৰ্থনৈতিক দিশত পিছপৰা ছাত্ৰ-ছাত্ৰীক দুখীয়া পুঁজিৰ পৰা সাহাৰ্য প্ৰদান কৰা হয়।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহৰ প্ৰতি লক্ষ্য ৰাখি খাৰুপেটীয়াৰ পৰা ভৈৰৱকুণ্ডলৈ বনভোজ খোৱাৰ বাবে যোৱা হয়।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমুহ বিষয়ববীয়া আৰু আলোচনী সম্পাদনা সমিতিৰ সক্ৰিয় প্ৰচেষ্টাত তৃত্বীয় সংখ্যাৰ আলোচনী প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰী সকলৰ মনোবাঞ্চা পূৰ্ণ কৰা হয়।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ সন্মুখত বাছষ্টেণ্ডৰ কাম সম্পূৰ্ণৰূপে সফল হব পৰা নাই। সেয়ে নৱনিৰ্বাচিত ছাত্ৰ একতা সভাক উক্ত কামটো সম্পূৰ্ণৰূপে যাতে সফল কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বহুদিনীয়া অভাৱ নিৰ্মূল কৰিব পাৰি তাৰবাবে আহ্বান জনালো।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ লগত জড়িত যি সকল মহান ব্যক্তি আমাৰ মাজৰ পৰা চিৰ বিদায় মাগিলে সিহঁতৰ স্বৰ্গীয় আত্মালৈ আমি আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা গভীৰ শ্ৰদ্ধা নিবেদিছো। তাৰে ভিতৰত অতিকৈ শ্ৰদ্ধাৰ সংগীতৰ সুৰ সম্ৰাট ওস্তাদ বিছমিল্লাহ খাঁ, মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য মাননীয় শ্ৰীধীৰেণ চন্দ্ৰ ৰাম আৰু আমাৰ মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী মিছ ছামচুন নাহাৰ আমাৰ মাজৰ পৰা চিৰ বিদায় লোৱাত আমি মহাবিদ্যালয় পৰিয়ালে গভীৰ শোক প্ৰকাশ কৰিছো।

মোৰ বাৰ্ষিক প্ৰতিবেদনৰ বিদায় মুহূৰ্তত আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° খৰ্গেশ্বৰ ডেকা ছাৰ, কাৰ্যকৰীসভাপতি জালালউদ্দিন আহমেদ ছাৰ লগতে মোৰ কাৰ্যকালত দিহা পৰামৰ্শ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমুহ বিষয়ববীয়া লগতে আমাৰ মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জনাই বিগত বছৰত হোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি মমহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ প্ৰতিবেদনৰ অন্ত পেলালো।

মিজানুৰ আহমেদ
উপ-সভাপতি,
ছাত্ৰ একতা সভা

****

## প্ৰতিবেদন
## সাধাৰণ সম্পাদকৰ



জয় জয়তে পৰম কৰুণাময় সৃষ্টি কৰ্তাৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি যি সকল মহান জীৱনে নিজৰ স্বাৰ্থক জলাঞ্জলি দি অশেষ ত্যাগেৰে খাৰুপেটীয়াৰ দৰে এখন অৰ্থনৈতিকভাৱে আৰু শৈক্ষিক দিশত পিচ পৰা অঞ্চলত বৰ্তমানলৈকে অন্ধবিশ্বাসত পতিয়ান যোৱা, ছোৱালীক স্কুললৈ নপঠোৱা, এনে এখন সমাজৰ সুপ্ত প্ৰতিভাশীল লৰা-ছোৱালীৰ জ্ঞানৰ চকু মোকলাবলৈ আন্ধাৰ আঁতৰাই ধৰাপৃষ্ঠক আলোকিত কৰা এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি অতি কম সময়ৰ ভিতৰত উজ্জ্বল মহাবিদ্যালয় হিচাবে গঢ় দিলে তেখত সকললৈ মোৰ গভীৰ শ্ৰদ্ধা নিবেদিছো। লগতে খাৰুপেটীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মাননীয় বি. এম. হামিদুৰ ৰহমান চাহাব লগতে বৰ্তমান অধ্যক্ষ ড° খৰ্গেশ্বৰ ডেকা দেৱ, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীক স্মৰণ কৰি মই মোৰ এবছৰীয়া সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিলো।

বাৰ্ষিক প্ৰতিবেদনৰ পাতনিতে যি সকল মহান ব্যক্তিয়ে নিজৰ স্বাৰ্থক নেওচি মহাবিদ্যালয়ৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি স্বদেশ আৰু স্বজাতিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললৈ মই আন্তৰিক শ্ৰদ্ধা ও প্ৰণাম নিবেদিছো। লগতে কৃতজ্ঞতা স্বীকাৰ কৰিলো যি সকলে আমাৰ বিশ্বৰ বুকুত এটা জাতি হিচাবে চিনাকী দিয়াৰ বাবে সংস্কৃতিৰ সংগীত, ভাষা, জনক, সাধক আৰু বাহক সকললৈ।

মই খাৰুপেটীয়া মহাবিদ্যালয় খনত নাম ভৰ্তি কৰি ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনত ১৭-০২-০৫ তাৰিখে সাধাৰণ সম্পাদক হিচাবে নিৰ্বাচিত কৰে। উক্ত নিৰ্বাচনত মঃ গুলজাৰ হুছেইন খান (প্ৰাঃ উপ-সভাপতি ছাত্ৰ একতা সভা) মঃ পিয়াৰুল ইছলাম, দোস্ত মঃ ছাফি ( প্ৰাঃ সাধাৰণ সম্পাদক ছাত্ৰ একতা সভা), মঃ মনছুৰুল হক (মন্টু) আৰু ৰমজান (প্ৰাঃ সাংস্কৃতিক সম্পাদক ছাত্ৰ একতা সভা), মঃ জিয়াউৰ ৰহমান (প্ৰাঃ সাধাৰণ সম্পাদক দৰং আমছু), মঃ হানিফ আলি (প্ৰাঃ ছাত্ৰ), মঃ মনিৰউদ্দিন আহমেদ (প্ৰাঃ সাধাৰণ সম্পাদক ছাত্ৰ একতা সভা), মঃ ফিৰোজ আহমেদ, মিছ ছালমা চুলতানা, মঃ আব্বাছ আলী আৰু সমূহ ছাত্ৰ-ছাত্ৰীকে যি সহায় সহযোগ আৰু মোৰ কাৰ্যকালত নানা দিশত দিহা



পৰামৰ্শ দি সহায় কৰিলে তাৰ বাবে ধন্যবাদ ও কৃতজ্ঞতা স্বীকাৰ কৰিছো।

মোৰ এবছৰীয়া কাৰ্য বিৱৰণী ঃ

১। মই সাধাৰণ সম্পাদক হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই ছয় দিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰো। মহাবিদ্যালয় সপ্তাহত নানা প্ৰতিযোগিতাত সমূহ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি সিহঁতৰ সুপ্ত প্ৰতিভা দেখুৱায়। প্ৰতিযোগিতাত স্থান পোৱা ছাত্ৰ-ছাত্ৰীক আমন্ত্ৰিত ব্যক্তি সকলকৰ দ্বাৰা পুৰস্কৃত কৰা হয়।

২। মোৰ কাৰ্যকালত সৰস্বতী পূজা সমূহ ছাত্ৰ-ছাত্ৰী তথা সমূহ কৰ্মচাৰীৰ সহযোগত সুকলমে পালন কৰা হয়। উক্ত পূজাত নানা ধৰণৰ প্ৰতিযোগীতাও অনুষ্ঠিত কৰা হৈছিল।

৩। অন্যান্য বছৰৰ দৰে মোৰ কাৰ্যকালতো ফাতেহা-ই- দোৱাজ দাহম উৎসৱটি পালন কৰা হয়। উক্ত উৎসৱটিত কেৰাত, গজল, জিকিৰ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰি প্ৰতিযোগিতাত স্থান পোৱা প্ৰতিযোগী সকলক আমন্ত্ৰিত অতিথি সকলৰ দ্বাৰা পুৰস্কৃত কৰা হয়। ফাতেহা-ই-দোৱাজ দাহম উৎসৱটি প্ৰীতি ভোজনেৰে সামৰণি মৰা হয়।

৪। ০২-০৯-০৬ তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ নৱাগত ছাত্ৰ-ছাত্ৰী, সকলক সাদৰেৰে সম্ভাষণ জনোৱা হয়।

উক্ত সভাত আমন্ত্ৰিত অতিথি হিচাবে উপস্থিত থাকে মাননীয় শ্ৰীফুলেশ্বৰ ধিং ,অধ্যক্ষ; পূৱ কামৰূপ মহাবিদ্যলয়, মাননীয় ইলিয়াছ আলী, বিধায়ক; দলগাওঁ বিধান সভা সমষ্টি আৰু অন্যান্য গণ্য-মান্য ব্যক্তি সকল।

৫। মোৰ কাৰ্য কালত দৰং জিলা ভিত্তিত তৰ্ক প্ৰতিযেগিতা অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতাত দৰং জিলাৰ বিভিন্ন কলেজে অংশ গ্ৰহণ কৰে। উক্ত প্ৰতিযোগিতাত বিচাৰক ও অধ্যক্ষ হিচাবে উপস্থিত থাকে কলাইগাওঁ বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক মাননীয় ড° নগেন শৰ্মা দেৱ।

৬। মোৰ কাৰ্যকালত আলোচনী সম্পাদনা সমিতিৰ লগতে ছাত্ৰ একতা সভাৰ সক্ৰিয় প্ৰচেষ্টাত তৃতীয় সংখ্যাৰ আলোচনীখন প্ৰকাশ কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী ও কৰ্মচাৰীৰ মনোবাঞ্চা পূৰ্ণ কৰা হয়।

৭। মোৰ কাৰ্যকালত মঙলদৈ বিধান সভা সমষ্টিৰ বিধায়ক মাননীয় শ্ৰীবসন্ত দাস দেৱে গ্ৰাম্য পথ সংমণ্ডলৰ জৰিয়তে ৫২নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা খাৰুপেটীয়া মহাবিদ্যালয়লৈ পথ পকীকৰণ কামটো সম্পন্ন কৰা হয়।

৮। অন্যান্য বছৰৰ দৰে মোৰ কাৰ্যকালতো সংখ্যালঘু এলেকাধীন খাৰুপেটীয়া মহাবিদ্যালয়ৰ অৰ্থনৈতিক দিশত পিছপৰা ছাত্ৰ-ছাত্ৰীক দুখীয়া পুঁজি তথা ছাত্ৰ-ছাত্ৰী সকলৰ পুজিৰ পৰা আৰ্থিক সহায় আগবঢ়োৱা হয়।

মোৰ সম্পাদকীয় প্ৰতিবেদনৰ বিদায় মুহূৰ্তত খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতিৰ লগতে মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গৰ ওচৰত বিগত বছৰত হোৱা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মই মোৰ আংশিক প্ৰতিবেদনৰ অন্ত পেলালো।

'জয়তু খাৰুপেটীয়া মহাবিদ্যালয়, জয় আই অসম'।

মঃ জিয়াউল হক
সাধাৰণ সম্পাদক,
ছাত্ৰ একতা সভা

***

## প্ৰতিবেদন
## সহঃ সাধাৰণ সম্পাদকৰ



জয় জয়তে পৰম কৰুণাময় সৃষ্টি কৰ্তাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি মই মোৰ ছাত্ৰ একতা সভাৰ বাৰ্ষিক কাৰ্যকালৰ চমু প্ৰতিবেদনৰ পাতনি মেলিলো। খাৰুপেটীয়া মহাবিদ্যালয়ৰ নাম মোৰ মনলৈ জাগি উঠাৰ লগে লগে মোৰ হিয়াখন নাচি উঠে। আমি অনুভৱ কৰো এক অনামী গৌৰৱ কিন্তু আমি গৌৰৱান্বিত হব পাৰিছোনে? প্ৰশ্নটোৰ উত্তৰ পাবলৈ হলে আমি স্মৰণ কৰিব লাগিব কিছুমান মহান ব্যক্তিক। যি সকলে নিজৰ স্বাৰ্থক নেওচি অশেষ কষ্ট, অসীম ত্যাগ আৰু নিস্বাৰ্থভাৱে পৰিশ্ৰম কৰি আমাৰ জ্ঞানৰ নিদৰ্শণ গৌৰৱৰ প্ৰতীক এই অনুষ্ঠানটি এই পিছপৰা অঞ্চলত প্ৰতিষ্ঠা কৰি থৈ গৈছে। সেই

সকল বৰেণ্য ব্যক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা অৰ্পণ কৰিলো। মহান ব্যক্তিৰ মহান ক্ষমতাৰ দ্বাৰাই এই শিক্ষা অনুষ্ঠানটো গঢ় দি তুলিছে। সেই সকল হল প্ৰকৃত সমাজ সেৱক। এখন সমাজ এটা জাতিৰ প্ৰতীক, প্ৰধান ৰূপ হ'ল ছাত্ৰ সমাজ। শিক্ষা অনুষ্ঠানৰ ছাত্ৰ সকলৰ দ্বাৰা গঠিত সমাজসেৱা বিভাগৰ গুৰু দায়িত্ব পালন কৰাটো এখ জটিল কাম। ছাত্ৰ এজন হৈ নিজৰ ঘৰৰ তথা নিজৰ দেশৰ খবৰ নোলাৱাটো তেওঁৰ প্ৰধান কাম। আজি ছাত্ৰহৈ কালিৰ দেশৰ ধৰণীস্বৰুপ নেতা হোৱাতো বেছি টান নহয়। সাহিত্যৰ শক্তি অসীম। সাহিত্য কলা হিচাবে স্বীকৃত হৈ পৰিছে যদিও ইয়াত জীৱনবোধে প্ৰকাশ পায়। সাহিত্য হৈছে মানৱ সৃষ্টিৰ জ্ঞানৰ ভাণ্ডাৰ। মহৎ সাহিত্যৰ সৃষ্টি কঠোৰ সাধনাৰ ফলতে হয়। জীৱনৰ গভীৰতা উপলব্ধি কৰিবৰ বাবেই এনে কঠোৰ সাধনাৰ প্ৰয়োজন। তাক আমি বিছাৰি নাপাও। জ্ঞানৰ জৰিয়তে পোৱা যায়।

করুণাময় সৃষ্টি কৰ্তাৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি যিসকল ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা মোক ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাবে মোক নিৰ্বাচনত নিৰ্বাচিত কৰা হৈছে সেই সকল ছাত্ৰ বন্ধুলৈ মোৰ ফালৰ পৰা আন্তৰিক শুভেচ্ছা ও ধন্যবাদ জ্ঞাপন কৰিলো। খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০০৫-০৬ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মোক নিৰ্বাচিত কৰাই ছাত্ৰ সামজ সেৱা কৰাৰ বাবে সুযোগ দিছে তাৰ বাবে সিহঁত সকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

যোৱা ইং ০২-০১-০৬ তাৰিখৰ পৰা ০৭-০১-০৬ তাৰিখলৈ আমি ছাত্ৰ একতা সভাই ছয়দিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰো। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অংশ গ্ৰহণ কৰে আৰু লগতে বিভিন্ন ধৰণৰ খেল-ধেমালী, গীত-মাত, কবিতা আবৃত্তি, কুইজ, কেৰম, ক্ৰিকেট খেল আদিত অংশ গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ সপ্তাহৰ অন্ততঃ মুকলি সভা অনুষ্ঠিত হয়। আৰু বিজয়ী ছাত্ৰ-ছাত্ৰী সমূহক নানা পুৰস্কাৰেৰে পুৰস্কৃত কৰি তেওঁলোকক উৎসাহ তথা প্ৰেৰণা জগোৱা হয়।

সহঃসাধাৰণ সম্পাদক পদত মোক মনোনীত কৰা হৈছিল। আৰু ২০-১২-০৫ তাৰিখে শপত বাক্য পাঠ কৰা মাননীয় ডঃ খৰ্গেশ্বৰ ডেকা ছাৰ (অধ্যক্ষ মহোদয়)। মোৰ হাতত অৰ্পণ কৰা হৈছিল এক গুৰু দায়িত্ব। এই ক্ষেত্ৰত মোৰ শ্ৰদ্ধাৰ ছাৰ মাননীয় অধ্যাপক মাননীয় জালাল উদ্দিন আহমেদ মহোদয়, কাৰ্যকৰী সভাপতি দেৱৰ ৰ পৰা বহুতো ধৰণৰ সু-পৰামৰ্শ পাইছো। বহুতো ক্ষেত্ৰত সহায়-সহযোগ আগবঢ়াইছো। সকলো শিক্ষা গুৰু সকলৰ সদায় সু-পৰামৰ্শ পাইছো। অন্যান্য বছৰৰ দৰে এই বছৰতো শ্ৰী শ্ৰী সৰস্বতী পূজা উদ্‌যাপন কৰা হয়। এই পূজা উদ্‌যাপন সুকলমে পাৰ কৰা হয়। তাৰ উপৰি ফাতেহা-ই-দোৱাজ দাহম, উদ্‌যাপন কৰা হয়। আমন্ত্ৰিত অতিথি হিচাবে ফাতেহা-ই-দোৱাজ দাহমত উপস্থিত থাকে খাৰুপেটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আৰবী শিক্ষক আলহাজ মৌলানা মহম্মদ তালেব উদ্দিন আহমেদ মহোদয় আৰু দাৰুল উলুম দলগাওঁ মাদ্ৰাছাৰ শিক্ষক আলহাজ মৌলানা আব্দুল মজিদ মহোদয়। এই সকল ব্যক্তিলৈ মোৰ কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদন কৰিছো। ছাত্ৰ একতা সভাৰ সক্ৰিয় সহযোগিতাত নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। এই নৱাগত আদৰণি সভাত আমন্ত্ৰিত অতিথি হিচাবে উপস্থিত থাকে পূৱ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীফুলেশ্বৰ ধিং, আমন্ত্ৰিত অথিতি হিচাবে দলগাওঁ সমষ্টিৰ বিধায়ক মাননীয় মঃ ইলিয়াছ আলী মহোদয় উপস্থিত থাকে। তাৰ উপৰিও দৰং জিলা ভিত্তিত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ছিপাঝাৰ মহাবিদ্যালয়, দ্বিতীয় স্থান লাভ কৰে ছিপাঝাৰ মহাবিদ্যালয়ে আৰু তৃতীয় স্থান লাভ কৰে দেওমৰণৈ মহাবিদ্যালয়ে। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ ঠিকে ৰখাৰ বাবে চাৰিওফালে বেৰৰ ব্যৱস্থা কৰা হয়।

জয় জয়তে মাননীয় অধ্যক্ষ প্ৰমুখ্যে মহাবিদ্যালয়ৰ সকলো শিক্ষা গুৰু সকল তথা কৰ্মচাৰী বৃন্দলৈ মই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক পদত নিৰ্বাচিত কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ সহস্ৰ ধন্যবাদ যাঁচিছো। বিগত নিৰ্বাচনৰ সময়ত মোৰ সোহাত স্বৰূপে সহায় কৰা মঃ পিয়াৰুল ইছলাম, প্ৰাক্তন উপ-সভাপতি খাৰুপেটীয়া মহাবিদ্যালয়, মঃ হানিফ আলি, মঃ মনচুৰুল হক, দাদা মনিৰুদ্দিন আহমেদ, প্ৰাক্তন সাধাৰণ সম্পাদক, দোস্ত মহম্মদ চাফিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত খাৰুপেটীয়া মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা মহান ব্যক্তিসকল, সমূহ প্ৰৱক্তা বৃন্দ, ছাত্ৰ-ছাত্ৰী



তথা দাদা বাইদেউ, বন্ধু-বান্ধৱী বৰ্গলৈ শ্ৰদ্ধা ও অভিনন্দন যাঁচিলো। লগতে ২০০৬ নৱবৰ্ষৰ ওলগ জনাই মোৰ কাৰ্য কালৰ মাজত অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ ক্ষমা বিছাৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ শুভ কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়, জয় আই অসম

মোঃ গোলাম ৰাব্বানী ফকিৰ
সহঃ সাধাৰণ সম্পাদকছাত্ৰ একতা সভা, খাৰুপেটীয়া মহাবিদ্যালয়।

***

# প্ৰতিবেদন
## খেল বহিঃবিভাগ



প্ৰতিবেদনৰ শুভাৰম্ভণিতে বিগত দিন সমূহত জাতীয়স্বকীয়তা ৰক্ষাৰ হেতুকে দেশ-মাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদনত অজানিতে হোৱা ভূল-ক্ৰটিৰ পৰা আপোনালোক সকলৰ ওচৰত ক্ষমা মাগি প্ৰতিবেদনৰ পাতনি মেলিছো।

খেল শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। খেলৰ জৰিয়তে মানুহৰ শাৰিৰীক আৰু মানসিক উৎকৰ্ষ সাধন কৰিব পাৰি। বৰ্তমান প্ৰতিযোগিতামূলক সমাজত নিজকে চিনাকী কৰিবৰ কাৰণে খেলো এক মাধ্যম হব পাৰে। প্ৰচলিত সমাজ ব্যৱস্থাত কবি, সাহিত্যিক আদি ব্যক্তিৰ তুলনাত এজন খেলুৱৈৰ সন্মান কোনো গুণে কম নহয়। শিক্ষাৰ লগতে খেলকো সমানে আগুৱাই লৈ যোৱাটো আমাৰ কৰ্তব্য।

২০০৫-২০০৬ বৰ্ষৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১ম খন কাৰ্যনিৰ্বাহক সভাত খেল বিভাগ সম্পাদক হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰো, যদিও খেল বিভাগৰ প্ৰধান সম্পাদক মঃ নাজিৰ হুছেইনক অব্যাহতি দিয়াত যোৱা ইং ২৫/১২/৫ তাৰিখে খেল বিভাগৰ সম্পাদক হিচাবে দায়িত্ব গ্ৰহণ কৰো।

মহাবিদ্যালয়ৰ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ আকাংশিত মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় ২-০১-০৬ তাৰিখৰ পৰা ০৭-০১-০৬ তাৰিখলৈ সকলো ছাত্ৰ-ছাত্ৰীয়ে উপস্থিত থাকি বিভিন্ন খেলত অংশগ্ৰহণ কৰাৰ লগতে খেলুৱৈ সকলক উৎসাহিত কৰাৰ বাবে মই তেওঁলোকলৈ ধন্যবাদ যাঁচিছো।

আমাৰ মহাবিদ্যালয়ৰ মূল অভাৱ হৈছে এখন উন্নত মানৰ খেল পথাৰৰ। উপযুক্ত প্ৰশিক্ষণৰ অভাৱ। সা-সজুলিৰ অভাৱ। যাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে উন্নত মানৰ খেল প্ৰদৰ্শন কৰিব পৰা নাই। এই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয় কৰ্তৃপক্ষক উক্ত অভাৱ সমূহ দূৰ কৰি ছাত্ৰ-ছাত্ৰী সকলক উপকৃত কৰিবলৈ অনুৰোধ জনালোঁ।

মোৰ কাৰ্যকালত সততে দিহা-পৰামৰ্শ দি কাৰ্য পৰিচালনাত সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ খৰ্গেশ্বৰ ডেকা দেৱ তথা ছাত্ৰ-একতা সভাৰ কাৰ্যকৰী সভাপতি মাননীয় জালালউদ্দিন আহমেদ তথা খেল বিভাগৰ ভাৰপ্ৰাপ্ত সভাপতি শ্ৰীদীপক কলিতা দেৱ আৰু বহুতো শিক্ষক তথা ছাত্ৰ একতা সভাৰ সকলো সদস্য আৰু তাৰ উপৰিও বহু ক্ষেত্ৰত সহযোগিতা কৰা ছাহিদুল, ছাজিদুৰ ৰহমান, আনোৱাৰ হুছেইন, আশিক ইকবাল, হিফজুৰ ৰহমান আদিলৈ। মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ খেল বিভাগৰ লগতে মহাবিদ্যালয়ৰ অনাগত দিনবোৰ উজ্বল হোৱাৰ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ওৱাহিদুৰ ৰহমান
সম্পাদক,
খেল বহিবিভাগ

***

# প্ৰতিবেদন
## ছাত্ৰী জিৰণি কোঠা



জয় জয়তে খাৰুপেটীয়া মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি মই মোৰ প্ৰতিবেদনৰ পাতনি মেলিলো। যি সকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত খাৰুপেটীয়াৰ বুকুত আমাৰ অতিকৈ মৰমৰ খাৰুপেটীয়া মহাবিদ্যালয় খনে জন্ম লাভ কৰিলে তেখেত সকললৈ অজস্ৰ প্ৰণাম ও শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ আন্তৰিক সহায় সহযোগ আৰু গভীৰ আস্থাই মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০০৫-২০০৬ চনৰ ছাত্ৰী জিৰণি

কোঠাৰ সম্পাদীকা হিচাবে মনোনীত কৰি মহাবিদ্যালয় খনৰ সেৱা কৰাৰ সুযোগ দিলেসেই সকললৈ মোৰ হিয়াভৰা অভিনন্দন ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মই ছাত্ৰী জিৰণি কোঠাটো বিশৃংখলা দেখিবলৈ পাইছিলো। যাৰ বাবে মই বিশেষ অসুবিধা অনুভৱ কৰিছিলো। কাৰণ মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ সময়ত মই ছাত্ৰী জিৰণি কোঠাৰ প্ৰয়োজনীয় বস্তু বিলাক পোৱা নাছিলো। যাৰ বাবে ছাত্ৰী বিলাকৰ অসুবিধাত মই কিছুমান বস্তু বিচাৰি ছাত্ৰী জিৰণি কোঠাত দি ছাত্ৰী বিলাকৰ অভাৱ কিছু পৰিমানে পূৰণ কৰিছিলো।

পিছত ছাত্ৰী জিৰণি কোঠাৰ তত্বাৱধায়িকা প্ৰৱক্তা মিছ জাহিদা চুলতানা বাইদেউ আৰু মাননীয় অধ্যক্ষ মহোদৰ ওচৰত আবেদন কৰাত মই ছাত্ৰী জিৰণি কোঠাৰ প্ৰয়োজনীয় বস্তু বিলাক যোগান ধৰি ছাত্ৰী বিলাকৰ অভাৱ পূৰণ কৰিবলৈ সক্ষম হৈছো। মোৰ কাৰ্যকালত যিখিনি পাৰো মই নিজে আৰু ছাত্ৰী বিলাকক পৰামৰ্শ দি ছাত্ৰী জিৰণি কোঠাটো সদায় শৃংখলাবদ্ধভাৱে ৰাখিবলৈ যত্ন কৰিছো। মই কাৰ্যভাৰ গ্ৰহণ কৰি ছাত্ৰী জিৰণি কোঠাত কোনো ধৰণৰ খেলৰ সামগ্ৰী পোৱা নাছিলো। পিছত খেলৰ বাবে প্ৰয়োজনীয় সামগ্ৰী বিলাক যোগান ধৰিছিলো। মহাবিদ্যালয়ত যিকোনো অনুষ্ঠান প্ৰতিষ্ঠানত ছাত্ৰী বিলাকক উপস্থিত থাকি যোগদান কৰিবলৈ মই সকলো সময়তে প্ৰেৰণা যোগাই আহিছো। আমাৰ ছাত্ৰী জিৰণিকোঠাৰ প্ৰাক্তন সম্পাদীকা মিছ মেহেৰুণ নেছাই যিখিনি কাম কৰি থৈ গৈছে তাৰ বাবে মই তাক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী জিৰণিকোঠাৰ পূজি টনকিয়াল নোহোৱাৰ বাবে বহুতো প্ৰয়োজনীয় আঁচনি কাৰ্যত পৰিণত কৰিব পৰা নগ'ল। হয়তো পৰবৰ্তী কাৰ্যকালত সফল কৰিব বুলি আশা কৰিলো।

যিকোনো অনুষ্ঠানৰ মুৰব্বীজনৰ উদাৰতাৰ কৰ্মৰাজীলৈ অনুপ্ৰেৰণা যোগায়। আমাৰ ক্ষেত্ৰটো আমাৰ পূজনীয় অধ্যক্ষ ড° খৰ্গেশ্বৰ ডেকা মহোদয়ে যথেষ্ট পৰিমাণে অৰিহণা যোগাইছে বুলি মই দৃঢ়তাৰে ব্যক্ত কৰো। আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি মাননীয় জালাল উদ্দিন আহমেদ ছাৰ, মোৰ শ্ৰদ্ধাৰ তত্বাৱধায়িকা জাহিদা চুলতানা বাইদেউ, সমূহ কৰ্মচাৰীলৈ শ্ৰদ্ধা জনালো। মোৰ সকলো কামতে সকলো সময়ত দিহা পৰামৰ্শ দিয়া ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক মঃ জিয়াউল হক লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকল, মোক সকলো সময়ত দিহা পৰামৰ্শ দিয়া সকলো বন্ধু-বান্ধৱী সকলোলৈকে মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ।

সদৌ শেষত চিৰ চেনেহী খাৰুপেটীয়া মহাবিদ্যালয়ৰ জলন্ত সমস্যাবোৰৰ যৱনিকা পৰি অদূৰ ভৱিষ্যতে এক নিকা মহাবিদ্যালয় হিচাবে প্ৰতিষ্ঠা হোৱাৰ দীৰ্ঘায়ু কামনাৰে মোৰ বাৰ্ষিক প্ৰতিবেদনৰ ইতিৰেখা টানিছো।

মিছ ইবলিনা খাতুন
সম্পাদিকা,
ছাত্ৰী জিৰণি কোঠা

# প্ৰতিবেদন তৰ্ক আৰু বক্তৃতা বিভাগ



জয় জয়তে মই মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল মহান ব্যক্তিয়ে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি দেশ মাতৃৰ বাবে মৃত্যুক সাৱটিছিল সেই সকল ব্যক্তিৰ পূণ্যাত্মালৈ জনাইছো সশ্ৰদ্ধ প্ৰণাম। লগতে এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ দায়িত্ব অৰ্পণেৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে মোক মনোনীত কৰি সেৱাৰ সুযোগ দিয়াৰ বাবে আটাইলৈ যাঁচিছো আন্তৰিক কৃতজ্ঞতা।

তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক প্ৰচেষ্টাৰ আখৰা থলীৰূপে কিমান প্ৰয়োজনীয় তাক পুণৰ দোহৰাৰ প্ৰয়োজন নাই। সঠিক চিন্তা আৰু শুদ্ধভাষা অবিহনে জ্ঞানৰ সত্যতা প্ৰতিপন্ন কৰিব নোৱাৰি সিদ্ধান্তৰ বৈধতা আৰু নিৰ্ণয় কৰাই হৈছে তৰ্কৰ কাৰ্য।

আজিৰ সমাজৰ প্ৰতিটো দিশতে সুস্থিৰ ভাৱে খোজ দি যাবলৈ আমাক প্ৰয়োজন হয় এক সুস্থিৰ



যুক্তিবাদী পৰিবেশ আৰু সমাজৰ উপকাৰী যুক্তিপূৰ্ণ আলোচনা। আলোচনাৰ প্ৰতিচ্ছবি অংকন কৰিব পৰাৰ যথোপযুক্ত ব্যৱস্থা সাহিত্যৰ বাদে আন আৰু একো নাই। সাহিত্যই এজন লোকক দিব পৰা পূৰ্ণজ্ঞান জীয়াই থকাৰ বাবে। গতিকে মহাবিদ্যালয়ৰ অন্যতম বিভাগ সমূহৰ ভিতৰত এই বিভাগটোৰ গুৰুত্বপূৰ্ণ আৰু অতুলনীয়।

২০০৫-০০৬ বৰ্ষৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক হিচাবে নিজৰ দায়িত্ব ও কৰ্তব্য সম্পাদনৰ বাবে যোৱা ইং ১৭-১২-০৫ তাৰিখ শনিবাৰে নৱ নিৰ্বাচিত ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যাৰ লগতে মনোনীত হৈ যোৱা ইংৰাজী ২০-১২-০৫তাৰিখ মঙ্গলবাৰে দিনৰ ১২-৪৫ বজাত সন্মানীয় অধ্যক্ষৰ উপস্থিতিত ঈশ্বৰৰ নামত শপত লৈছিলো। নাজানো কিমান দূৰ ফলৱৰ্তী হলো।

কাৰ্যভাৰ গ্ৰহণৰ পিছতে প্ৰথম কাৰ্যসূচীৰূপে নৱবৰ্ষৰ আৰম্ভণিতে খাৰুপেটীয়া মহাবিদ্যালয় বাৰ্ষিক অধিবেশন ও প্ৰতিষ্ঠা দিৱস হিচাবে জানুৱাৰী মাহৰ পহিলা তাৰিখে পালন কৰা হয়। তাত উপস্থিত আছিল অধ্যক্ষ মহোদয় আৰু সেই সময়ত প্ৰতিষ্ঠানটোৰ লগত জৰিত থকা মহান ব্যক্তি সকল। আৰু তাৰ পিছদিনা অৰ্থাৎ ইং ২-১-০৬ তাৰিখৰ পৰা ৭-০১-০৬ তাৰিখলৈকে চলা মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু বক্তৃতা বিভাগৰ উদ্যোগত তৰ্ক, অসমীয়া আৰু ইংৰাজী বক্তৃতা, আকস্মিক বক্তৃতা, কুইজ প্ৰতিযোগিতা, অনুষ্ঠিত কৰিলো। সবাটোকৈ আকৰ্ষণীয় আছিল। ১০ টা দলৰ অংশ গ্ৰহণেৰে বিভাগীয় তত্বাবধায়ক আব্দুল আওৱাল মহোদয়েই নিয়াৰিকৈ পৰিচালনা কৰা কুইজ প্ৰতিযোগিতা খনি। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° খৰ্গেশ্বৰ ডেকা মহোদয়ে খুবেই আনন্দ প্ৰকাশ কৰিছিল।

এইবাৰ আমি ছাত্ৰ একতা সভাই লক্ষ্য হিচাবে লৈছিলো যে আমাৰ মহাবিদ্যালয়ত এইবাৰৰ পৰা সদৌ অসম ভিত্তিত আন্ত মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা আনুষ্ঠিত কৰিম। কিন্তু আমি দুৰ্ভগীয়া, মহাবিদ্যালয় ফাণ্ডত সিমান টকা নাই আৰু মোৰ কাৰ্যকালত দেখা দিছিল নান ধৰণৰ বন্ধ, পৰীক্ষা, উৎসৱ আদিৰ বাবেও বহুতো অসুবিধাৰ সন্মূখীন হৈ অৱশেষত দৰং জিলা ভিত্তিত আন্তঃ মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগিতাখনি সুকলকমে অনুষ্ঠিত কৰা হয়।

এই বছৰৰ তৰ্কৰ বিষয় বস্তু আছিল - সদনৰ মতে 'বন্ধ সংস্কৃতিয়ে অসমৰ আৰ্থ সামাজিক উন্নয়ণত অন্তৰায়ৰ সৃষ্টি কৰিছে'। কলাইগাওঁ সমষ্টিৰ প্ৰাক্তন বিধায়ক ড° নগেন্দ্ৰ নাথ শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত প্ৰতিযোগিতাখনিৰ শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° খৰ্গেশ্বৰ ডেকা মহোদয়ে। প্ৰতিযোগীতাখনিত বঁটা হিচাবে প্ৰথম শ্ৰেষ্ঠ তাৰ্কিক বঁটা, দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক বঁটা, তৃত্বীয় শ্ৰেষ্ঠ তাৰ্কিক বঁটা আৰু শান্তনা বটা প্ৰদান কৰা হয়। প্ৰতিযোগীতাৰ অন্তত বিচাৰকৰ সিদ্ধান্ত আছিল এনে ধৰণৰ -

শ্ৰেষ্ঠ দল - ছিপাঝাৰ মহাবিদ্যালয় (সপক্ষে)

দ্বিতীয় শ্ৰেষ্ঠ দল - ছিপাঝাৰ মহাবিদ্যালয় (বিপক্ষে)

তৃতীয় শ্ৰেষ্ঠ দল - দেওমৰণৈ মহাবিদ্যালয় (বিপক্ষে)

শ্ৰেষ্ঠ তাৰ্কিক, দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক আৰু তৃত্বীয় শ্ৰেষ্ঠ তাৰ্কিক যথাক্ৰমে ছিপাঝাৰ মহাবিদ্যালয় আৰু দেওমৰণৈ মহাবিদ্যালয়। উদ্‌গনী বঁটা হিচাবে খাৰুপেটীয়া মহাবিদ্যালয়ৰ আব্দুল ওৱাহাবে লাভ কৰে।

মোৰ কাৰ্যকালত সকলো ক্ষেত্ৰতে অকুণ্ঠ চিত্তে সহায়ৰ হাত আগবঢ়োৱা অধ্যক্ষ ড° খৰ্গেশ্বৰ ডেকা ছাৰ, বিভাগীয়া তত্বাবধায়ক আব্দুল আওৱাল ছাৰ, প্ৰৱক্তা আব্দুৰ ৰহমান ছাৰ, প্ৰৱক্তা তথা কাৰ্যকৰী সভাপতি জালালউদ্দিন ছাৰ আৰু প্ৰৱক্তা পৰিমল দত্ত ছাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

লগতে আন্তৰিক ধন্যবাদ যাঁচিছো বন্ধু-বান্ধৱী ইক্ৰামুল, মিনাৰা, মফিদা, ৰফিকুল, ইমামূল, বিট্টু আৰু উম্মেহানিমা ভনীলৈ। তাৰ লগতে মৰমৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ মনৰ ভাষাৰে কব বিচাৰিছো যে, মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ ইংৰাজী আৰু অসমীয়া তৰ্ক প্ৰতিযোগীতাত আৰু দৰং জিলা আন্তঃ মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগীতাত অতি কম সংখ্যক প্ৰতিযোগিৰ যোগদানেই এই বিষয়ত ছাত্ৰ-ছাত্ৰীৰ উদাসী মনৰেই পৰিচয় দাঙি ধৰে। ছাত্ৰ-ছাত্ৰীৰ বছৰি বৰ্দ্ধিত সংখ্যা অনুপাতে প্ৰতিযোগিৰ অভাৱ কিয়? এই দিশ সমূহ বিচাৰ্যৰ বিষয় আৰু দেখা যায় প্ৰকৃত অনুশীলনৰ অভাৱ। ছাত্ৰ-ছাত্ৰী সকলে চিন্তা চৰ্চা কৰা

উচিত যে অকল পুথিগত জ্ঞানেই মাত্ৰ ছাত্ৰ-ছাত্ৰীক পূৰ্ণতা আনি দিব নোৱাৰে। আশাকৰো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে একোটা প্ৰতিযোগীতা সুলভ মন গঢ়ি তুলিব। ছাত্ৰ-ছাত্ৰী নিশ্চয় জানে যে, কোনো এটা বিষয় টান নহয়। চিন্তা-চৰ্চা আৰু অনুশীলনৰ সহায়ত অতি টান কাম আগবাঢ়ি যোৱাত সহায় কৰে।

প্ৰতিবেদন লেখিব গৈ বহুত অলাগতীয়াল লেখিবলগা হ'লো। তাৰবাবে মই ক্ষমাপ্ৰাৰ্থী। লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা সকলো ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো।

সদৌ শেষত, তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগটিৰ সম্পাদকৰ দায়িত্ব আৰু কৰ্তব্য পালনত মোৰ সকলে জ্ঞাত-অজ্ঞাত ভুলৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো। জয়তু খাৰুপেটীয়া মহাবিদ্যালয়, জয়তু ছাত্ৰ একতা সভা, জয় আই অসম।

শ্ৰদ্ধা আৰু সেৱাৰে-

ছহিদুল ইছলাম
সম্পাদক,
তৰ্ক আৰু বক্তৃতা বিভাগ

****

## প্ৰতিবেদন
### সম্পাদক, ছাত্ৰ জিৰণি কোঠা



জয় জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি ও মোৰ পূজনীয় শিক্ষাগুৰু সকল তথা মোৰ প্ৰিয় বন্ধু-বান্ধৱী সকলৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰাৰ উপৰিও যিসকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত মই খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০০৫-২০০৬ বৰ্ষৰ ছাত্ৰ জিৰণিকোঠাৰ সম্পাদক হিচাবে মনোনীত হৈ মহাবিদ্যালয়খনৰ সেৱা আগবঢ়াবলৈ যি মহান সুযোগ দিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও অশেষ মৰম যাঁচি মই মোৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন পাতনি মেলিছোঁ।

মই ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে সন্মূখীন হওঁ মহাবিদ্যালয় সপ্তাহৰ। মহাবিদ্যালয় সপ্তাহ সুচাৰুৰূপে পৰিচালনা কৰাৰ পিছতে আমি অনুষ্ঠিত কৰো সৰস্বতী পূজা, নৱাগত আদৰণি সভা, ফাতেহা-ই-দোৱাজ দাহম, লগতে সদৌ দৰং জিলা ভিত্তিত তৰ্ক প্ৰতিযোগিতাৰ দৰে মহান অনুষ্ঠানত মই পূৰ্ণ সহযোগিতা আগবঢ়াও। মই ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে মনোনীত হোৱাৰ পিছতে সন্মূখীন হও এটি পূৰ্ণাংগ ছাত্ৰ জিৰণি কোঠাৰ। অতি পৰিতাপৰ বিষয় এয়ে যে, আমাৰ খাৰুপেটীয়া মহাবিদ্যালয় খন ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰাৰ সময়তো এটি পূৰ্ণাংগ ছাত্ৰ জিৰণি কোঠা নথকাটো। আমাৰ মহাবিদ্যালয়খনত যি এটা ছাত্ৰ জিৰণি কোঠা আছে সেইটোও ছাত্ৰ অনুপাতে উপযুক্ত নহয়। মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত যি অস্থায়ী ছাত্ৰ জিৰণি কোঠা পাও তাতো বহু সা-সঁজুলিৰ অভাৱ অনাটন আছিল। সেইখিনি মই পৰ্যায়ক্ৰমে সমাধান কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ কাৰ্যকালত দুখন হেলনীয়া বেঞ্চ, এখন টেবুল, এখন ফেন, তিনিখন কেৰম বোৰ্ড, এটা ফিল্টাৰ লগতে জগ গিলাছৰ যোগান ধৰো। আমাৰ ছাত্ৰ জিৰণি কোঠাত এতিয়াও কিছুমান সামগ্ৰীৰ অভাৱ আছে তাৰ ভিতৰত এখন শৌচাগাৰ আৰু এটা দমকলৰ অতিকে প্ৰয়োজন।

প্ৰতিবেদনৰ সামৰণিত মোৰ বিভাগৰ কাৰ্যকালৰ সময়ছোৱাত সহায় সহযোগ তথা দিহা পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ ড° খৰ্গেশ্বৰ ডেকা ছাৰ লগতে ছাত্ৰ জিৰণি কোঠা বিভাগৰ তত্বাবধায়ক তথা ৰাজনীতি বিভাগৰ প্ৰৱক্তা মাননীয় মঃ হবিবুৰ ৰহমান ছাৰক মোৰ শ্ৰদ্ধাপূৰ্ণ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মোৰ বন্ধুবৰ্গ মঃ আনোৱাৰ হুছেইন, মাহমুদ হাচান, পাৰবিন চুলতানা, চেলিমা, নাজমা, হেবজুৰ, জিন্নাতাৰা, নাহাৰুণ, ইলিজা আদি সকলোৰে মোৰ কাৰ্য কালত বিশেষভাৱে সহায় সহযোজ আগবঢ়োৱাৰ বাবে সকলোলৈকে এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিছো। লগতে মোৰ প্ৰতিটো কামতে সহায় সহযোগ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত খাৰুপেটীয়া মহাবিদ্যালয়ৰ বৌদ্ধিক, সাংস্কৃতিক, শৈক্ষিক সকলো দিশতে উন্নতি কামনা



কৰি প্ৰতিবেদনৰ পৰিসমাপ্তি ঘটালে। জয়তু খাৰুপেটীয়া মহাবিদ্যালয়, জয়তু ছাত্ৰ একতা সভা, জয় আই অসম।

-মহিদুল ইছলাম
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

## প্ৰতিবেদন
### সম্পাদক, সাংস্কৃতিক বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে দেশ মাতৃৰ হকে নিস্বাৰ্থভাৱে প্ৰাণ আহুতি দিয়া বীৰ বীৰাঙ্গনা সকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে খাৰুপেটীয়া মহাবিদ্যালয় খনৰ প্ৰতিষ্ঠাৰ পৰা বৰ্তমানলৈ যিসকল ব্যক্তিৰ অশেষ কষ্টৰ ফলত মহাবিদ্যালয়খনে পূৰ্ণাংগ ৰূপ পালে তেওঁলোকলৈ মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মানৱ হৃদয়ৰ সৌন্দৰ্যময় দিশটোৱেই হৈছে সংস্কৃতি। সংস্কৃতি হৈছে জাতিৰ দাপোন। জীয়াই থকা আৰু জীয়াই ৰখা সংস্কৃতি এক সঞ্জিৱনী শক্তি। মানুহৰ মুকুটিৰ সাধনাই হৈছে সংস্কৃতিৰ মূল প্ৰেৰণা। অসমীয়া সংস্কৃতিৰ পৰিষৰো ব্যাপক। এক সমৃদ্ধিশালী অসমীয়া সংস্কৃতি আবহমান কালৰে পৰাই এটি বোৱতি সুঁতিৰ দৰে বৈ আছে। কিন্তু বৰ পৰিতাপৰ বিষয় এই যে, বৃহৎ অসমীয়া সংস্কৃতিৰ পথাৰখনত পশ্চিমীয়া সংস্কৃতিৰ ভাৱধাৰাই এফালৰ পৰা গ্ৰাস কৰি আহিছে।

যোৱা ইং ২০-১২-০৫ তাৰিখে অন্যান্য বিষয়ববীয়া সকলৰ লগতে ময়ো সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে শপত গ্ৰহণ কৰো।

সম্পাদক হিচাবে দায়িত্বভাৰ গ্ৰহণ কৰিয়েই ২০০৫-২০০৬ শিক্ষাবৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ সন্মূখীন হও। এই মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ দিশৰ পৰা বিভিন্ন গীত, নৃত্য একাঙ্ক নাট প্ৰতিযোগিতা আৰু সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী সকলৰ যি সকলে অনুষ্ঠান সমূহ সাফল্যমণ্ডিত কৰিলে এই চেগতে তেখেত সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

হে মোৰ সতীৰ্থ বৃন্দ, অপ্ৰিয় হলেও সত্য যে আমাৰ মহাবিদ্যালয়ৰ আৰ্থিক দিশটো টনকীয়াল নহয়। সেয়ে মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটোত প্ৰয়োজনীয় নূন্যতম সামগ্ৰীখিনিৰো অভাৱ। মঞ্চ সাজ-সজ্জা, এযোৰ তবলা আৰু এটা হাৰমনিয়ামৰ বাহিৰে অন্য সামগ্ৰী নাছিল যদিও গিটাৰ এখন আৰু ঢুলকী এটা মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ পুজিলৈ অনা হয়।

প্ৰিয় সতীৰ্থবৃন্দ, এই গভীৰ দায়িত্ব পালনত কি কৰিলোঁ, কি কৰা নাই সেয়া আপোনালোকৰ জ্ঞাত।

প্ৰতিটো দিশতে সহায়-সহযোগিতা আগবঢ়োৱা এই বিভাগৰ তত্বাবধায়ক শিক্ষাগুৰু মাননীয় শ্ৰীৰূপজ্যোতি প্ৰসাদ দত্ত মহাশয়, গ্ৰন্থাগাৰিক মাননীয় শ্ৰীজীবেন্দ্ৰ মোহন দেৱ শৰ্মা মহাশয়, ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি মহোদয় মাননীয় মঃ জালালউদ্দিন আহমেদ মহাশয়, মহাবিদ্যালয়ৰ সমূহ প্ৰৱক্তা মণ্ডলী, কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত মোৰ কাৰ্যকালত হৈ যোৱা জ্ঞাত-অজ্ঞাত ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি, খাৰুপেটীয়া মহাবিদ্যালয়ৰ বৌদ্ধিক, সাংস্কৃতিক, শৈক্ষিক সকলো দিশতে সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়,
জয়তু ছাত্ৰ একতা সভা,
জয় আই অসম।

-মঃ ইক্ৰামুল হুছেইন
সম্পাদক,
সাংস্কৃতিক বিভাগ

****

## প্ৰতিবেদন
### সম্পাদক, সমাজসেৱা বিভাগ



জয় জয়তে সৰ্বশক্তিমান পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওপৰত ভৰষা ৰাখি সমাজ সেৱা সম্পাদক হিচাবে মোৰ বাৰ্ষিক সম্পাদকীয় ক্ষুদ্ৰ প্ৰতিবেদনৰ পাতনি মেলিলো।

আমি সকলোৱে এখন সমাজত বাস কৰো। সমাজসেৱা হৈছে দেশ এখনৰ উন্নতিৰ মেৰুদণ্ড স্বৰূপ। বৰ্তমানৰ ছাত্ৰ ভৱিষ্যত দেশৰ নাগৰিক। এজন সু-নাগৰিক হিচাপে দেশখনক উন্নতিৰ দিশত আগুৱাই নিবলৈ আমি ছাত্ৰ অৱস্থাৰ পৰাই গভীৰ দৃঢ় সম্পন্ন মনোভাৱ গঢ়ি তুলিব লাগিব।

যোৱা ২০০৫-২০০৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই মুঠ পাঁচজন প্ৰতিদন্দীৰ মাজৰ পৰা

নির্বাচিত হৈ মই খাৰুপেটীয়া মহাবিদ্যালয়ৰ সমাজসেৱা সম্পাদকৰ পদত নিযুক্তি হওঁ। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আমি অতি কম সময়ৰ ভিতৰত মহাবিদ্যালয়ত মহাবিদ্যালয় সপ্তাহ, ফাতেহা-ই-দোৱাজ দাহম, সৰস্বতী পূজা, গণতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস ২০০৬-০৬ বৰ্ষৰ নৱাগত আদৰণি সভা আদি উৎসৱ নিয়াৰিকৈ পালন কৰো।

এখন মহাবিদ্যালয়ৰ সমাজসেৱা সম্পাদকৰ দায়িত্ব আজি গুৰুত্বপূৰ্ণ। মই কাৰ্যভাৰ গ্ৰহণ কৰি এই মহাবিদ্যালয়ৰ মানদণ্ড কিমানদূৰ ৰক্ষা কৰিব পাৰিছো সেয়া আপোনালোকৰ অনুমেয়। মোৰ কাৰ্যকালত সময় সাপেক্ষে খেল পথাৰ চাফা কৰা, ফুলনিবেৰ মেৰামতি কৰা, বৃক্ষৰোপন কৰা, মহাবিদ্যালয়ৰ চৌহদ সদায় পৰিষ্কাৰ কৰি ৰখা, শ্বহীদবেদী মেৰামতি কৰা আদি কাম মোৰ কাৰ্যকালত নিয়াৰিকৈ হোৱাৰ লগতে আগৰে পৰা বিতৰণ কৰি অহা কেৰাচিন মোৰ দিনত কিবা কাৰণত বন্ধ হৈ যায় যদিও মাননীয় তত্বাৱধায়ক আব্দুল কৰিম ছাৰৰ প্ৰেৰণা, সাধাৰণ সম্পাদক আৰু মোৰ অশেষ চেষ্টাৰ ফলত মহাবিদ্যালয়ত আকৌ কেৰাচিন তেল বিতৰণৰ সুবিধা পাওঁ।

যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ উন্নয়ণ মূলক কাম কৰিবলৈ সুযোগ দিয়ে তেওঁলোকক আন্তৰিক মৰম ও ধন্যবাদ জ্ঞাপন কৰিলো।

মোক সকলো দিশতে সহায় আৰু পৰামৰ্শ আগবঢ়োৱাৰ কাৰণে জিয়াউল হক, খলিলুৰ ৰহমান, ছাহিদুল ইছলাম ,মাহাবুৰ, মোতালেব, আব্দুৰ ৰহিম, মজিবুৰ ৰহমান, জেহেৰুল ইচলাম, শ্বাহ আলী আৰু আশ্ৰাফুলক মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত মোক সকলো দিশৰ পৰা পৰামৰ্শ দি সুকলমে পৰিচালনা কৰাত মাননীয় অধ্যক্ষ ড° খৰ্গেশ্বৰ ডেকা ছাৰ, সমাজসেৱা সম্পাদকৰ তত্বাৱধায়ক মাননীয় আব্দুল কৰিম ছাৰ লগতে ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া সকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল ক্ৰটিৰ বাবে মাৰ্জনা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ বাৰ্ষিক প্ৰতিবেদনৰ অন্তিম ৰেখা টানিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়,
জয়তু ছাত্ৰ একতা সভা, জয় আই অসম।

মোঃ গুলজাৰ হুছেইন
সম্পাদক,
সমাজসেৱা বিভাগ

## প্ৰতিবেদন
## সম্পাদক, খেল অন্তঃ বিভাগ



বাৰ্ষিক প্ৰতিবেদনৰ আদিতেই নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ কৃপাত যি সকল বিদ্ৰোৎসাহী ব্যক্তিৰ উদ্যমী প্ৰচেষ্টা ও অক্লান্ত সাধনাৰ অন্তত আমাৰ অতিকৈ আপোন খাৰুপেটীয়া মহাবিদ্যালয়খনক গঢ় দিলে আৰু দেশমাতৃৰ ৰক্ষাৰ্থে যি সকল বীৰ-বীৰাঙ্গনাই জাতি সত্বাৰ খাতিৰত অকৃপন চেষ্টা ও কেঁচা তেজৰ বিনিময়ত মৃত্যুৰ কৰাল গ্ৰাসত পতিত হৈ দেশমাতৃক স্বাধীনতাৰ মুকুট পিন্ধাই দিলে, পোনতেই মই সেই সকল ব্যক্তিলৈ মোৰ হৃদয়ৰ গভীৰ শ্ৰদ্ধা ও ওলগ যাঁচি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ পাতনি মেলিলো।

খাৰুপেটীয়া মহাবিদ্যালয়ৰ ইং ২০০৫-০৬ চনৰ ছাত্ৰ একতা সভাৰ খেল অন্তঃ বিভাগৰ সম্পাদক হিচাবে মোৰ দায়িত্ব অৰ্পণ কৰাৰ বাবে মই সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত চিৰকৃতজ্ঞ।

বৰ্তমান আধুনিক জগতত সমগ্ৰ বিশ্বজুৰিয়েই বিশ্লেষণাত্মক দৃষ্টিভঙ্গীৰে ফহিয়াই চালে দেখা যায় যে মানৱ সভ্যতাৰ দীপ্তিময় পথৰ অনুসন্ধানত ক্ৰীড়াই এক বিশেষ ভূমিকা পালন কৰি আহিছে।

এসময়ত লোক সকলে বিশ্বাস কৰিছিল অন্তঃদ্বাৰ খেল সমূহ এটি সীমাৰ মাজত আৱদ্ধ। কিন্তু বহিঃদ্বাৰ খেলসমূহ ইয়াৰ ব্যতিক্ৰম। সেইবাবে এই খেলৰ জনপ্ৰিয়তা আছিল বহুল। সময়ৰ লগে লগে ইয়াৰ পৰিৱৰ্তন হ'ল। অন্তঃদ্বাৰ খেলৰ যোগেদিও শাৰিৰীক, মানসিক আৰু বৌদ্ধিক বিকাশ সাধন হয় মানব সমাজত। বিশ্বৰ দৰবাৰত টেবুল টেনিচ, বেডমিন্টন, ডবা আদি খেলে অন্তঃদ্বাৰ খেলৰ জনপ্ৰিয়তাৰ লগত প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হ'ল।

এই খিনিতে আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়খন বিভিন্ন অভাৱ-অভিযোগ আৰু ঘাট প্ৰতিঘাটৰ মাজেৰে জাতি, ধৰ্ম বৰ্ণ, ভাষা নিৰ্বিশেষে গঢ়লৈ উঠা উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ এটি অনুষ্ঠান। এই অনুষ্ঠানটো আৰ্থিকভাৱে স্বাৱলম্বী নোহোৱাৰ হেতুকে অন্যান্য বিষয়ৰ উপৰিও বিযেশকৈ ক্ৰীড়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলে বহুতো সমস্যাৰ সন্মূখীন হ'বলগা হৈছে। তথাপিতো মই মোৰ সাধ্যানুসাৰে খেল অন্তঃ বিভাগত থকা বিভিন্ন অভাৱ-অভিযোগবোৰ লাঘৱ কৰিবলৈ আপ্ৰাণ প্ৰয়াস কৰিছো। সেয়া ছাত্ৰ-ছাত্ৰীসকলৰ বিচাৰ্যৰ বিষয়। মোৰ বোধেৰে লিখা-পঢ়াৰ দৰে যদি খেলা-ধূলাকো সমান জ্ঞানবোধ কৰি আগ্ৰহেৰে প্ৰয়াস কৰা হয়, তেন্তে নিশ্চয় এদিন সুখ্যাতিসম্পন্ন খেলুৱৈ হিচাবে বিশ্বৰ ইতিহাসত নিজৰ নাম সোণালী আখৰেৰে জিলিকাই তুলিব পাৰিব।

মই যোৱা ইং ২০/১২/২০০৫ তাৰিখত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিচতেই মই মোৰ কাৰ্যভাৰ হিচাবে 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰিবলৈ অগ্ৰসৰ হও। খেল অন্তঃ বিভাগৰ ক্ষুদ্ৰ পুঁজিৰ পৰা খেলৰ সা-সামগ্ৰী সমূহ কিনা হয় আৰু সেইবোৰেৰে মহাবিদ্যালয় সপ্তাহ নিয়াৰিকৈ পালন কৰা হয়। কাৰ্যসূচীত খেল অন্তঃ বিভাগত খেল সমূহ আছিল সঙ্গীত, সাঁতোৰ প্ৰতিযোগিতা, ডবা প্ৰতিযোগিতা, পাঞ্জা প্ৰতিযোগিতা, বেডমিন্টন প্ৰতিযোগিতা, ৰিং ডলিওৱা, কইনা প্ৰতিযোগিতা, পিঠা প্ৰতিযোগিতা আৰু ভলিবল প্ৰতিযোগিতা।

'মহাবিদ্যালয় সপ্তাহৰ' খেল পৰিচালনা আদিকলৈ মোৰ কাৰ্যকালৰ সকলো ক্ষেত্ৰতে দিহা পৰামৰ্শ দি বিভাগীয় কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত সহায় কৰা খেল অন্তঃ বিভাগৰ তত্বাৱধায়ক অধ্যাপক মঃ আব্দুল হান্নান ছাৰ তথা যি গৰাকী শিক্ষা গুৰুৱে প্ৰতিটো পদক্ষেপতে মোক দিহা-পৰামৰ্শ তথা প্ৰেৰণা দি আহিছে তেখেতলৈ অশেষ শ্ৰদ্ধা অৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা বন্ধু-বান্ধৱী সকলক কৃতজ্ঞতা আৰু আন্তৰিক মৰম যাঁচিছো।

সদৌ শেষত খাৰুপেটীয়া মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি আৰু অজানিতে হৈ যোৱা ভূল ক্ৰটিৰ বাবে মাৰ্জনা বিচাৰি মই মোৰ সম্পাদকীয় ক্ষুদ্ৰ নিৰস প্ৰতিবেদনৰ ওৰ পেলালো।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়,
জয় আই অসম।"

মঃ মোজাম্মেল হক তালুকদাৰ
সম্পাদক,
খেল অন্তঃ বিভাগ

## ২০০৫-০৬ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বাৰ্ষিক খেল-ধেমালিৰ ফলাফল সমূহঃ

**খেল বহিঃ বিভাগ- ল'ৰা শাখা**

**১০০ মিটাৰ দৌৰ ঃ**
প্ৰথম স্থান- ছাহজাহান আলী (স্নাতক ১ম বৰ্ষ), দ্বিতীয় স্থান - আছৰ আলী (উঃ মাঃ ১ম বৰ্ষ), তৃতীয় স্থান - আব্দুৰ ৰেজ্জাক (স্নাতক ১ম বৰ্ষ),

**৪০০ মিটাৰ দৌৰ ঃ**
প্ৰথম স্থান - পাৰ্থ সাৰথি পাল (স্নাতক ১ম বৰ্ষ), দ্বিতীয় স্থান- ছাহজাহান আলী (স্নাতক ১ম বৰ্ষ), তৃতীয় স্থান - নজমুল আলী (স্নাতক ১ম বৰ্ষ),

**৪০০ মিটাৰ ৰিলে দৌৰ ঃ**
প্ৰথম স্থান-আব্দুৰ ৰেজ্জাক (স্নাতক ১ম বৰ্ষ), দ্বিতীয় স্থান-আছৰ আলী (উঃ মাঃ ১ম বৰ্ষ), তৃতীয় স্থান-মনোহৰ বাদছা (স্নাতক ২য় বৰ্ষ), চতুৰ্থ স্থান-ছাহজাহান আলী (স্নাতক ১ম বৰ্ষ),

**ডিচকাছ থ্ৰ' ঃ**
প্ৰথম স্থান-আছিক ইকবাল (স্নাতক ১ম বৰ্ষ), দ্বিতীয় স্থান-জছিমুদ্দিন আহমেদ (স্নাতক ২য় বৰ্ষ), তৃতীয় স্থান-ওৱাহিদুৰ ৰহমান (স্নাতক ১ম বৰ্ষ)।

**জেভলিন থ্ৰ' ঃ**
প্ৰথম স্থান- মাহমুদ আলী (উঃ মাঃ ১ম বৰ্ষ), দ্বিতীয় স্থান - হাফিজুৰ ৰহমান (উঃ মাঃ ১ম বৰ্ষ), তৃতীয় স্থান - মিৰ্জানুৰ ৰহমান (স্নাতক ৩য় বৰ্ষ)।

**শ্বট পুট ঃ প্ৰথম স্থান ঃ**
মিৰ্জানুৰ ৰহমান (স্নাতক ৩য় বৰ্ষ), দ্বিতীয় স্থান- ওৱাহিদুৰ ৰহমান (স্নাতক ১ম বৰ্ষ), তৃতীয় স্থান - জামালউদ্দিন আহমেদ (স্নাতক ৩য় বৰ্ষ),

**ওখ জাপ (ল'ৰাৰ) ঃ**
প্ৰথম স্থান - মইনুল হক (স্নাতক ১ম বৰ্ষ), দ্বিতীয় স্থান- আমিৰ হুছেইন (স্নাতক ১ম বৰ্ষ), তৃতীয় স্থান - ৰছিদ আলী (উঃ মাঃ ১ম বৰ্ষ)।

**দীঘল জাপ (ল'ৰাৰ) ঃ**
প্ৰথম স্থান - হাফিজুৰ ৰহমান (উঃ মাঃ ১ম বৰ্ষ), দ্বিতীয় স্থান - মফিদুল ইছলাম (স্নাতক ১ম বৰ্ষ), তৃতীয় স্থান - জামাল মিন্টু (উঃ মাঃ ১ম বৰ্ষ)।

**ক্ৰিকেট প্ৰতিযোগিতা ঃ**
আন্তঃ শ্ৰেণী ক্ৰিকেট প্ৰতিযোগিতাৰ চুড়ান্ত খেলৰ বিজয়ী দল স্নাতক প্ৰথম বৰ্ষ।

**ৰছী টনা প্ৰতিযোগিতা (ল'ৰা)ৰ বিজয়ী দলৰ সদস্যসমূহ ঃ**
ছিৰাজুল ইছলাম (স্নাতক ২য় বৰ্ষ), মইনুল হক (স্নাতক ১ম বৰ্ষ), আব্বাছ আলী (স্নাতক ২য় বৰ্ষ), আবুল কালাম

(স্নাতক ২য় বৰ্ষ), ছাইফুল ইছলাম (স্নাতক ৩য় বৰ্ষ)

<u>ছোৱালী শাখাৰ</u>

<u>১০০ মিটাৰ দৌৰ ঃ</u>

প্ৰথম স্থান - জায়েদা বেগম (স্নাতক ১ম বৰ্ষ), দ্বিতীয় স্থান - মমতাজ বেগম (উঃ মাঃ ১ম বৰ্ষ), তৃতীয় স্থান - আখতাৰা বেগম (উঃ মাঃ ১ম বৰ্ষ)।

<u>ডিছ্‌কাছ থ্ৰ’ ঃ</u>

প্ৰথম স্থান - জয়নৱ বেগম (উঃ মাঃ ১ম বৰ্ষ), দ্বিতীয় স্থান - খাদিজা ইয়াছমিন (উঃ মাঃ ২য় বৰ্ষ), তৃতীয় স্থান-জায়েদা বেগম (স্নাতক ১ম বৰ্ষ)।

<u>জেভ্‌লিন থ্ৰ’ ঃ</u>

প্ৰথম স্থান - উম্মেহানী ইয়াছমিন (উঃ মাঃ ২য় বৰ্ষ), দ্বিতীয় স্থান - ৰাখি সাহা (স্নাতক ৩য় বৰ্ষ), তৃতীয় স্থান - জয়নব বেগম (উঃ মাঃ ১ম বৰ্ষ),

শ্বট পুট ঃ

প্ৰথম স্থান ঃ ৰাখি সাহা (স্নাতক ৩য় বৰ্ষ), দ্বিতীয় স্থান - জায়েদা বেগম (স্নাতক ১ম বৰ্ষ), তৃতীয় স্থান-জয়নৱ বেগম (উঃ মাঃ ১ম বৰ্ষ)

<u>খেল অন্তঃ বিভাগ</u> ঃ

সঙ্গীত চকী প্ৰতিযোগিতা (ছোৱালী)ঃ

প্ৰথম স্থান - মিছ আবিদা বেগম চৌধৰী (স্নাতক ২য় বৰ্ষ), দ্বিতীয় স্থান -খাদিজা ইয়াছমিন (উঃ মাঃ ২য় বৰ্ষ), তৃতীয় স্থান - উম্মেহানিমা ইয়াছমিন (উঃ মাঃ ২য় বৰ্ষ)।

<u>সাঁতোৰ প্ৰতিযোগিতা (ল’ৰা)ঃ</u>

প্ৰথম স্থান - মহম্মদ আলী (উঃ মাঃ ১ম বৰ্ষ), দ্বিতীয় স্থান - আবুল হুছেইন (উঃ মাঃ ১ম বৰ্ষ), তৃতীয় স্থান- ছাইফুৰ ৰহমান (স্নাতক ২য় বৰ্ষ)।

<u>কেৰম প্ৰতিযোগিতা (ছোৱালী) ঃ</u>

প্ৰথম স্থান- মিছ খাদিজা ইয়াছমিন (উঃ মাঃ ২য় বৰ্ষ), দ্বিতীয় স্থান- উম্মেহানিমা ইয়াছমিন (উঃ মাঃ ২য় বৰ্ষ)।

ডবা প্ৰতিযোগিতা (ল’ৰা) ঃ

প্ৰথম স্থান - শ্বেখ হেদায়েতুল্লা (স্নাতক ২য় বৰ্ষ), দ্বিতীয় স্থান-
শ্বেখ কামাল পাছা (স্নাতক ১ম বৰ্ষ), তৃতীয় স্থান- আনোৱাৰ হামজা (স্নাতক ১ম বৰ্ষ)।

<u>ডবা প্ৰতিযোগিতা (ছোৱালী) ঃ</u>

প্ৰথম স্থান- খাদিজা ইয়াছমিন (উঃ মাঃ ২য় বৰ্ষ), দ্বিতীয় স্থান- উম্মেহানিমা ইয়াছমিন (উঃ মাঃ ২য় বৰ্ষ)।

<u>পাঞ্জা প্ৰতিযোগিতা (ল’ৰা) ঃ</u>

প্ৰথম স্থান- আবুবক্কৰ ছিদ্দিক (উঃ মাঃ ১ম বৰ্ষ), দ্বিতীয় স্থান-নুৰ বৰকত আলী (উঃ মাঃ ২য় বৰ্ষ), তৃতীয় স্থান- জাকিৰ হুছেইন (উঃ মাঃ ১ম বৰ্ষ)।

কইনা প্ৰতিযোগিতা ঃ

প্ৰথম স্থান- ছাইফুল ইছলাম (উঃ মাঃ ২য় বৰ্ষ), দ্বিতীয় স্থান - মিৰ্জা হক চৌধুৰী (স্নাতক ২য় বৰ্ষ), তৃতীয় স্থান- ওম ছানি (স্নাতক ১ম বৰ্ষ)।

<u>পিঠা প্ৰতিযোগিতা (ছোৱালী) ঃ</u>

প্ৰথম স্থান - ৰুণা লাইলা (স্নাতক ২য় বৰ্ষ), দ্বিতীয় স্থান- নুৰজা চুলতানা (স্নাতক ২য় বৰ্ষ), তৃতীয় স্থান- আবিদা বেগম চৌধৰী (স্নাতক ২য় বৰ্ষ)।

<u>ভেশচন প্ৰতিযোগিতা ঃ</u>

প্ৰথম স্থান- ছাহজাহান আলী (স্নাতক ১ম বৰ্ষ), দ্বিতীয় স্থান- নছিব আলী (স্নাতক ২য় বৰ্ষ, তৃতীয় স্থান- মমিনা ইছলাম (উঃ মাঃ ২য় বৰ্ষ)।

<u>পাঞ্জা প্ৰতিযোগিতা (ছোৱালী) ঃ</u>

প্ৰথম স্থান- জয়নৱ বেগম (উঃ মাঃ ১ম বৰ্ষ), দ্বিতীয় স্থান- ৰাখি সাহা (স্নাতক ২য় বৰ্ষ), তৃতীয় স্থান- ফাতেমা খাতুন (উঃ মাঃ ২য় বৰ্ষ)।

বেডমিন্টন প্ৰতিযোগিতা (ল’ৰাৰ) ঃ

প্ৰথম স্থান- লক্ষ্মন নাগৰি (বি.কম. ১ম বৰ্ষ), দ্বিতীয় স্থান- প্ৰকাশ ভুতহাৰ (বি.কম. ১ম বৰ্ষ)।

<u>বেডমিন্টন প্ৰতিযোগিতা ঃ</u>
<u>(ছোৱালীৰ) ঃ</u>

প্ৰথম স্থান- কুমাৰী গোস্বামী (স্নাতক ৩য় বৰ্ষ), দ্বিতীয় স্থান- ৰাখি সাহা (স্নাতক ৩য় বৰ্ষ)।

<u>ৰিং দলিওঁৱা (ছোৱালীৰ) ঃ</u>

প্ৰথম স্থান- আবিদা আহমেদ (স্নাতক ২য় বৰ্ষ), দ্বিতীয় স্থান- উম্মেহানিমা ইয়াছমিন (উঃ মাঃ ২য় বৰ্ষ)।

ভলিবল প্ৰতিযোগিতা (ল’ৰা)ৰ বিজয়ী <u>দলৰ সদস্যসমূহ ঃ</u>

গুলজাৰ হুছেইন (স্নাতক ১ম বৰ্ষ), আনোৱাৰ হুচেইন (স্নাতক ১ম বৰ্ষ), মমিন আলি (স্নাতক ১ম বৰ্ষ), ছবিফুল ইছলাম (স্নাতক ১ম বৰ্ষ), গোলাম মস্তোফা (স্নাতক ১ম বৰ্ষ), আল আমিন (স্নাতক ১ম বৰ্ষ)

****

নতুন বৰ্ষৰ শুভেচ্ছাৰে-

শ্যাম সুন্দৰ বস্ত্ৰালয়
আপোনাৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় বস্ত্ৰ সম্ভাৰ
ডেইলী মাৰ্কেট ঃ খাৰুপেটীয়া চাৰিআলী
দৰং ঃ অসম- ৭৮৪১১৫
ফোন - ০৩৭১৩-২৫৫৮৩৩



## খাৰুপেটীয়া মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী সকলৰ পৰিচয়

অধ্যক্ষ ঃ ড° খৰ্গেশ্বৰ ডেকা এম. কম, বি. এড, পি. এইচ্ ডি.।

| | | |
|---|---|---|
| <u>ইংৰাজী বিভাগ ঃ</u> | | |
| মঃ আব্দুৰ ৰহিম | এম. এ. বি. এড | প্ৰৱক্তা |
| মঃ আব্দুল আওৱাল | এম. এ. বি. এড | প্ৰৱক্তা |
| শ্ৰীমতী মালা চক্ৰৱৰ্তী | এম. এ. বি. এড | প্ৰৱক্তা |
| মঃ ৰুকুনউদ্দিন আহমেদ | এম. এ. | প্ৰৱক্তা |
| <u>অসমীয়া বিভাগ</u> | | |
| ড° আছমানাৰা বেগম | এম. এ. পি. এইচ. ডি | প্ৰৱক্তা |
| শ্ৰীমতী কনকলতা শইকীয়া | এম. এ. এম. ফিল | প্ৰৱক্তা |
| মঃ নাজিৰ হুছেইন সৰকাৰ | এম. এ. | প্ৰৱক্তা |
| মিছ মিছিৰা পাৰবিন | এম. এ. | প্ৰৱক্তা |
| <u>ৰাজনীতি বিজ্ঞান বিভাগ</u> | | |
| মঃ নুৰুল ইছলাম | এম. এ. বি. এড | মুৰব্বী প্ৰৱক্তা |
| শ্ৰীৰূপজ্যোতি প্ৰসাদ দত্ত | এম. এ. এল, এল. বি. | প্ৰৱক্তা |
| মঃ হবিবুৰ ৰহমান | এম. এ. | প্ৰৱক্তা |
| মঃ আব্দুল ওৱাহিদ | এম. এ. | |
| <u>শিক্ষা বিভাগ</u> | | |
| মঃ আবুল বাসাৰ আহমেদ | এম. এ. | প্ৰৱক্তা |
| মিছ জাহিদা চুলতানা | এম. এ. বি. এড | প্ৰৱক্তা |
| মঃ আমজাদ হুছেইন মজুমদাৰ | এম. এ. বি. এড | প্ৰৱক্তা |
| মঃ লুটফুৰ ৰহমান | এম. এ. বি. এড. | প্ৰৱক্তা |
| <u>অৰ্থনীতি বিভাগ</u> | | |
| শ্ৰীদীপক কলিতা | এম. এ. | মুৰব্বী প্ৰৱক্তা |
| মিচেচ্ মৌচুমী সাহা কলিতা | এম. এ. এল. এল. বি. | জ্যেষ্ঠ প্ৰৱক্তা |
| মঃ মিজানুৰ ৰহমান | এম. এ. | প্ৰৱক্তা |
| <u>বুৰঞ্জী বিভাগ</u> | | |
| মঃ আব্দুল কৰিম | এম. এ. বি. এড. | প্ৰৱক্তা |
| মঃ জালালউদ্দিন আহমেদ | এম. এ. | জ্যেষ্ঠ প্ৰৱক্তা |
| মঃ আব্দুল হান্নান | এম. এ. | জ্যেষ্ঠ প্ৰৱক্তা |
| <u>আৰবী বিভাগ</u> | | |
| মঃ নুৰজামান | এম. এ. বি. এড. | মুৰব্বী প্ৰৱক্তা |
| মঃ জাকিৰ হুছেইন আহমেদ | এম. এ. | জ্যেষ্ঠ প্ৰৱক্তা |
| মঃ ইমৰান আলি | এম. এ | জ্যেষ্ঠ প্ৰৱক্তা |
| মঃ জাবেৰ আহমেদ | এম. এ. এম. এম. | প্ৰৱক্তা |
| <u>ভূগোল বিভাগ</u> | | |
| শ্ৰীভূপেন্দ্ৰ নাথ বৰা | এম. এ. | প্ৰৱক্তা |
| ড° কালিদাস শৰ্মা | এম. এ. পি.এইছ. ডি. | প্ৰৱক্তা |

গণিত বিভাগ

| | | |
|---|---|---|
| মঃ আব্দুৰ ৰহমান | এম. এছ. ছি | প্ৰৱক্তা |
| মঃ আফজল হুছেইন | এম. এছ. ছি | প্ৰৱক্তা |

সংস্কৃত বিভাগ

| | | |
|---|---|---|
| শ্ৰীপৰিমল কুমাৰ দত্ত | এম. এ. (ডবল) এম. এড. | মুৰব্বী প্ৰৱক্তা |
| শ্ৰীমতী অপৰাজিতা দেৱী | এম. এ. বি. এড. | প্ৰৱক্তা |

দৰ্শন বিভাগ

| | | |
|---|---|---|
| শ্ৰীজ্যোতিষ চহৰীয়া | এম. এ. | মুৰব্বী প্ৰৱক্তা |
| শ্ৰীমতী প্ৰণতি দত্ত | এম. এ. | প্ৰৱক্তা |
| মঃ জাকিৰ হুছেইন চৌধুৰী | এম. এ. বি.এড. | প্ৰৱক্তা |

হিন্দী বিভাগ

| | | |
|---|---|---|
| মঃ শিকদাৰ আনোৱাৰুল ইছলাম | এম. এ. | মুৰব্বী প্ৰৱক্তা |
| মঃ আব্দুল মতিন | এম. এ. | প্ৰৱক্তা |
| মঃ মোস্তাফা নুৰুজ্জামান | এম. এ. (প্ৰৱীণ) | প্ৰৱক্তা |

বাণিজ্য বিভাগ

| | | |
|---|---|---|
| মঃ আব্দুল আজিজ | এম. কম. | প্ৰৱক্তা |
| মঃ আবুবক্কৰ ছিদ্দিক | এম. কম. | প্ৰৱক্তা |
| মঃ নাছিৰুল হক | এম. কম. | প্ৰৱক্তা |
| মঃ মোস্তাফা কামাল | এম. কম. | প্ৰৱক্তা |
| মঃ ফৰিদ মাছুদ আহমেদ | এম. কম. | প্ৰৱক্তা |

গ্ৰন্থাগাৰ

| | | |
|---|---|---|
| শ্ৰীজীৱেন্দ্ৰ মোহন দেৱ শৰ্মা | এম. এ. বি. লিব. এছ. চি. | গ্ৰন্থাগাৰিক |
| মঃ শ্বাহ আলম | | গ্ৰন্থাগাৰ সহায়ক |
| মঃ আবু তালেব | | গ্ৰন্থাগাৰ বাহক |

অধ্যক্ষৰ কাৰ্যালয় সহায়ক ও চতুৰ্থবৰ্গ শ্ৰেণীৰ কৰ্মচাৰীবৃন্দ

| | | |
|---|---|---|
| মঃ খন্দকাৰ দিলোৱাৰ হুছেইন | বি. এ. | উচ্চ বৰ্গৰ সহায়ক |
| মঃ আবুবক্কৰ ছিদ্দিক | বি. এ. | উচ্চ বৰ্গৰ সহায়ক |
| মঃ ইছলামুদ্দিন আহমেদ | বি. এ. | নিম্ন বৰ্গৰ সহায়ক |
| মঃ শ্বহীদ আলি | বি. এ. | নিম্ন বৰ্গৰ সহায়ক |
| মঃ ওৱাহেদুদ জামান | বি. এ. | নিম্ন বৰ্গৰ সহায়ক |
| মঃ ছোৰহাব আলী | ---- | নিম্ন বৰ্গৰ সহায়ক |
| মঃ ছফিকুল ইছলাম | বি. এ. | নিম্ন বৰ্গৰ সহায়ক |
| মঃ শ্বহীদ উল্লাহ | বি. এ. | নিম্ন বৰ্গৰ সহায়ক |
| মঃ মিজানুৰ ৰহমান | ---- | নিম্ন বৰ্গৰ সহায়ক |
| মঃ ছামিজুৰ ৰহমান | ---- | চতুৰ্থ বৰ্গৰ কৰ্মচাৰী |



| | | |
|---|---|---|
| লাল মিঞা | ---- | চতুৰ্থ বৰ্গৰ কৰ্মচাৰী |
| মঃ আব্দুছ ছামাদ খন্দকাৰ | | গৱেষণাগাৰ বাহক |
| মঃ কিনাল আলী | | চতুৰ্থ বৰ্গৰ কৰ্মচাৰী |
| মঃ আব্দুল খালেক | | চতুৰ্থ বৰ্গৰ কৰ্মচাৰী |
| অবিৰ আলী | | চতুৰ্থ বৰ্গৰ কৰ্মচাৰী |
| নুৰ মহম্মদ | | নৈশ চকিদাৰ |

## খাৰু পেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য-সদস্যাৰ তালিকা ২০০৫ - ০৬ ইং

| | |
|---|---|
| মঃ মিজানুৰ আহমেদ | উপ-সভাপতি |
| মঃ জিয়াউল হক | সাধাৰণ সম্পাদক |
| গোলাম ৰাব্বানী ফকীৰ | সহ-সাধাৰণ সম্পাদক |
| গোলজাৰ হুছেইন | সম্পাদক, সমাজ সেৱা বিভাগ |
| ৰুহুল আমিন ছিদ্দিকি | সম্পাদক, আলোচনী বিভাগ |
| ওৱাহিদুৰ ৰহমান | সম্পাদক, খেল বহিঃ বিভাগ |
| মোজাম্মেল হক তালুকদাৰ | সম্পাদক, খেল অন্তঃ বিভাগ |
| ইক্ৰামুল হুছেইন | সম্পাদক, সাংস্কৃতিক বিভাগ |
| ছহিদুল ইছলাম | সম্পাদক, তৰ্ক বিভাগ |
| মফিদুল ইছলাম | সম্পাদক, ছাত্ৰ জিৰণী কোঠা |
| মিছ ইৰলিনা খাতুন | সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা |

## এন. চি. খাৰুপেটীয়া

### উদ্যোগিক আৰু বাণিজ্যিক কৃষি উন্নয়ণ সমবায় সমিতি লিঃ

স্থান ঃ খাৰুপেটীয়া, নৌকাঘাট

ডাক - খাৰুপেটীয়া; জিলা - দৰং (অসম)

পঞ্জীয়ণ - এম. ২২/০৩/২০০৪

**এই অনুষ্ঠানৰ অন্তৰ্ভূক্ত অঞ্চলৰ জনসাধাৰণৰ মাজত শৈক্ষিক, অৰ্থনৈতিক, কৃষি আৰু জনকল্যাণ মূলক দিশত সৰ্বাঙ্গীন উন্নতি সাধন লগতে জনসাধাৰণৰ মাজত ঐক্য, শান্তি আৰু প্ৰগতি ৰক্ষা কৰাই আমাৰ মূল উদ্দেশ্য।**








Printed at Paramount Computer Centre, Bordoulguri, Darrang